জানুৱাৰী 2004 Rs. 10 /-

# চান্দমামা

নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে

PARLE
চুপাক চাক
চুক নাকটুক
ছ্রিচচ টুউইচ নক?
গোলি
মস্ত
বোলি
mango bite
সুস্বাদু মেংগোবাইট মাত্র মুখত লোৱা বাছা,
আৰু আৰম্ভ কৰি দিয়া মেংগোবাইটৰ ভাষা।
everest/2003/PP/32 as
Visit: www.parleproducts.com

NOW AVAILABLE AT ALL LEADING STORES

# TRAPPED

## GAMES AND ACTIVITY CD-ROM



*PROF. PURENOTHIN, THE RENOWNED INDOLOGIST, IS TRAPPED INSIDE THE MOUND OF MURUKKI. YOU JOIN DETECTIVE MANDOO TO SEARCH FOR THE PROFESSOR AND SAVE HIM. THE ONLY WAY TO THE MOUND OF MURUKKI IS REVEALED TO YOU, ONLY WHEN YOU CAN GET HOLD OF FOUR KEYS HIDDEN ALONG YOUR ROUTE. AND YOU HAVE TO SEARCH FOR THEM THROUGH A DOZEN DIFFERENT GAMES AND ACTIVITIES. GO FOR CLUES AND KEYS!*

*MIND YOU, YOU HAVE ONLY 60 MINUTES TO REACH THE PROFESSOR! GET THERE FAST, BUT BEWARE OF YOURSELF BEING TRAPPED!*

*Hey, but this one is a whole lot of fun! You have a different set of games and activities, every time you begin your search.*

*A quality product from* **Chandamama**

*For more details, please contact :*
**Chandamama India Limited,**
82, Defence Officers' Colony,
Ekkatuthangal, Chennai - 600 097.
www.chandamama.org

RS. 199/- ONLY

# এই সংখ্যাত আছে

বৰ্ষ : ৩১ জানুৱাৰী ২০০৪ সংখ্যা-১

বীৰ কালীনাথ
১৩

ধীনাথৰ পৰামৰ্শ
১৯

ভাৰতৰ পৌৰাণিক উপাখ্যান
২৬

বিষ্ণু কথা
৪৫


## এই মাহৰ বিশেষ আকৰ্ষণ

★ হৃদয়ানন্দৰ উপদেশ...৭ ★ জয়কান্তৰ কাহিনী...৯ ★ বীৰ কালীনাথ-১ ...১৩ ★ ধীনাথৰ পৰামৰ্শ (ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী)...১৯ ★ বিচিত্ৰ ভাৰত...২৫ ★ ভাৰতৰ পৌৰাণিক কাহিনী-২১ ...২৬ ★ ৰহস্য উদঘাটনৰ সত্য কাহিনী...২৮ ★ সংবাদ বিচিত্ৰা...৩৩ ★ নদীয়ে দিয়া অপৰূপ সন্তান...৩৪ ★ ভুতুনীৰ উপহাৰ...৪০ ★ ভাৰতৰ বিষয়ে জানি লোৱা...৪৪ ★ বিষ্ণু কথা...৪৫ ★ তিনিটা মুদ্ৰাৰ পুণ্য...৫১ ★ যাৰ পৰশত সকলো সোণ হয়...৫৪ ★ চতুৰ চিত্ৰকৰ...৫৯ ★ আৰ্য...৬০ ★ জানো আহা নানা কথা...৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা...৬৬

**SUBSCRIPTION**

**For USA and Canada**
**Single copy $2**
**Annual subscription $20**

***Remittances in favour of Chandmama India Ltd.***
**to**
**Subscription Division**
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail :
subscription@chandamama.org

### বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট্ বা মণিঅৰ্ডাৰ যোগে
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact:
DELHI Gaurav Chopra : 3/14, INS Building, Rafi Marg, New Delhi - 110001. Tel : 23717498-23714551
MUMBAI Sonia Desai : Ph : 022-56942407 / 2408 Mobile: 98209-03124
CHENNAI Shivaji : Ph : 044-22313637 / 22347399 Fax: 044-22312447
Mobile : 98412-77347 email : advertisements @chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপানি

7-1-2004

# সংৰক্ষণ আৰু সুৰক্ষা

জীৱন অমূল্য বুলি কোৱা হয়, সেই জীৱন লাগিলে মানুহৰেই হওক, জীৱ জন্তু বা চৰাই-চিৰিকতিৰেই হওক বা আনকি তৰু-তৃণ বা প্ৰকৃতিৰ যি কোনো জীৱিত প্ৰাণীৰেই হওক । কিন্তু আচৰিত কথা যে কেতিয়াবা মানুহে এইখন পৃথিৱীতে বাস কৰা সহ-জীৱিত প্ৰাণীক হত্যা কৰি বা প্ৰকৃতিৰ ওপৰত ধ্বংসকাৰ্য চলাই আনন্দ লাভ কৰে। আমি হিংসা পৰিহাৰ কৰা উচিত, জীৱ-জন্তুৰ প্ৰাণহানি হোৱা কাম কৰাৰ পৰা বিৰত থকা উচিত আৰু প্ৰকৃতিয়ে প্ৰদান কৰা সা-সম্পত্তি ধ্বংস কৰা কামত লিপ্ত হোৱা অনুচিত ।

সৃষ্টিৰ আৰু এক শ্ৰেণী আছে, তাকো ভালকৈ সংৰক্ষণ আৰু সুৰক্ষা দিয়া প্ৰয়োজন। এই শ্ৰেণীত আছে, স্মৃতিসৌধসমূহ, স্মৃতিভৱন সমূহ আৰু অন্যান্য নিৰ্মাণ সমূহ । এইবোৰ মানুহৰ কল্পনা, অনুভূতি আৰু আবেগসৃষ্ট আৰু প্ৰায়ে কাৰোবাৰ সোঁৱৰণত নিৰ্মিত বা মানুহৰ কৃতিত্ব আৰু সাফল্যৰ প্ৰতি জনোৱা স্মৃতিচাৰণ বা শ্ৰদ্ধাঞ্জলি বুলি ক'ব পাৰি ।

শ শ বছৰ আগতে আমাৰ দেশখন বিদেশী শাসকৰ দ্বাৰা শাসিত আছিল । কিন্তু এই কথা অনস্বীকাৰ্য, আমাৰ ঐতিহ্যৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধা আছিল । ১৯০৪ চনত, দেশৰ সকলো স্মৃতিসৌধ আৰু স্মৃতিভৱন সংৰক্ষণ কৰিবৰ বাবে এখন আইন বলবৎ কৰা হয় । সৌভাগ্যবশতঃ স্বাধীনতাৰ পিছত চৰকাৰ আৰু কিছুমান সংগঠনে লোৱা কেতবোৰ ব্যৱস্থাৰ বাবে এনেকুৱা বহুতো স্মৃতিসৌধ উত্তৰ পুৰষৰ বাবে অক্ষত অৱস্থাত আছে ।

সেয়ে, আহাঁ এই অধিবৰ্ষই দিয়া অতিৰিক্ত দিনটো আমি সকলোৱে আমাৰ ঐতিহ্যক্ষৰ চিহ্নবোৰৰ সংৰক্ষণ আৰু সুৰক্ষা দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে এক প্ৰচাৰ অভিযান চলাওঁ ।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

GET YOUR COPY AT YOUR DOORSTEP FOR ONE YEAR FOR JUST RS. 120/-

A TREASURE-TROVE FOR TALENTED TOTS

# Junior CHANDAMAMA

## THE ONE-STOP COMPLETE FUN AND ACTIVITY MAGAZINE.



- Games, puzzles, riddles, stories, colouring activity and more...
- Good habits grow when young. Check out articles and features in which values are taught subtly and let your child learn about Indian culture and heritage.

PAGE AFTER PAGE WILL KINDLE YOUR CHILD'S IMAGINATION

*Mail the form below along with the remittance to* : Subscription division, Chandamama India Limited, 82 Defence Officers' Colony, Ekkatuthangal, Chennai - 600 097.

## SUBSCRIPTION FORM

Please enrol me as a subscriber of Junior Chandamama. I give below the required particulars:

Name : ........................................ Address : ........................................

...............................................................

...............................................................

PIN Code : ....................................

I am remitting the amount of Rs.120/- for 12 issues by Money Order/Demand Draft/ Cheque No..................... on.................................... Bank .................................... branch drawn in favour of Chandamama India Ltd., encashable at Chennai (outstation cheque to include Rs.25/- towards bank Commission).

Place : ....................

Date : ....................

Signature

# হৃদয়ানন্দৰ উপদেশ

পূজাৰী গাৱঁত সদায় শুকুৰবাৰে হাট বহিছিল। সেইখন হাটত ভাল জাতৰ গৰু-গাই কিনিবলৈ মানুহ বহুত দূৰৰ পৰা আহিছিল।

গজানন্দ এজন খেতিয়ক আছিল। খেতি বাতিৰ কামৰ বাবে তেওঁক এহাল বলদৰ খুবেই প্ৰয়োজন আছিল। তেওঁ সেয়ে পূজাৰী গাৱঁৰ হাটলৈ আহিল। তেওঁৰ তাত পাওঁতে পাওঁতে ৰাতি হৈ গ'ল, সেয়ে তেওঁ সেই ৰাতি এটা চৰাই ঘৰতে থকা ভাল হ'ব বুলি ভাবিলে। যদিও তাত চোৰ-চকাইতৰ ভয় নাছিল, তথাপি তেওঁ হাতত থকা টকা পাঁচশ চৰাই ঘৰৰ মালিক হৰিনাৰায়ণৰ হাতত থোৱাটোৱেই বুদ্ধিমানৰ কাম হ'ব বুলি ভাবি সেইখিনি ভালকৈ থবলৈ হৰিনাৰায়ণক দি দিলে।

পুৱা হাটলৈ যাবলৈ ওলাই তেওঁ হৰিনাৰায়ণক পইচাখিনি খুজিলে।

হৰিনাৰায়ণে আচৰিত হৈ সুধিলে, ''পাঁচশ টকা! মোক দিছিল? আপুনিয়েই অঁকৰা মানুহ নে মোক অঁকৰা সাজিবলৈ আহিছে?''

তেওঁৰ এনে উত্তৰত গজানন্দ একেবাৰে অবাক হ'ল। তেওঁ আহত মাতেৰে ক'লে, ''আপুনি এইবোৰ কি কৈছে? কিয় মই কালি ৰাতি আপোনাৰ হাতত পাঁচশ টকা থবলৈ দিয়া নাছিলোনে? মই পুৱা হাটলৈ যোৱাৰ সময়ত ল'ম বুলিও কৈছিলোঁ। ''পাঁচশ টকাতো দূৰৰে কথা, পাঁচ পইচাও আপুনি মোক দিয়া নাই, মিছা কথা কৈছে।'' হৰিনাৰায়ণে ৰুক্ষ স্বৰেৰে ক'লে।

গজানন্দ হতাশ হৈ পৰিল। নিমাতে তেওঁ চৰাই ঘৰৰ বাহিৰলৈ ওলাই আহিল। তেওঁৰ এনে অৱস্থা দেখি এজন অচিনাকি গঞাই আহি তেওঁৰ অৱস্থাৰ কাৰণ সুধিলে। সকলো কথা জনাৰ পিছত গঞাজনে গজানন্দক ক'লে, ''তোমাৰ পইচাখিনি ঘূৰাই পাবলৈ এটাই উপায় আছে। চোৱাঁ, সেই গলিটোৰ শেষত থকা বৰগছ জোপাৰ কাষতে এটা ঘৰ আছে। তাত হৃদয়ানন্দ নামৰ এজন বুদ্ধিমান

আৰু চতুৰ ব্যক্তি আছে । তালৈ যোৱা আৰু তেওঁক সকলো কথা খুলি কোৱাগৈ ।"

গজানন্দ হৃদয়ানন্দৰ ওচৰলৈ গ'ল । সেই সময়ত তেওঁ খাটিয়াত বহি কিবা এখন কিতাপ পঢ়ি আছিল । গজানন্দই নিজৰ নাম আৰু গাৱঁৰ নাম কৈ সকলো কথা খুলি ক'লে।

"যি হৈ গ'ল, হৈ গ'ল । এতিয়া তুমি এটা কাম কৰা । আৰু পাঁচ শ টকা লৈ আনা। অহা বৃহস্পতিবাৰে সেইটো চৰাই ঘৰতে তুমি থাকিবা । আৰু তেওঁক ভালকৈ থৈ দিবলৈ দিবা । এই বাৰ ৰাম মন্দিৰৰ পূজাৰীকো লগতে লৈ আনিবা । তেওঁৰ উপস্থিতিতে পইচাখিনি হৰিনাৰায়ণক দিবা।" হৃদয়ানন্দই ক'লে । গজানন্দই পিছৰ গুৰুবাৰে ৰাতি পূজাৰীৰ লগত গ'ল আৰু পাঁচ শ টকা ভালকৈ হৰিনাৰায়ণক দিলে ।

পিছদিনা পুৱা গজানন্দই হৃদয়ানন্দৰ ওচৰলৈ গৈ সুধিলে, "কওক, মই আৰু কি কৰিম ?"

"এতিয়া তালৈ যোৱা আৰু সেই পাঁচশ টকা ঘূৰাই দিবলৈ হৰিনাৰায়ণক কোৱাগৈ ।" হৃদয়ানন্দই উপদেশ দিলে ।

গজানন্দই ঘূৰি আহি হৰিনাৰায়ণক পাঁচ শ টকা খুজিলে । যিহেতু পইচাখিনি ল'বৰ সময়ত পূজাৰীও তাত উপস্থিত আছিল, সেয়েহে হৰিনাৰায়ণে নিমাতে পইচাখিনি ঘূৰাই দিলে । হাটত কাম শেষ হোৱাৰ পিছত গজানন্দই পুনৰ হৃদয়ানন্দৰ ওচৰলৈ আহিল আৰু ক'লে, "মই বুজি পোৱা নাই যে আগৰ পাঁচ শ টকা তেওঁৰ পৰা কেনেকৈ ঘূৰাই পাওঁ।"

"সেইটো একো ডাঙৰ সমস্যা নহয় । সন্ধিয়া পূজাৰীক লগত লৈ চৰাই ঘৰলৈ আহিবা আৰু হৰিনাৰায়ণক পাঁচ শ টকা খুজিবা ।" হৃদয়ানন্দই উপদেশ দিলে ।

গজানন্দই পূজাৰীক লগত লৈ চৰাই ঘৰলৈ লৈ আহিল আৰু নিজৰ পাঁচ শ টকা খুজিলে । হৰিনাৰায়ণে সেই পাঁচ শ টকাও নিমাতে ঘূৰাই দিলে ।

আনন্দ মনেৰে গজানন্দ হৃদয়ানন্দৰ ওচৰলৈ আহিল পইচাখিনি ঘূৰাই পোৱাৰ উপায় বিচাৰি দিয়াৰ বাবে তেওঁক আন্তৰিক ধন্যবাদ দিলে । তেতিয়া হৃদয়ানন্দই মিচিকিয়াই হাঁহি ক'লে, "পইচা-পাতিৰ ক্ষেত্ৰত বৰ সাৱধান হোৱা উচিত । ঠগ, প্ৰৱঞ্চক, জংঘলত, চৰাইঘৰত আৰু ৰাস্তাই-ঘাটে থাকে ।"

# জয়কান্তৰ কাহিনী

চন্দ্ৰকান্ত সুৱৰ্ণপুৰৰ শাসক আছিল । তেওঁৰ একমাত্ৰ পুত্ৰ জয়কান্ত তেওঁৰ সপোন আছিল। ওচৰ চুবুৰীয়া সৰু-সৰু ৰাজ্য-বোৰক চন্দ্ৰকান্তই নিজৰ অধীন কৰি লৈছিল আৰু সুৱৰ্ণপুৰক আৰু দৃঢ় কৰি তুলিছিল ।

তেওঁৰ পুত্ৰ জয়কান্তই শাস্ত্ৰ আৰু ৰাজ-নীতিৰ শিক্ষা ল'লে আৰু তাত তেওঁ পাৰ্গত হৈ পৰিল । চন্দ্ৰকান্তৰ একান্তই ইচ্ছা আছিল যে তেওঁৰ পুত্ৰ জয়কান্তও তেওঁৰ সমান সুদক্ষ ৰজা হওক ।

কিন্তু জয়কান্তৰ এই বিষয়ে কোনো আগ্ৰহ নাছিল । তেওঁ সদায় চিন্তাত নিমগ্ন আছিল, চিত্ৰকলা চৰ্চাত ব্যস্ত আছিল আৰু ৰাজ ভৱনতে অধিক সময় কটাইছিল।

নিজৰ পুত্ৰক সন্তুষ্ট আৰু আনন্দিত কৰি ৰাখিবলৈ চন্দ্ৰকান্তই বিভিন্ন নৰ্তকীৰ নৃত্যৰ ব্যৱস্থা কৰিছিল । সংগীতজ্ঞ সকলক মতাই সংগীত সভাৰ আয়োজন কৰিছিল । কিন্তু কোনো লাভ ন'হল । জয়কান্তৰ কোনো পৰিৱৰ্তন নঘটিল ।

জয়কান্তই মাজে মাজে ৰাজ্যৰ দক্ষিণত অৱস্থিত পাহাৰীয়া অঞ্চলৰ ৰমণীয় প্ৰাকৃতিক দৃশ্যাৱলীৰ সৌন্দৰ্য উপভোগ কৰিছিল আৰু কিছু দিনলৈ তাতেই থাকি গৈছিল । জয়কান্তৰ এই বিচিত্ৰ ব্যৱহাৰ ৰজাৰ অৱগত আছিল ।

এদিন চন্দ্ৰকান্তই নিজৰ পুতেকক ক'লে, "পুত্ৰ, তোমাৰ এই উদাসীনতা, জীৱনৰ প্ৰতি তোমাৰ এই অনাসক্তিৰ কাৰণ মই নাজানো । সাগৰৰ উঠা নমা কৰি থকা ঢৌৰ দৰে এই বয়সতে তুমি বৈৰাগ্য ভাৱ লৈছা । কাৰো প্ৰতিয়েই তুমি নিজৰ আসক্তি প্ৰকাশ নকৰা। যেতিয়াই দেখো, ভাবুক হৈ থাকা । ইয়াৰ কাৰণ মই জানিব পাৰোনে ?"

জয়কান্তই ধীৰ মাতেৰে ক'লে, "দেউতা, ইয়াৰ কোনো বিশেষ কাৰণ নাই । মোৰ

অন্তেষপুৰৰ এই আড়ম্বৰত, বিলাসিতাপূৰ্ণ জীৱনত বিশ্বাস নাই। মোৰ এইবোৰত বিৰক্তি লাগি গৈছে । মোৰ মনে নতুন কিবা এটা বিচাৰে । ৰাজপ্ৰাসাদৰ পৰা বহু দূৰলৈ যাব খোজো । অনুগ্ৰহ কৰি অনুমতি দিয়ক ।"

চন্দ্ৰকান্তই এই কথাৰ ততালিকে কোনো উত্তৰ নিদিলে । কিছু দেৰী ভবাৰ পিছত ক'লে, "পুত্ৰ, তুমি সূৰ্বৰ্ণপুৰৰ যুৱৰাজ। মোৰ কথা শুনা । কেইগৰাকী মান কন্যাৰ ছবি চোৱা আৰু আৰু কোনো এগৰাকীক বাচি লৈ বিয়া কৰোৱা । বিবাহিত জীৱনে নিশ্চয় তোমাক উৎসাহ যোগাব আৰ ৰাজ্যৰ প্ৰতি তোমাৰ আসক্তি জগাব । এয়া মোৰ বিশ্বাস আৰু এয়াই মোৰ আদেশো ।"

এইদৰে কৈ উঠি চন্দ্ৰকান্তই নিজৰ পুত্ৰক কলা মন্দিৰলৈ লৈ গ'ল য'ত অসংখ্য ৰাজকুমাৰীৰ ছবি সুৰক্ষিত হৈ আছে । এগৰাকীৰ পিছত এগৰাকী সুন্দৰীৰ ছবি তাত আছিল । কিন্তু জয়কান্তই কোনো এগৰাকীৰ চিত্ৰকে ভালকৈ নাচালে । যেতিয়া চন্দ্ৰকান্তই নিজ পুত্ৰৰ এনে কঠোৰতা দেখা পালে তেতিয়া তেওঁ ৰতনগিৰিৰ ৰাজকুমাৰীৰ লগত পুতেকৰ বিয়া পাতি দিবলৈ ঠিক কৰিলে ।

কিছুদিনৰ পিছতেই জয়কান্তৰ বিয়া হৈ গ'ল । সেই দিনা ৰাতি যেতিয়া ন কইনাই স্বামীৰ বাবে বাট চাই আছিল তেতিয়া জয়কান্ত হঠাতে নোহোৱা হ'ল । কোনেও গম নাপালে তেওঁ ক'লৈ গ'ল । এই ঘটনাই জয়কান্তৰ পত্নীক অত্যন্ত দুখ দিলে । তেওঁ কেৱল জয়কান্তৰ ছবিহে দেখিছিল । তেওঁৰ মুখত প্ৰস্ফুটিত ক্ৰান্তি আৰু বীৰত্ব দেখি মনতে তেওঁ জয়কান্তৰ আৰাধনা কৰিবলৈ লৈছিল।

সেই দিনা ৰাতি, কাকো নোকোৱাকৈ জয়কান্তই ঘোঁৰাত উঠি লক্ষ্যহীন ভাৱে ওলাই গ'ল । তেওঁ অত্যন্ত ভাগৰি পৰিছিল, তেওঁৰ ভোক লাগিছিল, পানী নোখোৱাকৈ তেওঁ থাকিব নোৱাৰা হৈছিলগৈ । তেওঁ পানীৰ সন্ধান কৰিবলৈ ধৰিলে । অৱশেষত অৰণ্যত তেওঁ এটা সৰোবৰ দেখা পালে ।

জয়কান্তই ঘোঁৰাৰ পৰা নামিশ্বে আৰু সৰোবৰৰ ফালে আগবাঢ়োতেই অকস্মাতে ৰৈ গ'ল । তেওঁ সেই সৰোবৰত দেখা পালে সৰোবৰৰ পৰিস্কাৰ পানীত ফুলৰ দৰে টগবগাই থকা এগৰাকী সুন্দৰীক । সেই যুৱতীক দেখা পাই তেওঁ নিজকে পাহৰি গ'ল ।

অলপ সময়ৰ পিছত সেই যুৱতী সৰোবৰৰ পৰা উঠি আহিল । এজন পুৰুষক দেখা পাই তেওঁ জোৰেৰে চিঞৰিবই খুজিছিল এনেতে জয়কান্তই ইংগিতেৰে তেওঁক তেনে কৰিবলৈ মানা কৰিলে । তেওঁ যুৱতীক ইংগিতেৰে জনালে তেওঁ যুৱতীৰ কোনো অপকাৰ নকৰে ।

পিছত তেওঁৰ ওচৰলৈ আহি অত্যন্ত মৃদু স্বৰে জয়কান্তই ক'লে, "সুন্দৰী, ভয় নকৰিবা । মই পৰদেশী লোক । পিয়াহ লাগিছে । মই জানিব পাৰোনে তুমি কোন ? তুমি গন্ধৰ্ব কন্যা নে কিন্নৰ কন্যা ? তোমাৰ বিষয়ে জানিবলৈ মোৰ তীব্ৰ ইচ্ছা হৈছে ।" সেই যুৱতীয়ে নিজকে চম্ভালি লৈ ক'লে, "মোৰ নাম পূৰ্ণিমা । ওচৰতে থাকো । এজন সাধাৰণ সামন্ত ৰজাৰ কন্যা । বাৰু, ইমানতে আপুনি ইয়াৰ পৰা গুচি যাওক ।"

তেওঁৰ কথা শুনি জয়কান্তৰ মন উল্লাস আৰু উৎসাহেৰে ভৰি পৰিল । তেওঁ সেই মুহূৰ্ত্ততে থিৰ কৰিলে যে যিয়েই নহওক, কিছু দিন অৰণ্যতে, ওচৰৰ পাহাৰীয়া অঞ্চলতে, এই গছবোৰৰ ছায়াঁতে জীৱন কটাম ।

তেওঁ নিজৰ এই ইচ্ছা প্ৰকাশ কৰাৰ লগে লগে সেই সুন্দৰীয়ে ক'লে যে মোৰ মানুহ বোৰে আপোনাৰ অপকাৰ কৰিব পাৰে । তথাপিও তেওঁৰ কথা আওকাণ কৰি জয়কান্তই তাতেই থাকি যোৱাৰ বাবে জেদ ধৰিলে । তেতিয়া সেই সুন্দৰীয়ে এটা পাহাৰৰ গুহাত থাকিবৰ বাবে তেওঁক উপদেশ দিলে আৰু কথা দিলে যে তেওঁ জয়কান্তৰ বাবে প্ৰতিদিনে আহাৰ লৈ আহিব। তাৰ পিছত তেওঁ তাৰ পৰা গুচি গ'ল ।

সেই দিনাৰ পৰা পূৰ্ণিমাই নিজৰ থকা ঠাইৰ পৰা জয়কান্তৰ কাৰণে সাধাৰণ আহাৰৰ লগতে সুমিষ্ট ফল-মূল আৰু মিঠাই আদিও লৈ আহিবলৈ ধৰিলে।

এদিন তেওঁ ছবি আঁকিবৰ বাবে প্ৰয়োজনীয় সামগ্ৰী লৈ আহিল। তেওঁ জয়কান্তক এই সামগ্ৰীবোৰ অৰণ্যৰ ক'ত পায় সেই কথাও জনালে।

চিত্ৰ আঁকিবৰ বাবে সামগ্ৰীখিনি পাই জয়কান্ত অত্যধিক উৎসাহিত হ'ল। তেওঁ তৎক্ষণাৎ তুলিকা চলাই গ'ল আৰু বিভিন্ন ভংগীমাত পূৰ্ণিমাৰ ছবি আঁকি পেলালে।

এসপ্তাহ পাৰ হৈ গ'ল। এদিন সূৰ্যোদয়ৰ সময়তে পূৰ্ণিমা জয়কান্তক লগ কৰিবলৈ আহিল। তাইক বৰ ব্যাকুল দেখা গৈছিল। এনে লাগিছিল যেন গভীৰ সমস্যাত পৰিছে। চিন্তিত ভাবেৰে ভাৱে তাই ক'লে, "মহোদয়, আপুনি ইয়াৰ পৰা এতিয়াই গুচি যাওক। মোৰ মানুহবোৰে আপোনাৰ বিষয়ে গম পালে। কোনো অস্ত্ৰ-নোহোৱাকৈ আপুনি সিহঁতৰ মুখামুখি হ'ব নোৱাৰে।"

তাইৰ কথাত ভয় নোখোৱাকৈ জয়কান্তই ক'লে, "পূৰ্ণিমা, তুমি মোৰ উদাসীনতা দূৰ কৰিলা, মোৰ মৌনতা আঁতৰ কৰিলা। মোক প্ৰাণ দিলা। মই তোমাৰ পৰা বেলেগ হৈ জীয়াই থাকিব নোৱাৰো। তোমাক মই ৰাজধানীলৈ লৈ যাম আৰু মা-দেউতাৰ অনুমতি লৈ তোমাক বিয়া কৰাম।"

পিছ মুহূৰ্ত্তত গছৰ আঁৰৰ পৰা মহাৰাজ চন্দ্ৰকান্ত ওলাই আহি ক'লে, "পুত্ৰ, তোমাৰ ইচ্ছা নিশ্চয় পূৰ্ণ হ'ব। এও অন্য কোনো নহয়। তোমাৰ ধৰ্মপত্নী অৰুন্ধতী।"

বিস্ময়ত ভেবা লগা জয়কান্তক প্ৰণাম কৰি অৰুন্ধতীয়ে ক'লে, "স্বামী, মোক ক্ষমা কৰক। মই অৰুন্ধতী। আপোনাক অনুসৰণ কৰি-কৰি এই অৰণ্য পালেহি। নিজৰ পত্নী-ধৰ্ম পালন কৰিলোঁ। ইয়াত যদি মোৰ কিবা ত্ৰুটি হৈ গৈছে তেন্তে ক্ষমা কৰক। এয়া যি হ'ল, মহাৰাজৰ আদেশতেই হৈছে।"

এই ঘটনাৰ এমাহৰ ভিতৰতেই চন্দ্ৰকান্তই শাসনৰ ভাৰ জয়কান্তক সঁপিলে। জয়কান্তই অশেষ দক্ষতাৰে ৰাজ্যৰ বাঘজৰী চম্ভালিলে, প্ৰজাক সুখী কৰিলে আৰু প্ৰমাণ কৰিলে যে তেওঁ যোগ্য পিতৃৰ যোগ্য পুত্ৰ।



# বীৰ কালীনাথ

প্ৰাচীন কালত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত এখন ভয়ঙ্কৰ জংঘল আছিল। সেই জংঘলৰ এখন গাৱঁত কালীনাথ নামৰ এজন ক্ষত্ৰিয় যুৱক বাস কৰিছিল। তেওঁৰ পিতাক মহান যোদ্ধা আছিল। তেওঁ চন্দ্ৰপুৰ নগৰৰ ৰাজদৰবাৰত এজন সেনাধিপতি আছিল। এবাৰ তেওঁ এখন যুদ্ধত প্ৰচণ্ড বীৰত্বৰ পৰিচয় দি প্ৰাণ আহুতি দিলে, সেই সময়ত কালীনাথ মাত্ৰ দহ বছৰীয়া আছিল। তেওঁৰ মাকে নিজৰ স্বামীৰ মৃত্যুত পোৱা আঘাতত সোনকালেই মৃত্যুবৰণ কৰিলে। এনে অৱস্থাত ভদ্ৰকান্ত নামৰ এজন বিশ্বাসী ভৃত্যই কালীনাথক তুলি-তালি ডাঙৰ দীঘল কৰিলে আৰু তেওঁক ক্ষত্ৰিয়োচিত সকলো বিদ্যা শিকালে।

কালীনাথ যেতিয়া বিশ বছৰীয়া যুৱক হ'ল, তেতিয়া ভদ্ৰকান্তই এদিন তেওঁক বুজালে, "কালীনাথ, এতিয়া তুমি এই সৰু গাওঁখন এৰি থৈ ৰাজধানী নগৰলৈ যোৱা। তাত ৰাজদৰবাৰত কোনো জীৱিকাৰ বাবে চেষ্টা কৰাগৈ।"

কালীনাথে ক'লে, "চন্দ্ৰপুৰ নগৰৰ ৰজা দেৱজিত অসমৰ্থ আৰু কাপুৰুষ। এনে ৰজাৰ ৰাজসভাত সভাসদ হৈ পেট প্ৰৱৰ্ত্তোৱা কথাতকৈ অপমানৰ কথা মোৰ বাবে আৰু কি হ'ব পাৰে? সেয়েহে মই ভাবো অইন ক'ৰবালৈ গৈয়েই জীৱিকাৰ কিবা সন্ধান কৰোঁ।"

বৃদ্ধ ভদ্ৰকান্তই কিছু সময় চিন্তা কৰি ক'লে, "ৰজাসকলৰ শাসনৰ দক্ষতা বেছিকৈ নিৰ্ভৰ কৰে তেওঁলোকৰ ৰাজসভাৰ পদাধিকাৰী সকলৰ ওপৰত। দেৱজিতৰ পিতৃ মহান যোদ্ধা আছিল। তোমাৰ পিতাৰ দৰেই প্ৰতাপী আৰু বুদ্ধিমান লোক তেওঁৰ ৰাজসভাত আছিল। তেওঁৰ মৃত্যুৰ পিছত

দেৱজিত সিংহাসনৰ উত্তৰাধিকাৰী হ'ল । মোৰ সন্দেহ হয় যে ৰজা স্বাৰ্থপৰ আৰু তোষামোদকাৰী সকলৰ দ্বাৰা পৰিবেষ্টিত হৈ আছে ।"

"হ'ব পাৰে । কিন্তু এনে ৰজাক মই অকলেই উদ্ধাৰ কৰিব পাৰো নেকি ? তাতকৈ মই এই গাৱঁৰ খেতি চন্তালি নিজৰ পেট প্ৰৱৰ্ত্তোৱা বেচি উচিত বুলি ভাবোঁ ।" কালীনাথে ক'লে ।

"এই কাম তোমাৰ দৰে ক্ষত্ৰিয় যুৱকৰ উপযুক্ত কাম নহয় তাতোকৈও, তোমাৰ পিতাৰাই মৃত্যুৰ সময়ত মোক কি কৈছিল জানানে ?" এইদৰে কৈ ভদ্ৰকান্তই কালীনাথক এটা কোঠাৰ ওচৰলৈ লৈ গ'ল যিটো আজিলৈকে খোলা হোৱা নাছিল । সেইটো খুলি কালীনাথক কোঠাৰ ভিতৰলৈ লৈ গ'ল ।

সেইটো কোঠাত কালীনাথৰ পিতাকে ব্যৱহাৰ কৰা কৱচ আৰু অন্যান্য অস্ত্ৰ-শস্ত্ৰৰ লগতে সোণৰ তৰোৱালো আছি'ল । ভদ্ৰকান্তই কালীনাথৰ কঁকালত তৰোৱাল বান্ধি দিলে আৰু তেওঁক কৱচ পিন্ধাই দি ক'লে, "আস, এই সকলোবোৰ অস্ত্ৰ-শস্ত্ৰ তোমাৰ বাবেই তৈয়াৰ কৰা হৈছে বুলি ধৰি লোৱা । তোমাৰ পিতাৰাৰ আদেশ আছিল যে তুমি এজন ক্ষত্ৰিয় যোদ্ধা হিচাবে নিজৰ জীৱনটো সাৰ্থক কৰা । গতিকে এতিয়া তোমাৰ ইচ্ছা !"

নিজৰ পিতৃয়ে এৰি থৈ যোৱা কৱচ আৰু খড়গ পৰিধান কৰি কালীনাথৰ উৎসাহ বাঢ়ি গ'ল । তেওঁ তৎক্ষণাৎ কঁকালত তৰোৱাল খুচি লৈ তাৰ ধাৰ কিমান চাবলৈ ধৰিলে । তাৰ চিক্‌মিকিণি দেখি আশ্চৰ্য প্ৰকাশ কৰি ক'লে, "ভদ্ৰকান্ত ! মই নিশ্চয় নিজৰ পিতৃৰ আদেশ পালন কৰিম । মোৰ ভৱিষ্যত নাঙলৰ ফালে নগঢ়ে, এই শাণিত তৰোৱালেহে গঢ়িব ।"

এই কথা শুনি ভদ্ৰকান্ত অত্যন্ত সুখী হ'ল আৰু পিছদিনাই কালীনাথে কৱচ পৰিধান কৰি ককালত তৰোৱাল খুচি লৈ যাত্ৰাৰ খৰচৰ বাবে এশ সোণৰ মুদ্ৰা লৈ ঘোঁৰাত উঠি ওলাই গ'ল ।

অৰণ্যৰ মাজেৰে কালীনাথে দুপৰীয়ালৈকে একেৰাহে গৈ থাকিল । দুপৰীয়া সময়ত তেওঁ লগত লৈ যোৱা ৰুটী খাই এজোপা গছৰ তলত বিশ্ৰাম লোৱাৰ কথা চিন্তা কৰিলে । তেতিয়া পানী বিচাৰি কোনো পাহাৰীয়া নিজৰাৰ ফালে আগবাঢ়িল । তেনেতে, তেওঁ এজোপা গছৰ ওপৰৰ পৰা কোনোবাই কহাৰ শব্দ শুনিবলৈ পালে ।

কালীনাথে মূৰ তুলি গছজোপালৈ চালে ।

গছৰ ডালৰ পৰা মানৱ আকৃতিৰ কিবা এটা ধাম কৰি তলত পৰিলহি। কালীনাথ ঘপহকৈ ঘোঁৰাৰ পৰা নামিল আৰু সেই ব্যক্তিজনৰ ওচৰলৈ গ'ল। তেওঁ এজন বৃদ্ধ আছিল।

কালীনাথে তেওঁৰ ওচৰলৈ গৈ ক'লে, "ককাদেউতা, এনে অৱস্থাত আপুনি গছৰ ওপৰত উঠিছে কিয় ?"

বুঢ়াই কিছু সময় কালীনাথৰ ফালে একেথৰে চাই থাকিল, তাৰ পিছত ক'লে, "বাছা, তোমাক তো কোনো ৰাজবিষয়া যেন লাগিছে। সাধাৰণতে তোমালোকক শস্য কটাৰ সময়ত কৰ সংগ্ৰহ কৰাৰ সলনি এনে ঠাইত কেতিয়াও দেখা পোৱা নাযায়।"

"মই ৰাজ দূত নহওঁ। এইটো পদৱী পাবলৈকে ৰাজধানী চহৰলৈ আহিছো। কিন্তু আপুনি মোৰ প্ৰশ্নৰ উত্তৰ নিদিলে। আপুনি ভৰিত তো দুখ পোৱা নাই! ভাগ্যবান যেন লাগিছে!" কালীনাথে একে উশাহতে গোটেই কথাখিনি ক'লে।

বৃদ্ধই নিমাতে উঠি থিয় দিলে, চাৰি-পাঁচ খোজ গৈ সন্তুষ্টিৰে মূৰ জোকাৰি ক'লে, "তুমি কোৱাৰ দৰে মোক ভাগ্যৱান বুলিয়েই ক'ব পাৰা। নহলে এইবাৰ ডকাইতে যেতিয়া গাৱঁত আক্ৰমণ চলাইছিল, তেতিয়া ঘৰতে থাকি সিহঁতৰ হাতত নানা প্ৰকাৰ যাতনা পালো হয়।"

বৃদ্ধৰ কথা শুনি কালীনাথে তেওঁৰ অৱস্থাৰ বিষয়ে ভালেখিনি গম পালে। তাৰ মানে বুঢ়াই ডকাইতৰ হাতৰ পৰা পলাই আহিছে, আৰু গছৰ ওপৰত লুকাই আছিল, কিন্তু ভৰি পিছলি যোৱাৰ ফলত তললৈ পৰি গ'ল।

"দেউতা! ময়ো শুনিছোঁ বোলে এই ঠাইত ডকাইতৰ উৎপাত অলপ বেছি। কিন্তু মই এই কথা নাই শুনা যে দিন দুপৰতে সিহঁতে আহি লুটপাত কৰেহি। আপোনাৰ গাৱঁৰ কাকীবোৰ মানুহ ক'লৈ গ'ল ?" কালীনাথে সুধিলে।

"বোপা, আমাৰ গাৱঁত ডকাইত সোমোৱা দেখি সব মানুহ যেনি-তেনি পলাই গ'ল। ডকাইতে গাওঁ এৰি যোৱাৰ পিছতহে এজন-এজনকৈ মানুহবোৰ ঘৰলৈ ঘূৰি আহিব।" বুঢ়াই ক'লে।

ৰজাৰ বিষয়ে জনা সত্ত্বেও বুঢ়াৰ মনৰ কথা জানিবৰ উদ্দেশ্যে কালীনাথে সুধিলে, "আপোনালোকে ডকাইতৰ বিষয়ে ৰজাক কিয় জনোৱা নাই ?"

বুঢ়াই উদাসভাৱেৰে উত্তৰ দিলে, "আমাৰ দ্বাৰা বাতৰি দিয়াৰ আগতেই ৰজাৰ চিপাহীয়ে আমাৰ আধা ফচল উঠাই লৈ যায়।

বাকী আধা ফচল এই চাৰিওফালৰ পাহাৰত থকা ডকাইচতবোৰে লৈ যায়।"

সেই সময়তে গছৰ আঁৰৰ পৰা চাৰিটা ডকাইত সমুখলৈ ওলাই আহি ব্যংগ ভৰা মাতেৰে ক'লে, "বাহ, বুঢ়াৰ কথা শুনা! ইয়াৰ পিছত হোৱা শস্যৰ ৰজাৰ ভাগৰ খিনিও আমিয়েই লৈ ল'ম।" এইদৰে কোৱাৰ লগে লগে তৰোৱাল দাঙি লৈ কালীনাথক ক'লে, "তোমাৰ কৱচ, তৰোৱাল আৰু ঘোঁৰা দেখি এনে লাগিছে যেন তুমি নিজৰ লগত বহুত ধন আদিও লৈ আহিছা। ধনৰ মোনা মাটিত থৈ চাৰি খোজ পিছলৈ যোৱা।"

কালীনাথে সিহঁতৰ ফালে এবাৰ তীব্ৰ দৃষ্টি নিক্ষেপ কৰিলে আৰু ঘোঁৰাৰ পিছফালে গৈ জীনৰ পিছফালে বান্ধি থোৱা ৰুটীৰ সৰু টোপোলাটো লৈ আহিল আৰু মাটিত থৈ চাৰি খোজ পিছলৈ গ'ল। সিহঁতৰ এটাই বৰ আতুৰতাৰে হাউলি মোনাটো উঠাইছেহে, এনেতে কালীনাথে খাপৰ পৰা তৰোৱাল উলিয়াই ডকাইতটোৰ ডিঙি দুছেও কৰিলে আৰু পিছ মুহূৰ্ত্ততে জোৰেৰে আগলৈ গৈ আৰু দুটাৰ বুকুত তৰোৱাল ভৰাই দিলে।

চতুৰ্থ ডকাইতটোৱে ভয়তে জোৰেৰে চিঞৰিলে আৰু পলাব খুজিলে। কিন্তু কালীনাথে বেগেৰে দৌৰি গৈ তাৰ চুলিত ধৰি পেলালে আৰু তাৰ কঁকালত জোৰেৰে পদাঘাত কৰিলে। তাক বুঢ়াৰ ওচৰলৈ টানি আনিলে।

হঠাতে নিজৰ চকুৰ আগতে তিনিটা ডকাইত মৰি যোৱা আৰু এটাক হাত-ভৰি আচাৰি ছটফটোৱা দেখি বুঢ়া কঁপিবলৈ ধৰিলে আৰু ক'লে, "বোপা, তোমাৰ কি অদ্ভুত সাহস! মোৰ গাৱঁত তোমাতকৈ শক্তিশালী কিমানবোৰ ডেকা ল'ৰা আছে!

ইহঁতে কেতিয়াবা সাহস কৰি এই ডকাইতবোৰৰ মুখামুখি হ'ব পাৰিবনে ?"

"এই কাম সিহঁতৰ দ্বাৰা কৰাইহে মই ৰাজধানীলৈ ঘূৰিম। ভোকৰ কথা পিছত চিন্তা কৰিম। আপুনি এই কুটীৰ টোপোলাটো লৈ নিজৰ গাৱঁৰ ৰাস্তা বুজাই দিয়ক। মই নিজৰ ঘোঁৰাটোৰ লগতে এই ডকাইত টোকো লৈ আপোনাৰ পিছে পিছে আহি আছোঁ।" কালীনাথে ক'লে।

বুঢ়া আৰু কালীনাথ তাৰ পৰা যাব ধৰিছেহে তেনেতে কেইজনমান গঞা লোক কঁপি-জপি তাত ওলালহি আৰু সুধিলে, "ককাদেউতা, কি হ'ল! মাটিত কেঁকাই পৰি থকা এইবোৰ মানুহ কোন আছিল ?"

কালীনাথে সিহঁতৰ ফালে ঘৃণাভৰা চাৱনিৰে চাই ক'লে, "মইতো গমেই পোৱা নাছিলো যে তোমালোকৰ মাজত কোনোবা অন্ধ আছে। গাৱঁত উপদ্ৰব কৰা চোৰ-ডকাইতক একগোট হৈ বাধা দিয়াটো দূৰৰে কথা তোমালোক কাপুৰুষৰ দৰে জংঘলৈ পলাইছা ?"

এই কথা শুনি সকলোৱে লাজত নিজৰ মূৰ তললৈ কৰিলে। তেতিয়া বুঢ়াই সিহঁতক সকলো কথা বিৱৰি কৈ বুজালে, "শুনাহক! আশপাশে থকা গাৱঁৰ বৃদ্ধসকলক এৰি বাকীবোৰে এই যুৱকক নিজৰ নেতা হিচাবে লৈ পাহাৰত লুকাই থকা ডকাইত হঁতৰ মুখামুখি হোৱা। আমি দিনৰ ভাগতো ঘৰ-দুৱাৰ এৰি এনেকৈ আৰু কিমান দিন হাবিত নিজৰ মূৰ লুকুৱাই ৰাখিম ?"

এই কথা শুনি কালীনাথে সন্তুষ্টিৰে মূৰ জোকাৰি ক'লে, "মই তোমালোকক যিকথা কব খুজিছিলোঁ সেয়া এই বৃদ্ধই কৈয়েই দিলে। আমি কৰায়ত্ত কৰা এই ডকাইতৰ পৰা বাকী ডকাইত বোৰৰ থকা ঠাই জনাত কোনো অসুবিধা নহ'ব। তোমালোকৰ যি ভালকৈ লাঠী চলাব জানা তেওঁলোক মোৰ পিছত আহাঁ। এসপ্তাহৰ ভিতৰত সকলো ডকাইতক উৎখাত কৰি মই নিজৰ ৰাস্তা ল'ম।"

ইয়াৰ পিছত গাওঁবাসীয়ে সাদৰে কালীনাথক নিজৰ গাৱঁলৈ লৈ গ'ল আৰু সুন্দৰ অভ্যৰ্থনা দিলে। সেই দিনা সন্ধিয়ালৈ কেইজনমান যুৱক দূৰৰ গাৱঁলৈ গৈ আন কেইজনমান যুৱকক লগত লৈ আহিল। কালীনাথে সিহঁতক বুজালে কেনেকৈ সাহসেৰে ডকাইতৰ মুখামুখি হ'ব লাগে।

কৰায়ত্ত হোৱা ডকাইতটোৱে প্ৰাণৰ ভয়ত কালীনাথক বাকী ডকাইতবোৰৰ বিষয়ে সকলো কথা যেনে সিহঁতৰ কিমানটা কোন পাহাৰৰ গুহাত আৰু অন্য

ঠাইত লুকাই আছে আৰু সিহঁতৰ গুপ্ত পথ কি, কৈ দিলে।

কালীনাথে গাৱঁৰ যুৱকক লগত লৈ ডকাইতৰ ওপৰত হঠাতে আক্রমণ চলালে আৰু বহুতো ডকাইতক হত্যা কৰিলে। যি কেইটা বাচি থাকিল, সিহঁত ৰাজ্যৰ সীমা পাৰ হৈ জংঘললৈ পলাই গ'ল।

ডকাইতবোৰক খেদি কালীনাথ সন্তুষ্টচিত্তে ৰাজধানী নগৰৰ ফালে আগবাঢ়িল। পোন্ধৰ দিনৰ যাত্ৰাৰ অন্তত তেওঁ জংঘল পাৰ হৈ চন্দ্ৰপুৰ নগৰৰ সীমান্ত অঞ্চল পাওঁ পাওঁ হওতেই এদিন সূৰ্যোদয়ৰ সময়ত হঠাতে দহজন অশ্বাৰোহীয়ে তেওঁক ঘেৰি ধৰিলে। কালীনাথে খাপৰ পৰা তৰোৱাল উলিয়াবলৈ সময়কে নাপালে।

অশ্বদলৰ দলপতিয়ে কালীনাথৰ ফালে তীব্ৰ দৃষ্টিৰে চাই সুধিলে, "তুমিয়েই কালীনাথ নহয়নে? ডকাইতবোৰক ৰাজ্যৰ পৰা খেদি চুবুৰীয়া ৰাজ্যলৈ পঠোৱাৰ ধৃষ্টতাও তুমিয়ে কৰিছিলা নহয়নে?"

"হয়, হয়, ময়েই এই কাম কৰিছোঁ। এনে সাহসৰ কাম কৰাৰ বাবে মোক আদৰ্শ মানি ৰাজধানীলৈ নি ৰজাৰ দৰ্শন কৰোৱাৰ পৰিৱৰ্তে আপোনালোকে এনেকৈ ঘেৰি ধৰিছে যেন মই এটা ডকাইতহে। ই কেনে কুৱা কথা।" আশ্চৰ্যৰ সৈতে কালীনাথে সিহঁতক সুধিলে।

এই উত্তৰ শুনি অশ্বদলৰ নেতাই হোহোৱাই হাহিলে আৰু ক'লে, "তুমি ৰজা দেৱজিতৰ প্ৰতি ডাঙৰ অপৰাধ কৰিছা। ইয়াৰ পৰা পলাই যোৱা ডকাইতে চুবুৰীয়া ৰাজ্যত লুট-পাত আৰম্ভ কৰিছে। তাৰ ৰজাই আমিয়েই ডকাইতবোৰক সেই ৰাজ্যলৈ পঠাইছো বুলি ভাবি চন্দ্ৰপুৰ নগৰ আক্ৰমণৰ যো-জা কৰিছে। এই সমস্যাৰ কাৰণ কেৱল তুমি। সেয়েহে আমি তোমাক ফাঁচী কাঠত ওলোমাই তোমাৰ শৱদেহ সেই ৰজাৰ ওচৰলৈ পঠাম।"

তোমালোকৰ ৰজা দেৱজিতৰ দৰে তোমালোকৰো মগজুৰো বিকৃতি ঘটিছে নেকি?" এইদৰে কৈ কালীনাথে তৰোৱালৰ মুঠিত হাত দিব খোজোঁতেই অশ্বাৰোহী দলে তেওঁক বন্দী কৰি লৈ ঘোঁৰাত উঠাই ৰাজধানীৰ ফালে আগবাঢ়িল। *(অহা সংখ্যাত)*

রজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

# ধীনাথৰ পৰামৰ্শ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল। গছৰ পৰা মৰাশটো নমাই নিজৰ কান্ধত পেলাই লৈ তেওঁ নীৰৱে শ্মশান অভিমুখে আগবাঢ়িল । তেতিয়া শ টোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰজা, নিজৰ লক্ষ্য সিদ্ধিৰ বাবে তুমি যি পৰিশ্ৰম কৰিছা, সেয়া আন কাৰোবাৰ দ্বাৰা কেতিয়াও সম্ভৱ নহয়। তোমাৰ সহনশক্তি খুবেই প্ৰশংসনীয় । সাধাৰণতে ৰজাক পৰামৰ্শ দিবলৈ মন্ত্ৰী আৰু ৰাজগুৰুসকলক নিযুক্তি দিয়া হয় । তেওঁলোক যিমানেই জ্ঞানী আৰু ৰাজনীতিজ্ঞ নহওক কিয়, কেতিয়াবা তেওঁলোকে অনুচিত পৰামৰ্শ দিয়ে । মোৰ কথাৰ অৰ্থ এইটো নহয় যে



তেওঁলোকে জানি বুজি এনেকুৱা কৰে । তেওঁলোকৰ এই ভুল হৈ যায় আৰু ই স্বাভাৱিক । কিন্তু মই এতিয়া এইটো জানিব খুজিছো যে কাৰ পৰামৰ্শ মতে তুমি ইমান কষ্ট কৰি আছা । মোৰ দৃষ্টিত দেশৰ শাসক বা গ্ৰামাধিকাৰীয়ে যি ন্যায় বিচাৰ কৰে সেয়া সম্পূৰ্ণ শুদ্ধ । কেৱল এটাই পাৰ্থক্য, এজন ৰজা আৰু আনজন মাত্ৰ গ্ৰামাধিকাৰী । উদাহৰণ স্বৰূপে, এজন গ্ৰামাধিকাৰীৰ পৰামৰ্শদাতা ধীনাথৰ কাহিনী মই তোমাক শুনাব খুজিছো।

সোণপুৰৰ গ্ৰামাধিকাৰী শ্ৰীনাথৰ প্ৰৱল ইচ্ছা আছিল যে তেওঁৰ গাওঁ অন্য গাৱঁৰ তুলনাত সৰ্বশ্ৰেষ্ঠ হওক । এই ইচ্ছাক কাৰ্যৰূপ দিবৰ বাবে তেওঁ ধীনাথ নামৰ এজন পণ্ডিতক নিজৰ পৰামৰ্শদাতা ৰাখিলে ।

কাৰোবাৰ ভুল হ'লে তেওঁক কেনে দণ্ড দিয়া হ'ব সেই বিষয়েও ভালদৰে ভাবি-চিন্তি চোৱাৰ পিছতহে সিদ্ধান্ত লোৱাৰ পৰামৰ্শ ধীনাথে দিছিল । সেই কাৰণে সেই গাৱঁৰ লোক সকলৰ গম পোৱাত সমস্যা হৈছিল কি কামৰ বাবে তেওঁলোকক দণ্ড দিয়া হ'ব আৰু কি কামৰ কাৰণে তেওঁলোকক আদৰ কৰা হ'ব । তথাপিও তেওঁলোকৰ অটল বিশ্বাস আছিল যে যিয়েই নহওক, তেওঁলোকে ন্যায় বিচাৰেই পাব ।

বিভূতি সেই গাৱঁৰে নিবাসী আছিল । তেওঁৰ বয়স হৈছিল পঞ্চাশ বছৰ । এই বয়সতে তেওঁ কোনো জটিল ৰোগৰ চিকাৰ হৈ পৰিল । উপাৰ্জন নথকাৰ হেতু আৰু কোনো সহায় নাপাই বিভূতিৰ পুতেক ত্ৰিলোক গাৱঁত ভিক্ষা কৰিবলৈ গ'ল । এদিন যেতিয়া সি ধীনাথৰ ঘৰত ভিক্ষা কৰিবলৈ গ'ল তেতিয়া ধীনাথে তাক ক'লে, "তোমাৰ বয়স খুব বেছি বিশ বছৰ । তুমি এটা চফল ডেকা । সিদিনালৈকে তোমাৰ পিতাৰাই পৰিশ্ৰম কৰি আছিল আৰু এতিয়া বেমাৰত পৰি যেতিয়া তোমাৰ পিতা অক্ষম হৈ পৰিল তেতিয়া অন্যৰ পৰিশ্ৰমৰ ওপৰত জীয়াই থাকিব খুজিছা । ভিক্ষা কৰাটো অপৰাধ । এইটো ভুল তুমি প্ৰথমবাৰ কৰিছা, সেয়ে মই তোমাক কোনো দণ্ড দিব নোখোজোঁ । আকৌ এই গাৱঁত যদি তোমাক ভিক্ষা কৰা দেখা পাওঁ তেন্তে তোমাক কাৰাগাৰলৈ পঠাম ।"

ধীনাথৰ এই সাৱধানবাণীয়ে ত্ৰিলোকক ভীতিগ্ৰস্ত কৰি তুলিলে । সি গাওঁ এৰি গুচি গ'ল । তাৰ ফলত তাৰ পিতাক বিভূতি অসহায় হৈ পৰিল । তেনে অৱস্থাত ধীনাথে গ্ৰামাধিকাৰীক ক'লে, "গাৱঁৰ অসহায় আৰু বিকলাংগসকলৰ চিন্তা কৰা, তেওঁলোকৰ প্ৰয়োজনবোৰ পূৰোৱা গ্ৰামাধিকাৰীৰ দায়িত্ব ।



আপুনি বিভূতিৰ চোৰা-চিতা কৰাৰ দায়িত্ব গাওঁবাসীক দি দিয়ক । এনে ব্যৱস্থা কৰক, যাৰ দ্বাৰা প্ৰতিদিনে গাৱঁৰ এজন লোক তেওঁৰ সেৱাত লাগি থাকে, তেওঁৰ প্ৰয়োজন পূৰা কৰে ।" গ্ৰামাধিকাৰীক ধীনাথে এই পৰামৰ্শ দিলে ।

গ্ৰামাধিকাৰী ধীনাথৰ এই পৰামৰ্শত অসন্তুষ্ট হ'ল কিন্তু নিজৰ অসন্তুষ্টি প্ৰকাশ নকৰি তেওঁ ক'লে, "মোৰ এনে লাগিছে আপুনি এই পৰামৰ্শ দিয়াত পলম কৰিলে । যেতিয়া তেওঁৰ পুত্ৰ ইয়াত আছিল, তেতিয়া এনে ধৰণৰ কিবা পৰামৰ্শ আপুনি দিয়াহেঁতেন ভাল আছিল । ধৰি লওক, গাওঁবাসীয়ে বিভূতিৰ পালন-পোষণৰ ভাৰ নিজৰ ওপৰত সঁপি ল'লে তেতিয়া জানো ই বিভূতিৰ বাবে ভিক্ষা কৰাৰ দৰেই নহব ?"

"ত্ৰিলোক অনাথ নহয় । সি বিকলাংগও নহয় । সি সুস্থ । সুস্থ লোকে ভিক্ষা কৰাটো অপৰাধ । বিভূতিয়ে ভিক্ষা কৰা নাই । তেওঁ নোখোজাকৈয়ে আমি তেওঁৰ সহায় কৰিবলৈ ওলাইছোঁ ।" ধীনাথে আত্মপক্ষ সমৰ্থন কৰি ক'লে ।

শ্ৰীনাথৰো ধীনাথৰ এই যুক্তি সঠিক যেনেই লাগিল । তেওঁ তুৰন্তে তাৰ ব্যৱস্থা কৰিলে । সোণপুৰ গাৱঁত কেইটামান দুষ্ট ল'ৰা আছিল । সিহঁতৰ ভিতৰত ভীম, দেব আৰু মংগল নামৰ তিনিটা যুৱক আছিল । তিনিটাই নিজৰ ভিতৰতে কথা পাতিলে আৰু শ্ৰীনাথক লগ কৰিলেগৈ । সিহঁতে শ্ৰীনাথক ক'লে, "আমাৰ মা-দেউতা বুঢ়া হৈছে । তেওঁলোকৰ পালন-পোষণ কৰিব আমি পৰা নাই । আপোনাক মিনতি কৰিছো গাওঁ সভাত আমি তিনিজনক সংস্থান দিয়ক । আপুনি যি বেতন দিব, তাৰেই আমি নিজৰ পৰিয়াল চলাম আৰু আমাৰ মা-দেউতাক চোৰা-চিতা কৰিম ।" শ্ৰীনাথে সিহঁতৰ এই অনুৰোধ এইবুলি অস্বীকাৰ কৰিলে যে এতিয়া সেইটো সম্ভৱ নহয় ।

"আপুনি আমাক সংস্থান নিদিয়ে । অন্য ক'ৰবালৈ জীৱিকা বিচাৰি যদি আমি গাওঁ এৰি গুচি যাওঁ তেতিয়া হ'লে আমাৰ মা-দেউতাক চোৰা-চিতা কৰিবৰ বাবে কোনো গঞাক নিযুক্তি দিব পাৰে । ই দেখাদেখিকৈ অন্যায় ।" ভীমে ক'লে আৰু বাকী দুয়োটাই তাক সমৰ্থন কৰিলে ।

ঠিক সময়তে ধীনাথ তালৈ আহিল । সকলো কথা জনাৰ পিছত তেওঁ সিহঁত তিনিটাক ক'লে, "গাৱঁৰ লোকৰ চোৰাচিতা কৰাৰ দায়িত্ব শ্ৰীনাথৰ । তোমালোক গাওঁ এৰি যাবলৈ সঁচাকৈয়ে সাজুনে ?"

"আমি গাওঁ কিয় এৰিম, আন ক'ৰবালৈ



কিয় যাম ?" তিনিওটাই একেস্বৰে, একে উশাহে ক'লে।

সিহঁতৰ এই প্ৰশ্নত শ্ৰীনাথ একেবাৰে নাৰাজ হৈ পৰিল । তেওঁ তুৰন্তে সিহঁতক গাওঁৰ পৰা নিৰ্বাসন দিলে ।

সিহঁতক এই দণ্ড দিয়াৰ পিছত শ্ৰীনাথ কিছুসময় চিন্তা কৰি বহি ৰ'ল । অলপ পিছত ধীনাথক ক'লে, "মই কেৱল এইটো চিন্তা কৰি ভয় খাইছো যে এনেকৈ আৰু কিমান পৰিয়ালৰ পালন-পোষণৰ ভাৰ নিজৰ ওপৰত ল'ব লাগিব ।"

"আপুনি অনাৱশ্যক ভয় নাখাব । ভীম, দেব আৰু মংগল তিনিওটা বদমাচ । ভালেই হ'ল, সিহঁতক আপুনি গাৱঁৰ পৰা খেদি দিলে। আপনি নিজেই দেখিব যে সোনকালেই ত্ৰিলোক গাৱঁলৈ ঘূৰি আহিচে আৰু আপোনাক মাফ খুজিব ।" ধীনাথে চিন্তিত শ্ৰীনাথক উৎসাহ দিবৰ বাবে ক'লে।

কিছু দিনৰ পিছত শ্ৰীনাথে গম পালে যে ত্ৰিলোক, ভীম, দেব আৰু মংগল ওচৰৰে সত্যপুৰ গাৱঁত আছে আৰু সিহঁতে পৰিশ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰিছে । কিন্তু সিহঁত যেন এতিয়াও সলনি হোৱা নাই । সময়ে-সময়ে খঙত কয় যে সিহঁতৰ এই কষ্টৰ বাবে দায়ী শ্ৰীনাথ ।

"সিহঁতে ভুল কৰিছিল আৰু মই সিহঁতক শাস্তি দিলো । যেতিয়ালৈকে সিহঁতে নিজৰ ভুল উপলব্ধি নকৰে আৰু নিজক নুশুধৰায়, তেতিয়ালৈকে সিহঁতৰ উদ্ধাৰ নহয় ।" শ্ৰীনাথে, ধীনাথক ক'লে ।

এই ঘটনাৰ এসপ্তাহৰ পিছত শ্ৰীনাথে ভাবিবলৈ ধৰিলে যে নিজেইনো কিয় সত্যপুৰলৈ নাযাওঁ আৰু সিহঁতক চাই নাহোঁ! তাৰ বাবে তেওঁ এখন বলদে টনা গাড়ীও ঠিক কৰিলে । সেই গাড়ীৰ গাড়োৱানজনো গাড়ী চলোৱাত পাকৈত আছিল । শ্ৰীনাথ অকলেই ৰাওনা হ'ল ।

সোণপুৰৰ পৰা সত্যপুৰলৈ যাবলৈ হ'লে বীৰপুৰ, ধ্ৰুবপুৰ আৰু গৃহপুৰ গাওঁ পাৰ হৈ যাব লাগে । শ্ৰীনাথৰ গাড়ী বীৰপুৰ গাওঁ পাৰ হৈ গ'ল আৰু ধ্ৰুবপুৰ গাৱঁৰ সীমা পাওঁতে-পাওঁতে গাড়ীৰ এটা চকা ৰাস্তাৰ এটা ডাঙৰ শিলৰ ওপৰলৈ উঠি গ'ল । এই আকস্মিক আৰু অপ্ৰত্যাশিত ঘটনাৰ ফলত শ্ৰীনাথ মাটিত পৰি গ'ল । আঘাত পোৱাৰ ফলত তেওঁ অচেতন হৈ পৰিল । গাড়োৱান ধনীয়াও তললৈ পৰি গ'ল । গাড়ীৰ চকা তাৰ ওপৰত পৰি ৰ'ল। সি উঠিব নোৱাৰিলে । তাতে পৰি থাকিল।

সেই সময়তে ভীম কিবা কামত সত্যপুৰৰ পৰা ধ্ৰুবপুৰলৈ গৈছিল । সি এই দৃশ্য দেখিলে । সি বলদটোক কাবু কৰি ল'লে আৰু শ্ৰীনাথ

আৰু ধনিয়াক গাড়ীত বহুৱাই দিলে । সিহঁতক ধ্ৰুৱপুৰৰ এজন বিখ্যাত বৈদ্যৰ ওচৰলৈ লৈ গ'ল ।

বৈদ্যই ভালকৈ চাই-চিতি ক'লে যে ধনিয়া সোনকালেই সুস্থ হৈ উঠিব কিন্তু শ্ৰীনাথক চেতনা আহিবলৈ এসপ্তাহ লাগিব । তেওঁ ভীমক এইবুলিও সাৱধান কৰিলে যে শ্ৰীনাথক চোৱাচিতা কৰোতে খুবেই সাৱধান হ'ব লাগিব আৰু তেওঁৰ সেৱা-শুশ্ৰূষাৰ বাবে সদায়েই কোনো এজন লোক তেওঁৰ লগত থাকিব লাগিব ।

শ্ৰীনাথৰ সেৱাৰ বাবে আন কাৰোবাক লগালে তাত ধনৰ আৱশ্যক হ'ব । ভীমৰ ওচৰত তো ইমান ধন নাই । সি চিন্তা কৰিবলৈ ধৰিলে কি কৰা যায় ? তেতিয়া সেই বৈদ্যই ক'লে, "মই এওঁক মোৰ ইয়াতে ৰাখি চিকিৎসাৰ ব্যৱস্থা কৰোঁ । কিন্তু সুস্থ হৈ উঠাৰ পিছত এওঁ যদি ধন দিবলৈ অমান্তি হয় তেন্তে সেই ধন তুমি ভৰিব লাগিব । যদি তুমি এই চৰ্তত মান্তি আছা তেন্তে মই চিকিৎসা আৰম্ভ কৰোঁ ।" ভীমে বৈদ্যৰ চৰ্ত মানি ল'লে । সি নিজে শ্ৰীনাথৰ লগত থাকিল আৰু তেওঁৰ সেৱা-শুশ্ৰূষা কৰিলে । তিনি দিনতে শ্ৰীনাথৰ সংজ্ঞা ঘূৰি আহিল । আৰু তিনি দিনৰ ভিতৰতে শ্ৰীনাথ সম্পূৰ্ণ সুস্থ হৈ পৰিল ।

ইতিমধ্যে, গাড়ীৰ চালক ধনিয়াও সুস্থ হৈ উঠিল আৰু সি চলা-ফুৰা কৰিব পৰা হৈ পৰিল । সি সোণপুৰলৈ গ'ল আৰু সবকে এই দুৰ্ঘটনাৰ কথা ক'লে । শ্ৰীনাথক চাবলৈ তেওঁৰ পৰিয়ালৰ সদস্য আৰু ধীনাথেই নহয় বৰঞ্চ বহুত গাওঁবাসীও গ'ল । সকলোৱে বৈদ্য আৰু ভীমৰ প্ৰশংসা কৰিলে ।

"মই নিজৰ বৃত্তি-ধৰ্ম পালন কৰিলোঁ । আৰু ভগৱানৰ কৃপাও আছে । তাতকৈ বেলেগ বিশেষ মই একো কৰা নাই ।" বৈদ্যই ক'লে ।

"মোৰ ডাঙৰ ভুল হৈ গ'ল । ভগৱানক আমি তিনিওটাই প্ৰতিদিনেই প্ৰাৰ্থনা কৰো যে নিজৰ ভুল শুধৰাবৰ এটা সুযোগ আমাক দিব লাগে । ময়েই প্ৰথম, যাৰ ওপৰত ভগৱানে কৃপা বৰষিলে ।" ভীমে উৎসাহ-ভৰা মাতেৰে ক'লে ।

শ্ৰীনাথে তাতেই লগে লগে বৈদ্যক পৰ্যাপ্ত ধন দিলে আৰু সন্মান জনালে । ঘৰ আহি পোৱাৰ পিছত ভীমৰ বহিষ্কাৰৰ দণ্ড ৰদ কৰিব খুজিলে আৰু গাওঁসভাত তাক কৰ্মসংস্থানো দিব খুজিলে ।

শ্ৰীনাথে নিজৰ মনৰ কথা ধীনাথক জনালে আৰু ক'লে, "ভীমৰ নিজৰ ভুলৰ বাবে অনুতাপ হৈছে । তাক গাওঁসভাত কৰ্মসংস্থান দিব খোজো । এই বিষয়ে আপুনি কি কয় ?"

ধীনাথে ক'লে, "ভীমৰ বিষয়ে আপুনি যি কৰিব্ খোজে, আপোনাৰ ইচ্ছামতে কৰক। এই বিষয়ে মই একো কৰিব নোখোজোঁ । কিন্তু ইয়াৰ পিছত আপুনি কেতিয়াও গাড়ীৰে যাত্রা নকৰিব, গাৱঁৰ বাহিৰলৈ নাযাব । আৰু তিনিটা মানুহ আছে, সিহঁতক দুষ্ট স্বভাৱ আৰু অকৰ্মণ্যতাৰ বাবে দণ্ড দিয়া হৈছে । সিহঁতেও ভীমৰ দৰে সদায় ভগৱানক প্রার্থনা কৰি আছে ।"

বেতালে এই কাহিনী শুনোৱাৰ পিছত বিক্রমাদিত্যক ক'লে, "ৰাজন, ধীনাথ নিশ্চয় ডাঙৰ পণ্ডিত কিন্তু তেওঁৰ পৰামৰ্শ দেখি এনে লাগিছে যে তেওঁৰ দয়া, কৰুণা আৰু ক্ষমা ভাব নামমাত্ৰও নাই । যদি সঠিক সময়ত ভীমৰ সহায় নাপালেহেঁতেন তেন্তে শ্রীনাথ জীয়াই নাথাকিলহেঁতেন । শ্রীনাথে বিচাৰিছিল যে তেওঁক প্ৰাণ দিয়া ভীমক গাওঁসভাত নিযুক্তি দিয়া যাওক আৰু তাৰ দ্বাৰা নিজৰ কৃতজ্ঞতাও জনোৱা যাওক । কিন্তু ধীনাথে ইয়াত নিজৰ আপত্তি জনালে আৰু তেওঁক সাৱধান কৰিলে । তেওঁৰ এই কথাই স্পষ্টকৈ নকয়নে যে তেওঁৰ মানৱতা, বিবেক, বিজ্ঞতা আদি একেবাৰে নাই ? মোৰ সন্দেহৰ সমাধান যদি জানিও তুমি নিদিয়া তেন্তে তোমাৰ মুৰ ফাটি চিৰাচিৰ হ'ব ।"

বেতালৰ সন্দেহ দূৰ কৰাৰ উদ্দেশ্যেৰে বিক্রমাদিত্যই ক'লে, "মনুষ্য মৃগ জাতিতকৈ বেলেগ । কাৰণ, তেওঁৰ অন্তৰত দয়া, কৰুণা, প্ৰেম আদি সাত্ত্বিক ভাব ভৰি থাকে। কিন্তু পাত্র-অপাত্র চিনি লৈ সেইমতে আচৰণ কৰা উচিত । ভীমৰ এইদৰে ভবাটো অনুচিত আছিল যে তাৰ ভুল শুধৰাবৰ বাবে ভগৱানে জানি-বুজি এই ঘটনা সৃষ্টি কৰিছে । সেয়েহে ধীনাথে শ্রীনাথক পৰামৰ্শ দিছিল যে ভীমৰ দৰে আৰু তিনিটা মানুহ আছে, সেয়ে তেওঁ গাৱঁৰ বাহিৰ নোহোৱাই ভাল । ভীমক গাওঁসভাত সংস্থান দিয়াৰ ফলত বাকী তিনিজনৰ মনতো দুৰাশা জাগিব পাৰে আৰু তেওঁলোকেও এনে সুযোগৰ অপেক্ষা কৰিব। ধীনাথৰ এই পৰামৰ্শত বৌদ্ধিক পৰিপক্কতা দেখা গৈছে আৰু তেওঁৰ এই পৰামৰ্শ সকলোতেই সমুচিত বোধ হয় ।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ গছজোপাত উঠি থাকিলগৈ ।

***(সুচিত্রাৰ ৰচনাৰ আধাৰত)***

# সমুদ্ৰ পূজা

মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলে বিশেষকৈ পশ্চিম উপকূলৰ মাছমৰীয়া লোকসকলে জানুৱাৰী মাহত সাগৰক পূজা কৰি মকৰ-সংক্ৰান্তি উদ্‌যাপন কৰে । বিশাল সমুদ্ৰক তেওঁলোকে মাতৃ বুলি গণ্য কৰে আৰু অন্নপূৰ্ণেশ্বৰী অৰ্থাৎ অন্নদাত্ৰী বুলি অভিহিত কৰে । এই পৰম্পৰাগত পূজাই কেৱল গোটেই সম্প্ৰদায়ৰ মাজত একতাৰ ভাব বৃদ্ধি কৰাই নহয়, তেওঁলোকক, পাৰিপাৰ্শ্বিকতাৰ প্ৰতি, তেওঁলোকৰ আৰাধ্যা দেৱীৰ প্ৰতি নিজকে উৎসৰ্গা কৰাৰ প্ৰয়োজনীয়তাৰ প্ৰতি সজাগ কৰি তোলে ।

গুজৰাটত, মকৰ সংক্ৰান্তিক সূৰ্যৰ উত্তৰ অভিমুখে কৰা যাত্ৰা বা উত্তৰায়নৰ আৰম্ভনি হিচাবে পালন কৰা হয় । ই এক অতিশয় আনন্দৰ দিন আৰু চিলা উৰুৱাই সকলো বয়সৰ মানুহে এই আনন্দত ভাগ লয় । ৰং-বিৰঙৰ হাজাৰ হাজাৰ চিলাৰে আকাশ ভৰি পৰে । সকলোৱে আনন্দ মনেৰে কৰা এই প্ৰতিযোগিতাত এই চিলাবোৰ বহুত ওপৰলৈকে উৰুওৱা হয় । এইটো এটা অতিশয় উত্তেজনাপূৰ্ণ উৎসৱ ।

## হেৰিটেজ লিষ্টত ভাৰতৰ প্ৰস্তৰ গুহাবোৰ

মধ্যপ্ৰদেশৰ ভীমেট্‌কাত থকা বিখ্যাত প্ৰস্তৰ গুহাবোৰে ৰাষ্ট্ৰসংঘৰ 'ৱৰ্ল্ড হেৰিটেজ লিষ্ট'ত ঠাই পাইছে । এই গুহাবোৰত প্ৰস্তৰ যুগৰ চিত্ৰ অঙ্কিত কৰা আছে । এই গুহাবোৰ মাত্ৰ পঞ্চাশ বছৰ আগতে ভূপালৰ বিক্ৰম বিশ্ববিদ্যালয়ৰ অধ্যাপক ডব্লিউ. ওৱাকৰকাৰে আৱিস্কাৰ কৰে । তাত প্ৰায় পাঁচশ গুহা আছে । এই গুহাবোৰৰ চিত্ৰবোৰৰ দ্বাৰা সাধাৰণতে মহাভাৰতৰ কাহিনী বৰ্ণনা কৰা হয় । এই ঠাই খনো মধ্যম পাণ্ডৱ ভীমসেনৰ নামেৰে নামকৰণ কৰা হৈছে বুলি কোৱা হয় ।

# মাত্ৰ এডাল লাখুটীৰ মোহ



প্ৰকাশ আৰু বিকাশ দুয়ো বনাচাৰ্য নামৰ এজন ডাঙৰ ঋষিৰ শিষ্য আছিল । দুয়ো নিজৰ পাণ্ডিত্য দেখুৱাব পাৰিছিল । তেওঁলোকে বেদ, উপনিষদ আৰু অন্যান্য লিপি সমূহ গভীৰ মনোযোগেৰে অধ্যয়ন কৰিছিল । তেওঁলোকে আনকি বহুতো সিদ্ধিও লাভ কৰিছিল ।

বনাচাৰ্যৰ আশ্ৰম আছিল সৰযু নদীৰ পাৰত। কিন্তু তেওঁৰ গুৰুৰ আশ্ৰম আছিল হিমালয়ৰ বুকুত । এদিনাখন, তেওঁ এজন পথিকক লগ পালে । তেওঁ বনাচাৰ্যক ক'লে যে তেওঁৰ গুৰুৱে তেওঁক অকনো বিলম্ব নকৰাকৈ হিমালয়ৰ ফালে আগবাঢ়ি যাবলৈ কৈছে ।

বনাচাৰ্য সাজু হ'ল । "মই নিশ্চয় যাম।" তেওঁ শিষ্যসকলৰ আগত ঘোষণা কৰিলে, "তোমালোক ভালকৈ থাকিবা ।"

তেওঁলোকে আচৰিত হৈ সুধিলে, "গুৰুদেৱ, হঠাতে কি জৰুৰী সকাম ওলাল?"

"এজন শিষ্যৰ বাবে তেওঁৰ গুৰুৰ আদেশতকৈ জৰুৰী কি হ'ব পাৰে ? মই এতিয়াই যাম ।" বনচাৰ্যই উত্তৰ দিলে ।

"কিন্তু গুৰুদেৱ, আপুনি যোৱাৰ আগতে আশ্ৰমৰ দায়িত্ব কাৰোবাৰ ওপৰত সঁপি থৈ নাযায় জানো ?"

"সকলোবোৰ আপোনা আপুনি চলি থাকিব ।" বনাচাৰ্যই উত্তৰ দিলে ।

"গুৰুদেৱ, আপুনি কেতিয়াকৈ ঘূৰিব ?" শিষ্যসকলে সুধিলে ।

"মই না । জানো । মই কোনোদিনে নাহিবও পাৰোঁ ।"

বনাচাৰ্যই আৰু বেচি কথা ক'ব নুখুজিলে। তেওঁ সোনকালে নদী পাৰ হ'ল

আৰু হিমালয় অভিমুখে ৰাওনা হ'ল । দুয়ো শিষ্য আৰু ঋষিজনাৰ অন্য গুণমুগ্ধ সকলে তেওঁক বিদায় সম্ভাষণ জনালে ।

প্ৰকাশে আশ্ৰমতে থাকিবলৈ ল'লে । কিন্তু বিকাশে নিজৰ গাৱঁলৈ গৈ এজন সাধুৰ জীৱন কটাবলৈ ধৰিলে । লাহে লাহে তেওঁৰ শিষ্যৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু তেওঁ বিকাশ বাবা নামেৰে জনাজাত হ'লে । তেওঁ এটা অতিশয় কঠোৰ জীৱন কটাইছিল । তেওঁ এটা সৰু উকুখা পঁজাত বাস কৰিছিল । নিজৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে তেওঁ কেৱল ৰাখিছিল এডাল লাখুটী, এটা পিতলৰ ঘটি, আৰু কেইখনমান কাপোৰ ।

যিয়েই নহওক. তেওঁ এই কথা জানি দুখ পাইছিল যে প্ৰকাশ বাবা নামেৰে জনাজাত হোৱা প্ৰকাশে এটা বিলাসী জীৱন কটাইছিল। তেওঁৰ শিষ্য, এজন প্ৰতিপত্তিশালী মহাজনে তেওঁৰ বাবে এটা আৰামদায়ক ঘৰ সজাইছিল আৰু লগুৱা-লিকচৌৰ যোগান ধৰিছিল । সেই মহাজনৰ ৰান্ধনিশালতে বিশেষভাৱে ৰন্ধা বিভিন্ন ধৰণৰ সুস্বাদু খাদ্য প্ৰকাশ বাবাক যোগান ধৰা হৈছিল ।

"কিয় এনে হ'ল ?" বিকাশ বাবাই ভাবিলে । পাৰ্থিৱ জগতৰ প্ৰলোভনে আনিব পৰা বিপদৰ বিষয়ে নিজৰ বন্ধুক সতৰ্ক কৰি দিবলৈ তেওঁ সিদ্ধান্ত ল'লে । অৱশেষত, এদিনাখন, তেওঁ প্ৰকাশ বাবাৰ আশ্ৰমত ভৰি দিলে আৰু দেখা পালে যে তেওঁ শুনা কথা মিছা নহয় । "মোৰ মৰমৰ বন্ধু," ওচৰত কোনো নথকাৰ সুযোগ লৈ তেওঁ প্ৰকাশ বাবাক ক'লে, "তোমাৰ বাবে এনে আৰামদায়ক জীৱন কটোৱাটো উচিত হৈছেনে ?" সেইবোৰে তোমাক কেৱল প্ৰকৃত লক্ষ্যৰ পৰা আঁতৰাইহে আনিব । তাৰ সলনি মোৰ লগত তুমি মোৰ আশ্ৰমলৈ আহা, আৰু তোমাৰ আধ্যাত্মিক জীৱন নতুনকৈ আৰম্ভ কৰা ।"

"কিয় নকৰিম ? ভগৱানে যদি বিচাৰিছে মই তাকেই কৰিম ।" প্ৰকাশ বাবাই ক'লে ।

তেনেতে তেওঁলোকৰ এজন পুৰণি বন্ধু ততাতৈয়াকৈ সেইখিনি ওলালহি আৰু ক'লে, "গুৰু বনাচাৰ্য নদীৰ সিটো পাৰে ৰৈ আছে। তেওঁ তাত খন্তেক সময়হে ৰ'ব। তেওঁ তোমালোক দুয়োকে চাব বিচাৰিছে। বোধকৰো, তেওঁ তোমালোককো তেওঁৰ লগত হিমালয়লৈ নিব খুজিছে।"

"মই তেনে কিবা ভাগ্যৰ বলতহে ইয়ালৈ আহিলো।" বিকাশ বাবাই ক'লে। কিন্তু তেওঁ হেহোঁ-নেহো কৰি ক'লে, "যদি গুৰুদেৱে মই তেওঁৰ লগত যোৱাটো বিচাৰে মই মোৰ শিষ্যসকলক এই কথা কেনেকৈ জনাম?"

"সেই কথা গুৰুৱে চিন্তা কৰিব।" প্ৰকাশ বাবাই উত্তৰ দিলে। কিন্তু তেওঁ নিজে কাকো একো ন'কলে। তেওঁলোক দুয়ো সৰযু নদীৰ পাৰলৈ আগবাঢ়িল। নাওখন ইতিমধ্যেই মানুহেৰে ভৰি পৰিছিল। তথাপি আৰু দুই-তিনিজন মানুহৰ বাবে ঠাই হৈছিল।

হঠাতে বিকাশ বাবাৰ নিজৰ লাখুটী ডাললৈ মনত পৰিল। সেইডাল বৰ ধুনীয়া, পিছল আৰু মিহি আছিল। আৰু এটা চিকচিকিয়া পিতলৰ নাল খুওৱা আছিল। "প্ৰকাশ, তুমি আগবাঢ়া। মই মোৰ কোঠাৰ পৰা লাখুটীডাল লৈ এতিয়াই আহি আছো। মই ইয়াৰ পিছৰখন নাৱত গৈ আছো," বিকাশ বাবাই ক'লে। প্ৰকাশ বাবা আৰু গুৰুৰ বাৰ্তাবাহক ইতিমধ্যেই নাৱত উঠিছিলগৈ। নাৱৰীয়াই ততালিকে নাও চলাবলৈ আৰম্ভ কৰিলে।

বিকাশ বাবা আধাঘন্টাতে ঘূৰি আহিল। কিন্তু হঠাতে নদীখন ফেনে-ফোটোকাৰে ওফন্দি আহিল। নাওখন ইটো পাৰৰ পৰা আৰু ঘূৰি নাহিল। বানপানী কমাৰ আগতে বিকাশ বাবাই আৰু নদী পাৰ হোৱাৰ আশা নেদেখিলে। তিনি-চাৰিদিনৰ আগতে ধুমুহা শাম কটাৰো লক্ষণ নাই।

বিকাশ বাবাই শিল এটুকুৰাত বহিলৈ কান্দিবলৈ ধৰিলে। তেওঁ উপলব্ধি কৰিলে যে আৰামদায়ক জীৱন এটা কটোৱাৰ পৰা বিৰত থাকিবলৈ তেওঁৰ বন্ধুক উপদেশ দিয়াটো যে কিমান মূৰ্খামি হৈছিল। তেওঁৰ বন্ধুৰ বিলাসৰ মাজত থাকিও একোৰে প্ৰতি মোহ নাছিল। তেওঁ আনকি নিজৰ সিদ্ধান্তৰ কথা শিষ্য সকলক জনোৱাৰো প্ৰয়োজন বোধ কৰা নাছিল। তেওঁৰ বাবে, সকলো কাম সুকলমে কৰিবৰ বাবে ভগৱান আছে। কিন্তু বাহ্যিকভাৱে এটা কঠোৰ জীৱন কটাই, বিকাশ বাবাই নিজকে পাৰ্থিৱ সম্পত্তিৰ মোহৰ পৰা মুক্ত কৰিব নোৱাৰিলে। মাত্ৰ এডাল লাখুটীৰ বাবেই তেওঁ গুৰুৰ লগত যোৱাৰ সোণালী সুযোগ হেৰুৱালে।



# সংবাদ বিচিত্ৰা

## জয়জয় জীয়াই আছে

এই বাঘ আৰু সিংহৰ বৰ্ণ সংকৰ জাতৰ এই পোৱালিটো কেৱল জীয়াই থকাই নহয় জন্মৰ পৰা ১৮০ দিনতকৈ বেছি দিন জীয়াই থাকি ই ইতিহাস ৰচনা কৰিছে । জয়জয় নামৰ এই বৰ্ণসংকৰ পোৱালিটো ২৭ মাৰ্চত জন্ম হয় আৰু বৰ্তমান চীনৰ হুনান অঞ্চলৰ চ্চাংচা ৱাইল্ড্লাইফ পাৰ্কত ডাঙৰ দীঘল হৈছে ।

বৰ্ণসংকৰ জন্তু সাধাৰণতে বেছি দিন জীয়াই নাথাকে । কিন্তু ৱাইল্ড্লাইফ কৰ্তৃপক্ষই আশা কৰিছে যে জয়জয় এই পোৱালি অৱস্থাৰ সমস্যা সমূহ অতিক্ৰম কৰি দীৰ্ঘদিন জীয়াই থাকিব ।

## অনন্য ভাস্কৰ্য

বাৰ্লিনত হোৱা বালিৰ ওপৰত কৰা ভাস্কৰ্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা উৰিষ্যাৰ সুদৰ্শন পাটনায়ক একমাত্ৰ ভাৰতীয় প্ৰতিযোগী আছিল । অন্যান্য বিভিন্ন দেশৰ ১৯ জন প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল । প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ ক্ৰমে ৰাছিয়া আৰু নেদাৰ লেণ্ডৰ প্ৰতিযোগীয়ে লাভ কৰিছে । পাটনায়কে এটা গণেশৰ মূৰ্ত্তি গঢ়িছিল আৰু তৃতীয় পুৰস্কাৰ লাভ কৰিলে । সুদৰ্শন পাটনায়কৰ বয়স চাব্বিশ বছৰ আৰু তেওঁ যোৱা ১৩ বছৰ ধৰি এই চৰ্চা চলাই আহিছে । তেওঁ উৰিষ্যাত এখন নিজা স্কুল চলাই আছে আৰু তাত তেওঁ পঞ্চাশজন ছাত্ৰ-ছাত্ৰীক বালিৰ ভাস্কৰ্য শিকাই আছে ।

# ত্ৰাণকৰ্ত্তাৰ ৰূপত অহা এটি ছাঁ

জেইলৰ এটা নিৰ্জন কক্ষত জ' এৰ্ডমান কিবা ভাৱত বিভোৰ হৈ আছিল । নগৰৰ এজন গুৰুত্বপূৰ্ণ ৰাজনৈতিক ব্যক্তিক হত্যাৰ চেষ্টা কৰাৰ অপৰাধত তেওঁক দোষী সাব্যস্ত কৰা হৈছে ।

এদিন সন্ধিয়া, কাৰাগাৰধিপতিয়ে তেওঁক কোনোবা এজন অহা বুলি ক'লে । জ'ই মুৰ তুলি চালে আৰু আগন্তুকলৈ একেথৰে চাই ৰ'ল।

"ভয় নাখাবা বন্ধু! মোৰ নাম জন ওৱাট্‌চন। মই এজন উকীল । মই তোমাক দোষমুক্ত কৰিবলৈ কোনো পাৰিশ্ৰমিক নোলোৱাকৈ তোমাৰ হৈ ওকালতি কৰিম ।" ওখ, আদবয়সীয়া মানুহজনে ক'লে ।

উকীলজনে পুৱাৰ খবৰ কাগজখনত ঘটনাটো পঢ়িছিল । ১৯১০ চনৰ ২২ মে, দেওবাৰে প্ৰায় দুই বাজি পঁশিচ মিনিটত, ৰাজনৈতিক দলৰ নেতা উইলী বেনিষ্টাৰে সদায় কঢ়াৰ দৰে খোজকাঢ়ি আহি দেখিলে যে তেওঁৰ ঘৰৰ বাৰাণ্ডাৰ আগত এটা চামৰাৰ মোনা পৰি আছে । তেওঁ লক্ষ্য কৰিলে যে এডাল বগা খীন ৰছী মোনাটোৰ চাবি ভৰোৱা ফুটাটোৰ পৰা তেওঁৰ দুৱাৰৰ হাঁকোটা লগাই থোৱা আছে ।

বেনিষ্টাৰে পুলিচ মতালে । কেইজনমান চোৰাংচোৱা আহিল আৰু মোনাটোৰ সংলগ্ন লোহাৰ স্প্ৰিংডাল কাটি মোনাটো খুলিলে । মোনাৰ ভিতৰত কিছুমান বিস্ফোৰক সামগ্ৰীৰ লগতে এটা পিষ্টলো আছিল । বগা ৰছীডাল পিষ্টলৰ ট্ৰিগাৰৰ লগত বান্ধি থোৱা আছিল।

বাতৰি কাকতৰ খবৰটোৱে উকীলজনৰ মনটো সন্দেহেৰে ভৰাই তুলিলে । তেওঁৰ ঘটনাটো পৰিকল্পিত যেন লাগিল । তেওঁৰ সন্দেহ আৰু ঘনীভূত হ'ল যেতিয়া সেইদিনা আবেলিয়েই তেওঁ খবৰ পালে যে যাক সন্দেহ কৰা হৈছে তেওঁক ইতিমধ্যেই গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁ ততালিকে জেললৈ গ'ল।

"অনুগ্ৰহ কৰি আপুনি অবাবতে সময় নষ্ট নকৰিব। আপোনাৰ সকলো চেষ্টা

অথলে যাব।" কয়দীজনে ক'লে। "এই কথা সঁচা যে সেই ৰাজনৈতিক নেতা জনক মই ঘৃণা কৰোঁ। আৰু শেহতীয়াকৈ মই তেওঁৰ লগত মতানৈক্যলৈও আহিছো। সকলোতকৈ ডাঙৰ কথা, মোৰ এনে কোনো প্ৰমাণ নাই যে মই ঘটনাটো সংঘটিত হোৱাৰ সময়ত অন্য ক'ৰবাত আছিলো বুলি দেখুৱাব পাৰো। মোৰ কোনো বন্ধু-বান্ধৱ নাই, কোনো সাক্ষী নাই, নিজকে জামিনত নিবৰ বাবে মোৰ কোনো পইচা-পাতিও নাই।"

জন ওৱাটচনে অৱশ্যে জ' এৰ্ডমেনক জামিনত নিবৰ বাবে সিদ্ধান্ত কৰিছিল। "চিন্তা নকৰিবা, তোমাৰ অপৰাধ সাব্যস্ত কৰিবৰ বাবেও প্ৰয়োজনীয় প্ৰমাণ নাই।"

বাইশ মেৰ দিনা দুই বাজি পচিশ মিনিটত ৰাজনৈতিক নেতাজনৰ ঘৰৰ আগত চামৰাৰ মোনা এটা আৱিষ্কাৰ হোৱাৰ আগ মুহূৰ্ত্তত জ' এৰ্ডমেনক সেই ঠাইত দেখা বুলি সাতজন লোকে সাক্ষ্য দিয়াৰ পিছতো উকীল জন বিচলিত ন'হল।

তাৰ পিছত আহিল মুখ্য সাক্ষীসকল-- দীঘল, বগা পোছাক পিন্ধা দুজনী অকণমানি ছোৱালী। সাতগৰাকী সাক্ষীয়েই অৱশ্যে নিজৰ সাক্ষ্য প্ৰদানৰ সময়ছোৱাত এই ছোৱালী দুজনীক ঘৰটোৰে আগেদি পাৰ হৈ যোৱা দেখা বুলি উল্লেখ কৰিছিল। সৰু ছোৱালী দুজনীয়ে কোৱা কাহিনীটো সৰল আৰু পোনপটীয়া আছিল।

মে' মাহৰ সেই দেওবাৰটোত প্ৰায় এক বাজি পঞ্চাশ মিনিচত ছোৱালী দুজনীয়ে গীৰ্জাৰ পৰা ঘৰলৈ আহি থাকোঁতে সিহঁত উইলী বেনিষ্টাৰৰ ঘৰৰ আগেদি আহিছিল। ঘৰটোৰ পিচফালৰ এটা গলিয়েদি জ' এৰ্ডমেনক খৰ খোজেৰে পাৰ হৈ যোৱা সিহঁতে দেখিছিল। সিহঁতে আনকি তেওঁৰ দুপিয়াই কঢ়া খোজ, ফুলাম কামিজ আৰু নীলা টুপীও দেখা বুলি ক'লে।

ঠিক সোঁফালে কাঠগড়াত থিয় হৈ আছিল আচামী। তেওঁ এটা ফুলাম কামিজ পিন্ধি আছিল। যেতিয়া তেওঁক কোঠাটোৰ চাৰিওফালে এবাৰ খোজকাঢ়িবলৈ কোৱা হ'ল তেওঁ পুনৰ দুপিয়াই খোজ কাঢ়িলে। এটা নীলা টুপী তেওঁক দেখুওৱা হ'ল, তেওঁ তৎক্ষণাৎ সেইটো তেওঁৰ বুলি স্বীকাৰ কৰিলে।

বিচাৰ একপ্ৰকাৰ শেষ হোৱাৰ দৰেই হ'ল। আচামীৰ পক্ষৰ উকীল জন ওৱাটচনে এটা গভীৰ হুমুনিয়াহ কাঢ়িলে। কিন্তু তেওঁ আশা নেৰিলে আৰু এটা সুযোগ লোৱাৰ সিদ্ধান্ত কৰিলে। লাহে লাহে এটা গধুৰ মন লৈ তেওঁ থিয় হ'ল আৰু বাই-ভনী দুজনীৰ ওচৰলৈ গ'ল।

"মোক কোৱাচোন, গীৰ্জাৰ পৰা ওলাই অহাৰ পিচতে তোমালোকে কি কৰিছিলা?"

ক'ৰবাত কিবা আশাৰ পোহৰ আছে নেকি ?

হঠাতে ছবিখনৰ এটা সূক্ষ্ম কথাই তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিলে। বিভিন্ন ধৰণৰ কথাই তেওঁৰ মনত জুমুৰি দি ধৰিলে। তথাপি তেওঁৰ অনুভৱ হ'ল কিবা এটা যেন তেও হেৰুৱাইছে । ছবি দুখন হাতত লৈ তেওঁ লৰালৰিকৈ গীৰ্জালৈ গ'ল আৰু তাত বহি থাকিলগৈ। তেওঁৰ সমুখত ওলমি আছিল গীৰ্জাৰ ঘন্টা, তাত দুই বজাৰ সংকেত দিলে।

জন ওৱাটচন এখন সৰু গাড়ীত উঠি ওচৰতে থকা এটা মানমন্দিৰলৈ গ'ল। তাত তেওঁ জ্যোতিৰ্বিদজনক লগ ধৰিলে । তাৰ পিছত তেওঁ আদালতলৈ গ'ল আৰু দিনটোৰ বাবে বিচাৰ স্থগিত ৰাখিবৰ বাবে অনুৰোধ জনালে কিয়নো সেই মুহূৰ্ত্তত তেওঁ কিছুমান নতুন তথ্যৰ সন্দেহ পাইছে ।

পিছদিনা পুৱা, বিচাৰ কক্ষ দৰ্শকেৰে ঠাঁহ খাই পৰিছিল । কিয়নো এই কথা প্ৰচাৰ হৈ গৈছিল যে জন ওৱাটচনে সেইদিনা কিছু নতুন তথ্য লৈ আহিব ।

আচামী পক্ষৰ প্ৰথম সাক্ষীক মতা হ'ল । তেওঁ এজন চুটি-চাপৰ, নিপোটল মানুহ আছিল। তেওঁৰ পাতলীয়াকৈ ডাড়ি আছিল আৰু বগা মোচ আছিল।

"ডাঙৰীয়া, আপুনি বিশ্ববিদ্যালয়ৰ জ্যোতিৰ্বিজ্ঞানৰ অধ্যাপক নহয়নে ?"

"হয়।"

"ইয়াত এখন ফটো আছে । অনুগ্ৰহ কৰি এইখন মন দি চাওক। অনুগ্ৰহ কৰি ক'ব পাৰিবনে কিমান সময়ত এই ছবিখন তোলা হৈছিল ?"

"আমি ফটোত উঠিছিলো ।"

"তোমালোক কোনোবা ষ্টুডিঅ'লৈ গৈছিলা নেকি ?

"নহয়, বৃদ্ধ পুৰোহিত জনে গীৰ্জাতে আমাৰ ফটো লৈছিল। আমি কেৱল গীৰ্জাৰ সমুখত থিয় হৈছিলোঁ।"

"ফটো কেইখন এতিয়া তোমালোকৰ হাতত আছেনে ?"

"হয় আছে, এয়া মোৰ বেগতে আছে । আপুনি ল'ব পাৰে ডাঙৰীয়া, আমাৰ হাতত আৰু আছে।" সৰু ছোৱালীজনীয়ে ক'লে।

সেই সময়তে বিচাৰকে বিৰতি ঘোষণা কৰিলে, জন ওৱাটচন পাৰ্কলৈ গ'ল । তেওঁ তাতে এজোপা গছৰ তলত বহি ফটো দুখন চাই চিন্তা কৰিবলৈ ধৰিলে । গীৰ্জাৰ সমুখত বগা দীঘল পোছাক পিন্ধা সৰু ছোৱালী দুজনী বৈ আছিল। সিহঁতৰ সবল জবানবন্দীয়ে গোটেই বিচাৰটোৱেই সমাপ্ত কৰি দিয়াৰ দৰে হ'ল । তেওঁ ছবি দুখনলৈ একেথৰে চায়েই থাকিল

"হয়, মই আপোনাক কেৱল সময়টোৱেই নহয়, দিনটো ও ক'ব পাৰিম ।"

"আপুনি কেনেকৈ ইমান নিশ্চিত হ'ব পাৰে?" জন ওৱাটচনে সুধিলে ।

গোটেই আদালত কক্ষ নিস্তব্ধ হৈ পৰিছিল।

জ্যোতিৰ্বিজ্ঞানীজন থিয় হ'ল, তেওঁ দাড়ি আৰু মোচত হাত ফুৰালে আৰু তাৰ পিছত লাহে লাহে আৰম্ভ কৰিলে ।

"এইটো তেনেই সহজ কথা । আপুনি এই ছবিখনত এটা ছাঁ মন কৰিছেনে ? এইটো গীৰ্জাৰ চূড়াৰ ছাঁ । এতিয়া এই ছাঁটোৰ কৌণিক স্থিতি লক্ষ্য কৰি মই সহজেই কৈ দিব পাৰিম তেতিয়া কিমান সময় হৈছিল ।"

"আমাক কওক, ঠিক কিমান সময়ত এই ফটো লোৱা হৈছিল ?"

"এই ফটো লোৱা হৈছিল ১৯১০ চনৰ বাইশ মে'ৰ আবেলি ঠিক তিনি বাজি দহ মিনিটত !"

এজন বিশিষ্ট ব্যক্তিয়ে দিয়া এই জবানবন্দীয়ে সাতজন ব্যক্তি আৰু দীঘল, বগা পোছাক পিন্ধা দুজনী সৰু ছোৱালীয়ে দিয়া সাক্ষ্য সন্দেহজনক কৰি তুলিলে । সিহঁতৰ স্মৰণ শক্তিৰ ওপৰত সকলোৰে সন্দেহ হ'বলৈ ধৰিলে । যদি কিবা কাৰণত সিহঁতে দোষীক দেখিছিলো তেন্তে সেয়া নিশ্চয় দুই বাজি পছিশ মিনিটত ৰহস্যজনক চামৰাৰ বেগটো আৱিষ্কাৰ হোৱাৰ পঞ্চল্লিশ মিনিটৰ পিছতহে হ'ব ।

জ্যোতিৰ্বিজ্ঞানী গৰাকীক পুনৰ প্ৰশ্ন সুধিবলৈ কোনেও সাহস নকৰিলে। তেওঁৰ সময় নিৰূপণ আৰু সাক্ষ্য সম্পূৰ্ণ সত্য আৰু পোনপটীয়া। এজন নিৰ্দোষী লোকক অহেতুক শাস্তি প্ৰদানৰ পৰা ৰক্ষা কৰিবলৈকে গোটেই ৰাতিটো তেওঁ গণনা কৰি আছিল আৰু ৰাতিপুৱা গীৰ্জাৰ সমুখৰ সেই ঠাইটুকুৰা তেওঁ পুনৰ পৰীক্ষা কৰি চাইছিল।

অৱশেষত, গোচৰটো বাতিল কৰা হ'ল আৰু আচামীক মুক্তি দিয়া হ'ল । কিন্তু তাত সমবেত বহুতো লোকে কেনেকৈনো এখন ফটোৰ এটা ছাঁই এটা অপৰাধৰ বিচাৰত ইমান প্ৰভাৱ পেলালে সেয়া বিশ্বাস কৰিব নোৱাৰিলে ।

এবছৰৰ পিছত, তেওঁলোক গীৰ্জাৰ সমুখত সেই বিশেষ দিনটোৰ বিশেষ সময়ত গোট খালে আৰু কেমেৰাৰ সমুখত থিয় হ'ল । যেতিয়া তেওঁলোকৰ হাতত ফটোখন পৰিল, দেখা গ'ল যে গীৰ্জাৰ চূড়াৰ ছাঁ অবিকল সেই ফটোখনৰ দৰেই পৰিছে--সেই দীঘল, বগা পোছাক পিন্ধা ছোৱালী দুজনীৰ ফটোখনৰ দৰেই ।

বঙ্গদেশৰ এটা লোক কাহিনী

# নদীয়ে দিয়া অপৰূপ সন্তান

এজন ৰজা আছিল আৰু তেওঁ নিজৰ প্ৰজাবৰ্গক খুব মৰম কৰিছিল। তেওঁলোকৰ কল্যাণৰ বাবে তেওঁ অত্যন্ত মনোযোগ দিছিল। তেওঁ তেওঁৰ মন্ত্ৰীসকল আৰু গুপ্তচৰ সকলৰ পৰা প্ৰজাসকলৰ বা বাতৰি লৈছিল। তথাপি প্ৰজাবৰ্গৰ কিবা অসুবিধা হৈছে নেকি তাক জানিবলৈ ৰজা নিজেও বৰ উৎসুক আছিল। সেয়ে তেওঁ ৰাজ্যখনৰ চাৰিওফালে ঘূৰি-ঘূৰি প্ৰজাসকলৰ কথা বতৰা শুনিছিল। তাৰোপৰি তেওঁ নিজেও তেওঁলোকৰ লগত কথা-বতৰা পাতিছিল।

এদিন ৰজা তেওঁৰ এজন সভাসদৰ ঘৰৰ ওচৰেদি পাৰ হৈ গৈছিল। তেতিয়া মাজৰাতি হৈছিল। ঘৰটোৰ ওচৰ পোৱাৰ লগে লগে ৰজাই দেখা পালে যে এখন খিৰিকী খোলা আছে। ঘৰৰ ভিতৰত শেতাঁ পোহৰ আৰু ভিতৰত কোনোবাই কথা পতা শুনিবলৈ পালে। ৰজাই অনুমান কৰিলে যে ভিতৰত তিনিজনী ছোৱালীয়ে সিহঁতে কাক বিয়া কৰাব সেই বিষয়ে নিজৰ ভিতৰতে কথা পাতিছে।

"জানা, মই খাই খুব ভাল পাও। মই যদি ৰাজপ্ৰাসাদৰ ৰান্ধনিজনক স্বামী হিচাবে পালোহেঁতেন! তেতিয়া মই ৰজা আৰু ৰাণীয়ে খোৱাৰ দৰে ধুনীয়া ধুনীয়া সুস্বাদু আহাৰৰ জুতি ল'ব পাৰিলোহেঁতেন।" সিহঁতৰে এজনীয়ে ক'লে।

"যদি মই মন্ত্ৰীৰ লগত বিয়া হ'লো হয় তেন্তে মই তেওঁৰ লগত সমগ্ৰ ৰাজ্য ঘূৰি ফুৰিলোহেঁতেন আনকি ওচৰৰ ৰাজ্যবোৰলৈও যাব পাৰিলোহেঁতেন। তোমালোকেতো জানাই মই নতুন ঠাই চাই কিমান ভাল পাওঁ!" অন্য এজনীয়ে ক'লে।

অলপ সময়ৰ বাবে আৰু একো কথা শুনিবলৈ পোৱা নগ'ল। তাৰ পিছত আকৌ সেই একে দুটা কণ্ঠস্বৰ পুনৰ শুনিবলৈ পোৱা গ'ল। "তুমি কিয় মনে মনে আছা? তুমি আমাক নোকোৱা কিয় তুমি কাক বিয়া কৰাব খোজা?"

ৰজাই তেতিয়া তৃতীয় কণ্ঠস্বৰ শুনিবলৈ পালে। "যদি ৰজাই মোক বিয়া কৰালেহেঁতেন, মই তেওঁক ধুনীয়া সন্তান উপহাৰ দিলোহেঁতেন।" আটাইকেউজনী

হাঁহিত ফাটি পৰাৰ শব্দ শুনা পোৱা গ'ল ।

ৰজা ততালিকে সেই ঠাইৰ পৰা আঁতৰি গ'ল আৰু ৰাজপ্ৰাসাদলৈ ঘূৰি আহিল । তেওঁ চিন্তা কৰিবলৈ ধৰিলে । তেওঁৰ ইতিমধ্যেই দুগৰাকী পত্নী আছে কিন্তু এগৰাকীয়েও তেওঁক সন্তান দিব পৰা নাই । তেওঁ অনুমান কৰিলে যে তেওঁ শুনা তিনিওটা কণ্ঠ তিনিগৰাকী ভগ্নীৰ । তেওঁ ভাবিলে যে ৰজাৰ লগত বিয়া হ'ব খোজা গৰাকীক তেওঁনো তৃতীয় পত্নী হিচাবে গ্ৰহণ নকৰে কিয় ?

পিছদিনা পুৱা, ৰজাই তিনি ভগ্নীক ৰাজপ্ৰাসাদলৈ লৈ আহিবলৈ এগৰাকী দাসী পঠালে । তেওঁলোকক ৰাজসভালৈ অনা হ'ল আৰু ৰজাই তেওঁলোকৰ দেউতাককো মাতি আনি আগৰাতি শুনা গোটেইখিনি কথা তিনিওজনীৰ সমুখতে বিৱৰি ক'লে, "মই তোমাৰ জ্যেষ্ঠা কন্যাক ৰাজৰান্ধনিৰ লগত আৰু দ্বিতীয় কন্যাক মন্ত্ৰীৰ লগত বিয়া হোৱাৰ ব্যৱস্থা কৰি দিম ।"

ছোৱালীকেইজনীৰ দেউতাকে তেওঁৰ কনিষ্ঠা কন্যাৰ বিষয়ে ৰজাই কিবা কোৱালৈ আগ্ৰহেৰে বাট চাই ৰ'ল । ছোৱালী জনীয়েও এবাৰ দেউতাকলৈ আৰু এবাৰ ৰজালৈ চাবলৈ ধৰিলে ।

ৰজাই মিচিকিয়াই হাঁহিলে আৰু সভাসদ জনক ক'লে, "মই তোমাৰ নুমলীয়া জীক মোৰ তৃতীয় পত্নী হিচাবে গ্ৰহণ কৰি তেওঁক ৰাণী কৰিব খোজোঁ ।" আনন্দত ছোৱালী কেইজনী আত্মহাৰা হৈ পৰিল ।

ধুমধামকৈ তিনিওখন বিয়া হৈ গ'ল আৰু তিনিজনী নতুন কইনাই নিজৰ নিজৰ ঘৰত থাকিবলৈ ল'লে । ডাঙৰ দুয়োজনীয়ে এতিয়া উপলব্ধি কৰিলে যে সিহঁতে এতিয়া সাধাৰণ

ঘৰ দুৱাৰতে সন্তুষ্ট থাকিব লাগিব । আনহাত সিহঁতৰ সৰু ভনীয়েকে ৰাণী হৈ বহি আছে। স্বাভাৱিকতে সিহঁত ঈৰ্ষান্বিত হৈ পৰিল । অৱশ্য সৰু ভনীয়েকৰ সিহঁতৰ প্ৰতি এতিয়াও বহুত মৰম আছিল । তাই ভাবিলে যদি কোনোবা এজনী বায়েকে ৰজাক বিয়া কৰাব খুজিলেহেঁতেন তেন্তে তাই আন কাৰোবাক বিয়া কৰাব লাগিল হেঁতেন । সেয়ে তাই সিহঁতৰ প্ৰতি কৃতজ্ঞ হৈ থাকিব খুজিলে ।

ৰজাৰ নতুন ৰাণী সোনকালেই সন্তান সম্ভৱা হ'ল । তাই ৰজাক জনালে যে তাই এই সময়ত তাইৰ বায়েকহঁতে তাইক সহায় কৰাটো বিচাৰে । ৰজা ততালিকে মান্তি হ'ল। দুয়োজনী বায়েক আহি ৰাজপ্ৰাসাদত থাকিবলৈ ল'লে । যেতিয়া এটা ল'ৰা জন্ম হ'ল, দুয়োজনী দুষ্ট বায়েকে ৰাণীৰ পৰিচাৰিকাৰ লগ হৈ বুধি কৰি কেঁচুৱাটো পাচি এটাত ভৰাই প্ৰাসাদৰ ওচৰেদি বৈ যোৱা

নদীত উটাই দিলে । সিহঁতে এটা কুকুৰ পোৱালি লৈ আহিল আৰু ৰাণীক ক'লে যে ৰাণীয়ে এটা কুকুৰ পোৱালি জন্ম দিছে । “যদি ভগৱানৰ সেয়ে ইচ্ছা হয় তেন্তে মই কুকুৰ পোৱালিটোকেই মোৰ সন্তান হিচাবে গ্ৰহণ কৰিব লাগিব ।” বিষন্নবদনা ৰাণীয়ে ক'লে।

পিছৰ বছৰো ৰাণীয়ে এটা ধুনীয়া পুত্ৰ সন্তান জন্ম দিলে । এইবাৰো দুই বায়েকে লগ হৈ আগৰ দৰে পাচি এটাত ভৰাই উটাই দিলে আৰু এটা মেকুৰী পোৱালি ৰাণীৰ ওচৰলৈ লৈ আহিল । এইবাৰো ৰাণীয়ে ভাগ্যৰ লিখন বুলি মানি লৈ দুখেৰে ক'লে, “ভগৱানৰ ইচ্ছা ।”

তাৰ এবছৰ পিছত, ৰাণীয়ে এজনী মৰমলগা ছোৱালী জন্ম দিলে । দুষ্ট বায়েক দুজনীয়ে এইবাৰো ছলনা কৰি সিহঁতৰ সৰু ভনীয়েকক ক'লে যে ৰাণীৰ ছোৱালীজনী এজনী ধুনীয়া ছোৱালীৰ দৰে লগা এটা মাটিৰ পুতলা । ৰাণীৰ দৰে, ৰজাও ভাগ্যৰ এই বিড়ম্বনা দেখি বিমৰ্ষ হৈ পৰিল । সেই সভাসদ জনৰ ঘৰৰ পৰা সেই দিনা ৰাতি শুনা কথাষাৰলৈ তেওঁৰ মনত পৰিল--“যদি ৰজাই মোক বিয়া কৰায় মই তেওঁক মৰম লগা সন্তান উপহাৰ দিলোহেঁতেন ।”

ইতিমধ্যে, ৰজাৰ ৰাজ্যৰ চাৰিওফালে ঘূৰাৰ অভ্যাস তেতিয়াও অব্যাহত আছিল । এতিয়া তেওঁ প্ৰায়ে ৰাণীয়ে, কুকুৰ পোৱালি, মেকুৰী পোৱালি, আৰু মাটিৰ পুতলা আদি জন্ম দিয়া লৈ কৰা বিভিন্ন বিৰূপ মন্তব্য শুনিবলৈ পালে । কিছুমানে ৰাণীক সাধাৰণ মাইকী মানুহ নহয় বুলি মন্তব্য কৰিলে, কোনো কোনোৱে ৰাণীক ডাইনী আখ্যা দিলে, কোনো কোনোৱে এইবোৰক আহিব ধৰা ডাঙৰ বিপদ যেনে বানপানী বা মহামাৰীৰ আগজাননী বুলি ব্যাখ্যা কৰিলে । কোনো কোনো লোকে ৰাণী আৰু ৰাজপ্ৰাসাদত থকাই উচিত নহয় বুলি মন্তব্য কৰিলে । সেয়ে ৰজাই ৰাণীক হাবিলৈ পঠাই দিলে ।

ৰাজপ্ৰাসাদৰ পৰা অনতি দূৰত থকা নদীৰ পাৰতে এজন ব্ৰাহ্মণ বাস কৰিছিল । এদিন তেওঁ গা ধুই থাকোতে হঠাতে দেখিলে যে এটা পাচি পানীত উঠি আহিছে । তেওঁ ভালকৈ চাই দেখিলে যে তাত এটা কন্‌মানি কেঁচুৱা শুই আছে । কেঁচুৱাটো তেওঁ ঘৰলৈ লৈ আহিল আৰু নিজৰ পত্নীক দি দিলে । তেওঁলোক যিহেতু নিঃসন্তান আছিল সেয়ে গভীৰ মৰম আৰু যত্নৰে-ল'ৰাটো ডাঙৰ কৰিলে ।

এবছৰ পিছত আকৌ সেই ব্ৰাহ্মণজনে আকৌ এটা কেঁচুৱা পানীত উটি অহা পালে। এইবাৰো তেওঁ ল'ৰাটো ঘৰলৈ নি পত্নীৰ হাতত দিলে । ব্ৰাহ্মণ দম্পতীয়ে লক্ষ্য কৰিলে যে দুইটা ল'ৰা সাইলাখ একে ।

ব্ৰাহ্মণজনৰ আশ্চৰ্যৰ সীমা নোহোৱা হ'ল যেতিয়া তেওঁ এবছৰৰ পিছত আৰু এটা পাচি নদীত উটি অহা দেখা পালে । এইবাৰ পাচিটোত আছিল এজনী ধুনীয়া কেঁচুৱা ছোৱালী । তেওঁৰ পত্নীয়ে এইবাৰো মন কৰিলে যে আগৰ ল'ৰা দুটাৰ লগত ছোৱালীজনীৰো বহুত মিল আছে । ল'ৰা-ছোৱালী তিনিওটাৰ ওপৰত ব্ৰাহ্মণ দম্পতীয়ে তেওঁলোকৰ মৰম ওপচাই দিলে । সিহঁতৰ নাম ৰখা হ'ল ক্ৰমে মদন, মোহন আৰু মোহিনী ।

এদিন, ব্ৰাহ্মণজন হঠাতে টান নৰিয়াত পৰিল আৰু ঢুকাই থাকিল । কেইদিনমানৰ পিছত তেওঁৰ পত্নীও ঢুকাই থাকিল । ল'ৰা-ছোৱালী কেইটা সোনকালে ডাঙৰ হৈ আহিল । আৰু সিহঁতে উপলব্ধি কৰিলে যে এতিয়া সিহঁতে নিজৰ ভৰিত নিজে ঠিয় দিব লাগিব ।

এদিন, সিহঁতৰ ঘৰলৈ এজন অপ্ৰত্যাশিত অতিথিৰ আগমন ঘটিল । বাট হেৰুৱাই এটা খীন চাকিৰ পোহৰত ল'ৰা-ছোৱালী কেইটাৰ ওচৰত ওলালগৈ । ভোক পিয়াহ আৰু ভাগৰত ৰজা জৰ্জৰিত হৈছিল । ল'ৰা-ছোৱালী কেইটাই তেওঁক খাবলৈ দিলে আৰু ৰাতিটোৰ বাবে জিৰণি ল'বলৈ দিলে ।

পিছদিনা পুৱা ৰজাই সিহঁতক নিজৰ পৰিচয় দিলে আৰু ক'লে যে সিহঁতৰ যেতিয়াই প্ৰয়োজন হয়, সিহঁতে ৰজাৰ সহায় বিচাৰিব পাৰে । ৰাজধানীলৈ ঘূৰি আহি ৰজাই সিহঁতলৈ এটা সোণৰ মুদ্ৰাৰে ভৰা মোনা পঠিয়ালে । সিহঁতে কোনো ধৰণৰ অভাৱ নোপোৱাটোৱে ৰজাই বিচাৰিছিল ।

যেতিয়া মোহিনীয়ে গম পালে যে সিহঁতৰ ঘৰত এৰাতি থাকি যোৱা অতিথিজন স্বয়ং ৰজা আছিল, তেতিয়াৰ পৰাই মোহিনীয়ে ককায়েকহঁতক কুটুৰিবলৈ ধৰিলে যে সিহঁতেও প্ৰাসাদোপম ঘৰ এটাত থকা উচিত । তাইৰ মৰমিয়াল ককায়েকহঁতে তাইৰ মনৰ ইচ্ছা পূৰণ কৰিলে আৰু সিহঁত তিনিও সিহঁতৰ নতুন ঘৰত ভৰি দিলে । মোহিনীয়ে ধুনীয়া ধুনীয়া বস্তুৰে ঘৰটো সজাই তুলিলে আৰু চৌপাশে সুন্দৰ বাগিছা ৰুই দিলে ।

এদিন সেইফালেদি এজন যোগী আহক । নদীৰ পাৰৰ হাবিৰ মাজত এটা ধুনীয়া অট্টালিকা দেখি তেওঁ বিস্ময়াভূত হ'ল । মোহিনীয়ে তেওঁক সুধিলে যে সিহঁতৰ ঘৰত কিহবাৰ অভাৱ তেওঁ দেখিছে নেকি । তেওঁ পৰামৰ্শ দিলে যে ঘৰটোত এজোপা সোণৰ গছ, এটা সোণৰ সঁজাত এটা সোণৰ চৰাই আৰু পৰ্বতৰ ওপৰত থকা এটা ওখ ঘৰৰ পৰা নিক্ষেপ কৰিব পৰাকৈ এখন ধনু ৰখা উচিত । ঘৰটোলৈ কেনেকৈ যাব পাৰি সেই বিষয়েও বাট দেখুৱাই দিলে । যোগীয়ে বিদায় লোৱাৰ





পিছত ভাই-ভনী তিনিওটাই লগ হৈ আলোচনা কৰি এই সিদ্ধান্ত ল'লে যে মদনে পৰ্বতৰ ওপৰত থকা প্ৰাসাদ বিচাৰি আগবাঢ়ি যাব।

যাত্ৰা আৰম্ভ কৰাৰ আগতে সি মোহিনীৰ হাতত এখন তৰোৱাল দি ক'লে, "যদি মোৰ কিবা হয় তেনেহলে এই তৰোৱাল খনৰ চিক্‌মিকনি নোহোৱা হ'ব।"

দিনবোৰ, মাহবোৰ পাৰ হৈ গৈ থাকিল, আৰু তৰোৱালৰ উজ্জ্বলতা একেই থাকিল। মোহিনীয়ে গম পালে যে মদন কুশলে আছে। কিন্তু এদিন ৰাতিপুৱা তাই দেখা পালে যে তৰোৱালখনৰ ৰং ম্লান হৈ পৰিছে।

সিফালে, প্ৰাসাদৰ খটখটীয়েদি মদনে এখোজ দিওঁতেই এটা মাত শুনা পালে, "মদন, আৰু এখোজা আগ নাবাঢ়িবা!" কিন্তু মদনৰ যোগীয়ে এৰাঁৰলৈয়ো পিছলৈ ঘূৰি নাচাবলৈ কোৱা কথা মনত পৰিল।

সেয়ে সি সেই অচিনাকি কণ্ঠস্বৰলৈ আওকাণ কৰিলে। সি আৰু দুটা খোজ দিছেহে মাথোন এনেতে সি আকৌ সেই কণ্ঠস্বৰ শুনা পালে, "মদন, মইয়ো তোমাৰ লগ হ'ব খোজোঁ।" মদনৰ ভা হ'ল যেন তাৰ তোলনীয়া পিতৃয়ে তাক মাতিছে। সি ঘূৰি চালে। পিছ মুহূৰ্ত্ততে এটুকুৰা শিলৰ দৰে সি সৰি পৰিল।

মোহনে ককায়েকক বিচাৰি যাব খুজিলে। সি মোহিনীক তাৰ বাঁহীটো দি ক'লে যে যদি তাৰ কিবা বিঘিনি ঘটে তেন্তে বাঁহীটো ভাঙি দুটুকুৰা হ'ব।

মোহনেও পৰ্বতৰ ওপৰত থকা প্ৰাসাদৰ চিৰিত ভৰি দিলে। দুখোজ দিওঁতেই সি যেন তাৰ ককায়েকৰ মাত শুনা পালে, "মোহন, ময়ো আহি আছোঁ, অলপ ৰ'বা।" যিহেতু মোহনৰ তালৈ যোৱাৰ মূল উদ্দেশ্য যোগীয়ে কোৱা তিনিটা বস্তু লাভ কৰাতকৈও ককায়েকৰ সন্ধান কৰাটোহে আছিল সেয়েসি পিছলৈ ঘূৰি চালে আৰু শিল এটাৰ দৰে খহি পৰিল।

বাঁহীটো দুটুকুৰা হৈ ভাঙি যোৱাত মোহিনী আতঙ্কিত হৈ পৰিল। পূৰা এটা দিন ধৰি তাই কান্দিলে। পিছ দিনাখন তাই সাহস গোটালে আৰু ককায়েক হঁতক বিচাৰি যাবলৈ ওলাল।

ৰাস্তাত গৈ থাকোঁতে তাই এটা কথা মনত ৰাখি গ'ল যে দুয়ো ককাই ভায়ে একে বাটেৰেই গৈছিল। অৱশেষত তাই গৈ প্ৰাসাদৰ খটখটী পালেগৈ। সকলো ধৰণৰ কণ্ঠস্বৰ, সাৱধান বাণী আওকাণ কৰি গৈ তাই ওপৰলৈ উঠি গৈ থাকিল আৰু অৱশেষত তাই এখন চোতাল পালেগৈ। তাতে তাই এজোপা সোণৰ গছ পালে। গছজোপাতে এটা সোণৰ সঁজা ওলমি আছিল আৰু তাতে

এটা সোণৰ চৰাই আছিল ।

চৰাইটোৱে ক'লে, "মই তোমাৰ আদেশৰ বাবেই বৈ আছো । তুমি এখন সোণৰ ধনু সৌ ডবাটোৰ ওপৰতে পাবা। ধনুখনেৰে তুমি ডবাটো বজাব পাৰিবা। ইতিমধ্যেই শিললৈ ৰূপান্তৰিত হোৱা তোমাৰ ভাতৃহঁতে সেই শব্দ শুনিব আৰু পুনৰ প্ৰাণ পাই উঠিব ।"

মোহিনীয়ে চৰাইটোৱে কোৱাৰ দৰেই সকলো কৰিলে । "মই এতিয়া সোণৰ ধনু আৰু আৰু সোণৰ ভাটো পালো । পিছে মই সোণৰ গছজোপা ক'ত পাম যাৰ সন্ধানত মোৰ দুই ভাতৃ ইয়ালৈ আহিছিল ?" তাই সুধিলে ।

ভাটৌটোৱে উত্তৰ দিলে, "ধনুখনেৰে গছজোপাক লাহেকৈ চুই দিলেই ই তেওঁৰ হাতলৈ আহিব ।"

"মোহিনী, তই ইয়াত !" মদন আৰু মোহনে আচৰিত হৈ ক'লে ।

"মই পিছত তোমালোকক সকলো কথা বিৱৰি ক'ম । এতিয়া তোমালোক কোনোবা এটাই এই ধনুখন লৈ সোণৰ গছজোপা চুই দিয়া । এইজোপা তোমাৰ হাতলৈ আহি যাব," মোহিনীয়ে উত্তেজিত হৈ ক'লে। তাৰ অলপ সময়ৰ পিছতেই চিৰিৰে নামি ঘৰলৈ ঘূৰি আহিল ।

সিহঁত ঘূৰি অহাৰ কেইদিনমান পিছতেই সিহঁতে ৰজাক সিহঁতৰ ঘৰলৈ নিমন্ত্ৰণ কৰিলে । তেওঁ আহিল আৰু প্ৰাসাদৰ চৌপাশ দেখি আচৰিত হ'ল । যেতিয়া তেওঁলোক আহাৰ কৰিবলৈ বহিল, খোৱাবস্তুৰ সলনি মুক্তা, হীৰা আৰু পান্না দেখি ৰজাৰ আশ্চৰ্যৰ সীমা নোহোৱা হ'ল । "কি অদ্ভুত !" ৰজাই মন্তব্য কৰিলে ।

হঠাতে, সোণালী ভাটৌৱে ক'লে, "যদি এগৰাকী নাৰীয়ে কুকুৰ, মেকুৰী আৰু মাটিৰ পুতলা জন্ম দিব পাৰে তেন্তে সোণালী গছৰ পৰা পৰা হীৰা-মুকুতাও ৰান্ধিব পাৰি ।"

ভাটৌটোৱে কি বুজাব খুজিছে ৰজাই বুজি পালে । তেওঁ চৰাইটোৰ ফালে মু কৰিলে আৰু সুধিলে, "তেন্তে মোৰ সন্তান কেইটি ক'ত আছে ?"

"আপোনাৰ সমুখতে আছে । কুকুৰ, পোৱালি, মেকুৰী পোৱালি আৰু মাটিৰ পুতলা ৰাণীক তেওঁৰ ঈৰ্ষাপৰায়ণা বায়েক দুজনীয়ে দিছিল । যোৱা আৰু ৰাণীক মতাই আনা ।" ভাটৌটোৱে আদেশৰ সুৰত ক'লে।

ৰজা তৎক্ষণাৎ সৰু ৰাণীক যিখন হাবিলৈ ৰাজপ্ৰাসাদৰ পৰা নিৰ্বাসন দিছিল তালৈ গ'ল। তেওঁলোক দুয়ো ল'ৰা-ছোৱালী কেইটাক প্ৰাসাদলৈ আহিল । সিহঁতে ঘটনাবোৰ বিশ্বাসেই কৰিব নোৱাৰিলে ।

# ভুতুনীৰ উপহাৰ

কে.ৰমশ্বকৃষ্ণৰ ৰচিত এটা তেলেগু কাহিনীৰ ওপৰত আধাৰিত

কাঞ্চন কটোৱাল গাৱঁৰ এজন খেতিয়ক আছিল। তেওঁ কঠোৰ পৰিশ্ৰম কৰিছিল। কিন্তু তেওঁ নিজৰ দৰিদ্ৰতাৰ কাৰণে দুখ নকৰাকৈ এটা দিনো পাৰ নহৈছিল। তেওঁৰ পত্নীয়ে তেওঁক চহৰলৈ গৈ এটা চাকৰিৰ বাবে চেষ্টা কৰিবলৈ হেচা দি থাকিছিল, তেওঁৰ পত্নীৰ মতে চহৰত থকাৰ সুবিধা অধিক।

এবাৰ তেওঁ পত্নীৰ পৰামৰ্শ মানি ল'বলৈ সিদ্ধান্ত কৰিলে আৰু চহৰলৈ ওলাল। তেঁও দুপৰীয়ালৈকে খোজ কাঢ়িলে আৰু অলপ জিৰণি ল'ব খুজিলে। তেওঁ পত্নীয়ে দি পঠোৱা খোৱাবস্তুৰ টোপোলাটো খুলিলে। তাত দুখন ৰুটী আছিল, এখন ডাঙৰ আৰু আনখন সৰু।

মই এতিয়া প্ৰথমতে কোনখন খাম, ডাঙৰখন নে সৰুখন? তেওঁ নিজকে অলপ ডাঙৰকৈয়ে সুধিলে। গছ এজোপাত বাস কৰা দুজনী ৰাক্ষসীয়ে কথাখিনি শুনিলে। ‘‘ই বাৰু আমাক খাব খুজিছে নেকি?’’ ডাঙৰজনীয়ে ভয় খালে। সিহঁত নামি আহিল আৰু কাঞ্চনৰ সমুখত থিয় হ'ল।

‘‘অনুগ্ৰহ কৰি আমাক নাখাবা।’’ ভুতুনী দুজনীয়ে কাঞ্চনক কুটুৰিবলৈ ধৰিলে সিহঁত কিমান বুৰ্বকি বুজি পাবলৈ তেঁওৰ দেৰী নালাগিল। ‘‘তহঁতক এৰি দিলে মোৰ কি লাভ হ’ব ?।’’ তেওঁ সুধিলে ‘‘আমি তোমাক এটা বৰ দিম।’’ সিহঁতে কাঞ্চনক ক’লে।

এই বাকচটো লোৱা। ‘‘যদি এইটো তুমি পইচা বিচাৰি তিনিবাৰ টোকৰ মাৰা তেন্তে ই তোমাক পইচা দিব।’’ ডাঙৰজনীয়ে ক’লে। কাঞ্চনে চহৰলৈ আকৌ যাত্ৰা আৰম্ভ কৰিলে। সন্ধিয়া হৈ আহিল আৰু তেতিয়াও সি ওচৰৰ চহৰখন পাবলৈ বহুত দূৰ বাকী।

তেওঁ এটা ঘৰ দেখিলে। তাৰ বৃদ্ধা গৰাকীয়ে তেওঁক ৰাতিটো তাতে থাকিবলৈ ক’লে। কাঞ্চনে তেওঁক সেই বাকচটো দি ক’লে, ‘‘ইয়াত তিনিবাৰ টোকৰ নামাৰিবা আৰু পইচা নুখুজিবা।’’ বৃদ্ধাগৰাকীয়েও কিন্তু সেইটোৱে কৰিলে। পিছদিনা পুৱা, তেওঁ কাঞ্চনক সাইলাখ একে অন্য এটা বাকচ দিলে।



চহৰলৈ যোৱাৰ পৰিবৰ্ত্তে, কাঞ্চন ঘৰলৈ ঘূৰি গ'ল আৰু বাকচটোত টোকৰ মাৰিলে । কিন্তু তাৰ পৰা একো পইচা নোলাল । তেওঁ আকৌ ভুতুনীহঁতৰ ওচৰলৈ গ'ল । সিহঁতে তেওঁক এটা কলহ দিলে । “যদি তুমি ইয়াক সূৰ্যৰ পোহৰত ৰাখা, আৰু খোৱাবস্তু খোজা, তেন্তে ই তোমাক খোৱাবস্তু দিব ।”

ঘূৰি আহোঁতে কাঞ্চনে বুঢ়ী গৰাকীৰ ঘৰত সোমাল আৰু কলহটো তেওঁৰ হাতত দি বুঢ়ীক সেইটো বেলিৰ পোহৰত নথবলৈ আৰু খোৱাবস্তু নুখুজিবলৈ ক'লে । তেওঁ বুঢ়ীক লক্ষ্য কৰি থাকিল । বুঢ়ীয়ে আন্দাজ কৰিলে যে এইটো এটা যাদুকৰী কলহ ।

পিছদিনা পুৱা, বুঢ়ীগৰাকীয়ে কাঞ্চনক দেখিবলৈ সাইলাখ একে এটা কলহ দিলে । তেওঁ আকৌ ভুতুনীহঁতৰ ওচৰলৈ গ'ল আৰু সকলো কথা বিৱৰি ক'লে । এইবাৰ সিহঁতে তেওঁক এডাল লাঠী দিলে । “এই ডালেৰে মাটিত তিনিবাৰ মাৰিবা তেতিয়া ই নিজৰ গৰাকীক কোবাব ।”

কাঞ্চন বুঢ়ীগৰাকীৰ ঘৰলৈ তৃতীয়বাৰৰ বাবে গ'ল। আৰু তেওঁক লাঠীডাল দি মাটিত তিনিবাৰ নামাৰিবলৈ সাৱধান কৰি দিলে। কাঞ্চন এটা চুকত লুকাই থাকিল আৰু বুঢ়ীগৰাকীক লক্ষ্য কৰি থাকিল। তেওঁ জানিলে, আজি কিবা এটা হ'বই হ'ব।

যেতিয়া বৃদ্ধাগৰাকীয়ে সেইডালেৰে মাটিত তিনিবাৰ খুন্দিয়ালে আৰু ই ওলোটাই তেওঁক কোবাবলৈ ধৰিলে। তেওঁৰ চিঞৰ শুনি কাঞ্চন ওলাই আহিল আৰু ক'লে, "তুমি মোক ঠগি আহিছা! মোৰ সেই বাকচ আৰু কলহ ঘূৰাই দিয়া আৰু তেতিয়া লাঠীডালে তোমাক কোবোৱাও বন্ধ হ'ব।"

বুঢ়ীগৰাকীয়ে বাকচটো আৰু কলহটো ঘূৰাই দিলে। কাঞ্চন ভুতুনীহঁতে দিয়া উপহাৰসমূহ লৈ ঘৰলৈ ঘূৰি আহিল। বাকচটোৱে তেওঁক ঢেৰ পইচা দিলে, কলহটোৱে তেওঁলোকে বিচৰা মতে খোৱাবস্তু দিলে। তেওঁলোক সকলো সুখী হ'ল।

# ভাৰতৰ বিষয়ে জানি লোৱা

১. দিল্লীৰ লালকিল্লা সজাইছিল চাহজাহানে । আগ্ৰাত থকা লালকিল্লা কোনে সজাইছিল?

২. অমৃতসৰৰ স্বৰ্ণমন্দিৰ নিৰ্মাণৰ লগত জড়িত থকা শিখ গুৰু দুজন কোন আছিল?

৩. ভাৰতৰ আটাইতকৈ ডাঙৰ মচজিদ কোনটো ? ই ক'ত আছে ? ইয়াৰ নিৰ্মাণৰ কৃতিত্ব কাৰ ?

৪. ভাইচৰিগেল হাউচ (এতিয়াৰ ৰাষ্ট্ৰপতি ভৱন) এটা পাহাৰৰ ওপৰত অৱস্থিত । পাহাৰটোৰ নাম কি ?

৫. এজেন মোগল সম্ৰাটে তেওঁৰ পত্নীৰ নামত এটা স্মৃতিসৌধ নিৰ্মাণ কৰোৱাইছিল । অন্য এজন মোগল সম্ৰাটৰ পত্নীয়ে তেওঁৰ স্বামীৰ নামত এটা স্মৃতি সৌধ সজোৱাইছিল? এই স্মৃতিসৌধ দুটা, সম্ৰাট দুজনৰ নাম আৰু তেওঁলোকৰ পত্নী দুগৰাকীৰ নাম কি কি ?

৬. ওপৰোক্ত ছবিখন ভাৰতৰ সৰ্ববৃহৎ প্ৰৱেশ পথৰ । ই ক'ত অৱস্থিত? আৰু কোনে সজোৱাইছিল?

৭. হাইদৰাবাদৰ বিখ্যাত চচাৰ মিনাৰৰ অন্তৰালত এটা ঐতিহাসিক ঘটনা আছে- এটা মহামাৰীৰ লগত জড়িত এক ঐতিহাসিক সংযোগ । এই ঐতিহাসিক সংযোগ কি ?

৮. মুম্বাইৰ গেটওৱে অভ্ ইণ্ডিয়া আৰু নতুন দিল্লীৰ ইণ্ডিয়া গেট দুটা ঘটনাৰ সোঁৱৰণ বুলি ক'ব পাৰি । এই ঘটনা দুটা কি কি ?

৯. মহাৰাষ্ট্ৰৰ এটা বৃহৎ প্ৰাসাদ বৃটিছ সকলৰ দ্বাৰা ৰাজনৈতিক কাৰাবন্দী সকলক ৰাখিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল । প্ৰাসাদটোৰ নাম আৰু ইয়াৰ স্থান কি । এজন কাৰাবন্দীৰ তাত মৃত্যু হৈছিল । তেওঁৰ নাম কি ?

১০. অজন্তা আৰু ইলোৰা গুহাৰ তাৎপৰ্য কি?

*(উত্তৰ অহা সংখ্যাত)*

## ডিচেম্বৰ মাহৰ কুইজৰ উত্তৰ

১. এম.চি.মেহতা
২. কৰকেল্লা
৩. হয়শালা
৪. কাৰ্ত্তিকেয় বা সুব্ৰমান্য
৫. মুখলিশ্বগৰ
৬. চম'
৭. লং
৮. গ্ৰন্থ
৯. গুৰবচন সিং ৰান্ধন্তাৱা
১০. চি.ৰাজাগোপালাচাৰী



# বিষ্ণু কথা

ক্ষীৰসমুদ্ৰত অৱস্থিত ত্ৰিকূট পৰ্বত । ত্ৰিকূট পৰ্বতত তিনিটা চূড়া আছিল । এই চূড়া তিনিটাৰ মাজত আছিল মহা অৰণ্য । এই অৰণ্যত আছিল গজেন্দ্ৰ নামৰ বিৰাট হস্তী । দহ লক্ষ কোটি হস্তিনী এই হস্তীটোৰ পত্নী আছিল । গজেন্দ্ৰই তৃষ্ণা নিবাৰণৰ বাবে মহাঅৰণ্যৰ সোঁমাজত থকা সৰোবৰৰপৰা পানী পি-খালে ।

তাৰ পাছত গজেন্দ্ৰই তাৰ পত্নীহঁতক লৈ জলবিহাৰ কৰি থাকোঁতে এটা কুম্ভীৰে গজেন্দ্ৰৰ সোঁ ভৰিত কামুৰি ধৰিলে ।

গজেন্দ্ৰই সেই কুম্ভীৰৰ গৰাহৰপৰা নিজক উদ্ধাৰ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰি আছিল। কিন্তু সি সমূলি ব্যৰ্থ হ'ল । হস্তিনীবিলাক তীৰত থিয় হৈ কান্দি কান্দি ভাগৰি পৰিছিল। কান্দোনৰ বাহিৰে সিহঁতে কৰিবলগীয়া একো নাছিল সিহঁত আছিল নীৰৱ দৰ্শক।

গজেন্দ্ৰই তাৰ শুঁৰেৰে কুম্ভীৰক আঘাত কৰি আছিল, আৰু কুম্ভীৰটোৱে তাৰ নেজেৰে গজেন্দ্ৰক বাৰে বাৰে আঘাত কৰি ক্ষতবিক্ষত কৰি পেলাইছিল ।

দুয়োৰো মাজত প্ৰচণ্ড যুঁজ-বাগৰ আৰম্ভ হ'ল ....বোকাৰ ভিতৰত কুম্ভীৰে নিজক এনেকৈ সুমুৱাই ৰাখিছিল যে, গজেন্দ্ৰই হাজাৰ চেষ্টাতো তাক একো কৰিব নোৱাৰিছিল । হাজাৰ বছৰ ধৰি শক্তিশালী গ্ৰাহ আৰু গজেন্দ্ৰৰ মাজত এই যুদ্ধ চলি থাকিল ।

সুদীৰ্ঘকাললৈকে যুদ্ধ কৰাৰ ফলত গজেন্দ্ৰৰ শক্তি ক্ষয় হৈ থাকিল । আনহাতে, গ্ৰাহৰ, অৰ্থাৎ কুম্ভীৰৰ শক্তি ক্ষয় হোৱাৰ সম্ভাৱনা নাছিল । পানীৰ মাজত কুম্ভীৰৰ



শক্তি অসীম । গ্ৰাহই, অৰ্থাৎ কুম্ভীৰে গজেন্দ্ৰক ক্ষত-বিক্ষত কৰি দিনৰ পাছত দিন ধৰি তাৰ তেজ পান কৰি আগতকৈয়ো অধিক শক্তিশালী হৈ উঠিল । তাৰ ফলত কুম্ভীৰৰ কবলৰপৰা গজেন্দ্ৰৰ মুক্তি লাভ কৰাৰ সম্ভাৱনা প্ৰায় নোহোৱা হ'ল ।

এই অৱস্থাৰপৰা মুক্ত হ'ব নোৱাৰি গজেন্দ্ৰই অনুতপ্ত হৈ ভাবি থাকিল : মোৰ নিৰ্বুদ্ধিতাৰ কাৰণেহে মই এই জঘন্য গ্ৰাহৰ কবলত পৰিলোঁ। এতিয়া এই ভয়ানক গ্ৰাহৰ কবলৰপৰা কোনে মোক উদ্ধাৰ কৰিব ? গ্ৰাহৰ কবলৰপৰা উদ্ধাৰ কৰোঁতা নিশ্চয় কোনোবা আছে । কিন্তু মোক এই অৱস্থাৰপৰা একমাত্ৰ ঈশ্বৰৰ বাহিৰে কোনেনো উদ্ধাৰ কৰিব ?

"হে ঈশ্বৰ ! হে দেৱতা ! এই গ্ৰাহই, এই কুম্ভীৰে মোক যি অবৰ্ণনীয় কষ্ট দিছে--সেই কষ্ট মই সহিব নোৱৰা হৈ পৰিছোঁ । সকলো ঘটনাৰ গুৰিত হেতু থাকে । কিন্তু মোৰ এই বেদনাদায়ক ঘটনাৰ গুৰিত-হেতু যে কি, ক'ব নোৱাৰোঁ ।

"হে ঈশ্বৰ ! মোৰ দৰেই যিবোৰ নিৰ্বোধ, সেইবোৰ প্ৰাণীয়ে বিপদত নপৰালৈকে তোমাক নোসোঁৱৰে । তুমি নিশ্চয় কিবা নহয় কিবা ৰূপত ক'ৰবাত আছা । মই তোমাক এতিয়া অনুভৱ কৰিব পাৰিছোঁ, তোমাৰ অস্তিত্ব উপলব্ধি কৰিব পাৰিছোঁ । কিন্তু তোমাৰ সহায়তাৰ অবিহনে মই কেনেকৈ কি উপায়ে আৰু কেতিয়ানো এই অবৰ্ণনীয় যন্ত্ৰণাৰপৰা উদ্ধাৰ লভিম ?

আৰু যি মুহূৰ্তৰপৰা গজেন্দ্ৰই ঈশ্বৰক সুঁৱৰিলে, সেই মুহূৰ্তৰপৰা সি তাৰ যন্ত্ৰণা অতি কমকৈ উপলব্ধি কৰিবলৈ ধৰিলে । কিন্তু এই উপলব্ধি বৰ বেছি সময়লৈ স্থায়ী নহ'ল । অলপ পাছৰেপৰাই যন্ত্ৰণা আকৌ বাঢ়ি গ'ল । সেই সুতীব্ৰ যন্ত্ৰণা সহিব নোৱাৰি গজেন্দ্ৰই আৰ্তনাদ কৰিবলৈ ধৰিলে : হে ঈশ্বৰ ! যিকোনো প্ৰাণীক সকলো প্ৰকাৰৰ যন্ত্ৰণাৰপৰা মুক্ত কৰাৰ ক্ষমতা তোমাৰ আছে । হে দেৱাদিদেৱ ! এই জগতত মই তোমাৰ ইচ্ছাক্ৰমেহে আহিছোঁ । তুমি যিহেতুকে মোক এই জগতত আনিছা, সেয়ে মোক লালন-পালন কৰাৰ দায়িত্ব তুমিয়েই লোৱা উচিত । তোমাৰ ইচ্ছাপূৰণৰ বাবেহে মই জগতলৈ আহিছোঁ, তুমি মোক এই সংকটৰপৰা উদ্ধাৰ নকৰিবানে ? তুমি বাৰু কেৱল মোৰ কষ্ট চাই থাকিবানে ? মোক ৰক্ষা কৰিবলৈ তুমি অলপো চেষ্টা নকৰিবানে ?

ইমান কাল ধৰি যন্ত্ৰণা সহি সহি মই আৰু কান্দিব নোৱাৰা হৈছোঁ । এই বুলি কৈ গজেন্দ্ৰই তাৰ শুঁৰডাল প্ৰাৰ্থনাৰ ভংগীৰে আকাশলৈ দাঙি ধৰিলে ।

আৰু, ঠিক তেতিয়াই গ্ৰাহৰ, অৰ্থাৎ সেই কুম্ভীৰৰ বোধ হ'ল যেনিবা তাৰ শৰীৰৰ শক্তি ক্ৰমাত কমি আহিছে ! কিবা এই অজান শক্তিয়ে যেনিবা তাৰ মুখৰ শক্তি হ্ৰাস কৰি পেলাইছে । কুম্ভীৰৰ ক্ষমতা হ্ৰাস পোৱাৰ লগে লগে গজেন্দ্ৰৰো ক্ষমতা নাইকিয়া হ'বলৈ ধৰিলে । সি প্ৰায় লৰচৰ কৰিব নোৱাৰা হৈ পৰিল ।

আৰু গজেন্দ্ৰৰ এনে অৱস্থাত হঠাৎ বিষ্ণুৰ আবিৰ্ভাৱ ঘটিল । গজেন্দ্ৰইহে প্ৰথমে বিষ্ণুৰ দৰ্শন লাভ কৰিলে । বিষ্ণুৱে দৰ্শন দান কৰি নিজৰ হাতত চক্ৰেৰে অভয়মুদ্ৰা প্ৰদৰ্শন কৰিলে। আৰু বিষ্ণুৰ চক্ৰই প্ৰচণ্ড গতিৰে ঘূৰি ঘূৰি গ্ৰাহৰ, অৰ্থাৎ কুম্ভীৰৰ মুণ্ডচ্ছেদ কৰিলে ।

আচলতে এই কুম্ভীৰটো আছিল এক গন্ধৰ্ব । তাৰ নাম আছিল হুহূ । দেৱল নামৰ এগৰাকী ঋষি যেতিয়া পানীত থিয় হৈ সূৰ্য্য প্ৰণাম কৰি আছিল, তেতিয়া হুহূ নামৰ এই গন্ধৰ্বই কুম্ভীৰৰ দৰে সাঁতুৰি গৈ ঋষিৰ ভৰিত কামুৰি ধৰিছিল । ঋষি দেৱলে বিৰক্ত হৈ হুহূক কুম্ভীৰ হ'বলৈ অভিশাপ দিছিল । এতিয়া, বিষ্ণুচক্ৰই তাৰ মুণ্ডচ্ছেদ কৰাত গন্ধৰ্বৰ শাপমুক্তি ঘটিল । গ্ৰাহৰ কবলৰপৰা মুক্ত কৰি বিষ্ণুৱে গজেন্দ্ৰক পানীৰ পৰা উঠাই আনিলে, আৰু তাৰ কুম্ভস্থান অৰ্থাৎ হাতীৰ মূৰৰ টেমুনা দুটাত ঘঁহি দিলে । বিষ্ণুৰ হস্তৰ স্পৰ্শ পাই হস্তী-গজেন্দ্ৰই নিজৰ পূৰ্বজন্মৰ কথা সুঁৱৰিব পাৰিলে : আগৰ জনমত গজেন্দ্ৰ আছিল বিষ্ণুৰ আদৰ্শেৰে দীক্ষিত এগৰাকী ৰজা । নাম আছিল ইন্দ্ৰদ্যুম্ন । ইন্দ্ৰদ্যুম্ন যেতিয়া বিষ্ণুৰ চিন্তাত মগ্ন আছিল, তেতিয়া এদিন অগস্ত্যমুনি ইন্দ্ৰদ্যুম্নৰ ওচৰলৈ আহিছিল । কিন্তু ইন্দ্ৰদ্যুম্নই অগস্ত্যমুনিৰ আগমন গম পোৱা নাছিল । তেতিয়া অগস্ত্য ক্ৰুদ্ধ হ'ল । তেওঁ ভাবিলে যে ইন্দ্ৰদ্যুম্নই তেওঁলৈ উপেক্ষাহে প্ৰদৰ্শন কৰিছে । অগস্ত্যমুনিয়ে ইন্দ্ৰদ্যুম্নক হস্তী হৈ জনম ল'বলৈ অভিশাপ দিলে । সেই অভিশাপৰ ফলত ৰজা ইন্দ্ৰদ্যুম্ন হস্তীৰূপী গজেন্দ্ৰ হৈ উপজিল ।

সূত মহৰ্ষিয়ে নৈমিষাৰণ্যৰ সত্ৰযজ্ঞলৈ উপস্থিত হোৱা প্ৰাজ্ঞ শৌণ মুনিসকলক গজেন্দ্ৰৰ মোক্ষলাভৰ কাহিনী ক'লে ।

মুনিসকলে সূতমহৰ্ষিক ক'লে, "হে

মুনিন্দ্ৰ, গজেন্দ্ৰৰ মোক্ষলাভৰ কাহিনী গজেন্দ্ৰৰে কাহিনী নহয়, এই কাহিনী হ'ল শতকোটি জীৱনৰ, অসংখ্য মানুহৰ সুখ-দুখৰ কাহিনী । এই কাহিনী আমি পূৰ্ণভাৱে শুনিবলৈ বিচাৰোঁ ।"

সূত মহৰ্ষিয়ে ক'লে, "গজেন্দ্ৰৰ কাহিনী প্ৰকৃততেই অতি তাৎপৰ্য্যপূৰ্ণ । গজেন্দ্ৰৰ কাহিনীভাগ যাৰ যেনেকৈ মন যায় তেনেকৈ গ্ৰহণ কৰিব পাৰে । সমগ্ৰ কাল বিষ্ণুৰ অধীন । কালচক্ৰৰ পৰিক্ৰমাত অসংখ্য ধৰণৰ সমস্যা বিদ্যমান ।"

মুনিবৰ্গই সুধিলে, "গজেন্দ্ৰৰ সুখ-দুখৰ কাৰণৰ গুৰিত হেনো বিষ্ণু । অসংখ্য কাৰণৰ যি মূল কাৰণ--আৰু সেই মূল কাৰণৰ যি মূল নিয়ন্ত্ৰক, সেই নিয়ন্ত্ৰক হ'ল বিষ্ণু । আমি এইবোৰ কথা আদ্যোপান্ত শুনিবলৈ বিচাৰোঁ । আমাৰ বোধগম্য ভাষাৰে আমাক বিষ্ণুৰ কাহিনী শুনাওক । আপুনি মহৰ্ষি ব্যাসৰ মুখৰপৰা সমস্ত পুৰাণ, ইতিবৃত্ত, আৰু তৎসংশ্লিষ্ট টীকা-টিপ্পনীসমূহ শ্ৰৱণ কৰিছে । কেৱল আপুনিহে আমাক বিষ্ণুকথা শুনাই কৃতাৰ্থ কৰিব পাৰে ।"

মুনিবৃন্দৰ কথাত ভাল পাই সূত মহৰ্ষিয়ে ক'লে, "তথাস্তু, মই শুনাম বিষ্ণুকথা । মহৰ্ষি ব্যাসে বিষ্ণুৰ লীলা, বেলেগে, এক মহাভাগৱত ৰূপে ৰচনা কৰি, নিজপুত্ৰ শুকক অনুধাৱন কৰাইছিল । ব্যাসৰ মুখৰপৰা শুনি শুকে মহাৰাজ পৰীক্ষিতক বিষ্ণুৰ কথা শুনাইছিল । গজেন্দ্ৰক উদ্ধাৰ কৰাৰ বাবেই বিষ্ণুৱে অৱতৰণ কৰিছিল । সেই পৰ্বৰ নাম হ'ল 'আদি মূলাৱতাৰ, ।"

বিষ্ণুৰ অনেক অৱতাৰ । তাৰ মাজত মূলাৱতাৰ বিষ্ণুৰ শেষ পৰ্বৰ অৱতাৰসমূহক দশাৱতাৰ বুলি অভিহিত কৰা হয় ।

নীৰ, অৰ্থাৎ পানী, অৰ্থাৎ পানীৰ সৈতে সম্পৰ্ক থকাৰ কাৰণে বিষ্ণুৰ আন এক নাম নাৰায়ণ । আকৌ নাৰায়ণেই 'নীৰ'ৰ স্ৰষ্টা । নীৰ, অৰ্থাৎ জলৰপৰাই জীৱন সৃষ্টি । জলচৰ প্ৰাণী, অৰ্থাৎ মৎস্য ৰূপেহে বিষ্ণুৰ আবিৰ্ভাৱ ঘটিছিল । সেয়েহে বিষ্ণুক মৎস্যাৱতাৰ বুলিও অভিহিত কৰা হয় । এই মৎস্যাৱতাৰেই হ'ল বিষ্ণু প্ৰথম অৱতৰণ ।

তেতিয়া বিষ্ণুৰ বৰণ আছিল নীলবৰণীয়া জলদ মেঘৰ দৰে । মেঘত যেনেকৈ বিজুলীৰ চমকনি থাকে, তেনেকৈ বিষ্ণুৰ মাজতো সেই তেজোদ্দীপ্ত উজ্জ্বলতা আছিল । সেই উজ্জ্বলতাৰপৰা বিচ্ছুৰিত জলো আছিল

উজ্জ্বল শুভ্ৰ তেজোদ্দীপ্ত । সেই জলেৰেই সৃষ্টি হৈছিল ক্ষীৰসাগৰ ।

ক্ষীৰ সাগৰত আছিল অনন্ত কাল, শেষ সৰ্পৰ ৰূপত । শেষ সৰ্পৰ আছিল সহস্ৰ ফেঁট । সেই অনন্তৰূপী শেষত বিষ্ণু বিৰাজমান আছিল । বিষ্ণুৰ নাভিমূলত ব্ৰহ্মাৰ জন্ম হৈছিল । যুগ যুগ ধৰি অনন্তকাল একেদৰেই থাকিল । কৃত, ত্ৰেতা, দ্বাপৰ আৰু কলিযুগ--এই চাৰিটা যুগ লৈ এক মহাযুগ । এহেজাৰ মহাযুগৰ পাছত এটি কল্প--ব্ৰহ্মাৰ ওচৰত এটি দিন মাথোন । দিনৰ অন্তত যেতিয়া ব্ৰহ্মাৰ চকু মুদ খাই পৰে তেতিয়াহে এটি কল্পান্ত হয় । তেতিয়া চাৰিওফালে গাঢ় অন্ধকাৰ নামি আহে, আৰু বিষ্ণুৰপৰা ওলোৱা শংকৰ্ষাগ্নিয়ে সেই অন্ধকাৰ গুচায় । তাৰ পাছত হস্তীৰ শুঁৰৰ দৰে বৰ বৰ টোপালেৰে ধাৰাসাৰ বৰষুণ দিয়ে । সমগ্ৰ ভূমণ্ডল পানীৰে উপচি পাৰে । চাৰিওফালে পানী আৰু পানী । সেই অৱস্থাত সংঘটিত হ'ল প্ৰলয় । ব্ৰহ্মাৰ নিদ্ৰিত অৱস্থাত প্ৰলয় আছিল । তাৰ পাছত কল্পান্তৰ সমাপ্তি ।

সত্যব্ৰত নামৰ এগৰাকী ৰাজৰ্ষিয়ে নদীত স্নান কৰি, নাৰায়ণৰ নাম সুঁৱৰি অৰ্ঘ্য নিবেদন কৰোঁতে তেওঁৰ অঞ্জলিত এটি সোণালী মাছ উঠিল । সত্যব্ৰতই সেই মাছটোক আকৌ পানীত এৰি দিয়াৰ সময়ত মাছটোৱে ক'লে, "হে ৰাজৰ্ষি সত্যব্ৰত, আমাৰ মাছৰ জাতটো বৰ ভাল নহয় । আমি কেতিয়া কেনে

অৱস্থাত থাকিম তাৰ ঠিক নাই । আমাৰ ভূত নাই, ভৱিষ্যৎ নাই । ডাঙৰ মাছে সৰু মাছক গিলি খায় । ডাঙৰ মাছৰ হাতৰপৰা ৰক্ষা পৰিলেও, জালোৱাৰ জালৰপৰা আমাৰ ৰেহাই নাই । এইবোৰ বিপদৰপৰা ৰক্ষা পৰিবলৈহে মই তোমাৰ অঞ্জলিত উঠিছিলোঁগৈ । কিন্তু তুমি মোক আকৌ সেই বিপদৰ মাজলৈ ঠেলি পঠাইছা । মোৰ একান্ত অনুৰোধ--মোৰ অতি কাতৰ প্ৰাৰ্থনা, মোক তুমি আকৌ তুলি লোৱাঁ । তুমি হ'লা এগৰাকী মহান সৎ ৰজা মোক আশ্ৰয় দিয়াঁ ।"

সত্যব্ৰতই মাছটোক তেওঁৰ কমণ্ডলুত ভৰাই লৈ নগৰলৈ গ'ল । এগৰাকী সৎ ৰজা হিচাপে, আৰু লগতে বিষ্ণুভক্ত তথা জ্ঞানৱন্ত পুৰুষৰূপেও ৰজা সত্যব্ৰতৰ যথেষ্ট খ্যাতি আছিল ।

মাছটো এৰাতিৰ ভিতৰতে কমণ্ডলুত ডাঙৰ হৈ গ'ল । পাছদিনা মাছটোৱে ৰজাক ক'লে, "হে ৰজা, মোক অলপ আহল-বহল ঠাইত ৰাখাঁ ।"

ৰজাই মাছটোক এটা ডাঙৰ পাত্ৰত পানীৰ মাজত থৈ দিলে । কিন্তু চাওঁতে চাওঁতে মাছটো আৰু ডাঙৰ হৈ উঠিল । তেতিয়া ৰজাই মাছটোক এটা ডোবাত এৰি দিলে । কিন্তু আকৌ মাছটো অত্যন্ত ডাঙৰ হ'ল । তেতিয়া ৰজাই মাছটোক পুখুৰীত এৰিলে । তাৰ পাছত মাছটোৱে বিশাল আকাৰ ধাৰণ কৰিলে । তেতিয়া প্ৰথমে নদীত, তাৰ পাছত সাগৰত আৰু কিছুদিনৰ পাছত মাছটোক মহাসাগৰত এৰি দিয়া হ'ল ।

মহাসাগৰত এৰি দিয়াৰ লগে লগে সেই মাছটোৱে ৰজা সত্যব্ৰতক ক'লে, "মহাৰাজ, মই তোমাৰ ওচৰত আশ্ৰয় ভিক্ষা কৰিছিলোঁ । আৰু তুমি মোক মহাসামুদ্ৰত এৰি দিলা ! এয়া তোমাৰ পক্ষে উচিত কাৰ্য্য হ'লনে ? মহাসমুদ্ৰত মোক মোতকৈয়ো ডাঙৰ মাছে বা কুম্ভীৰে গ্ৰাস নকৰিবনে ?"

ৰজা সত্যব্ৰতই ক'লে, "হে মহামীন, আৰুনো মই কি কৰিব পাৰোঁ ? তোমাৰ ওজন আৰু আকাৰ মুহূৰ্তে মুহূৰ্তে বহুগুণে বৃদ্ধি পাইছে । তোমাক নিশ্চিতভাৱেই কোনেও গিলি খাব নোৱাৰে ।" *(আগলৈ)*

# তিনিটা মুদ্ৰাৰ পুণ্য

এখন গাঁৱত পৰমেশ নামৰ এজন ব্যৱসায়ী আছিল। বহুত ধন ঘটাৰ পাছতো খৰচৰ বেলিকা তেওঁৰ হাত একেবাৰে পানী নসৰক বিধৰ আছিল। তেওঁৰ পত্নী আৰতিয়ে পৰমেশৰ এই কৃপণালি মুঠেই পচন্দ নকৰিছিল। কিন্তু কিবা পুণ্য কাম কৰাৰ সুবিধা পালেই আৰতিয়ে পৰমেশক যিকোনো প্ৰকাৰে হ'লেও ধন খৰচ কৰিবলৈ বাধ্য কৰিছিল।

ভোগ বিলাসৰ বাবে পৰমেশৰ ধনৰ অভাৱ নাছিল, কিন্তু কোনো সন্তান লাভ কৰিব নোৱাৰাৰ দুখত তেওঁ ভাগি পৰিছিল। সন্তান লাভৰ বাবে আৰতিয়ে অসংখ্য দেৱ-দেৱীৰ পূজা কৰিছিল। কিন্তু এইবোৰৰ পৰা কোনো সুফল পোৱা নগৈছিল।

অৱশেষত আৰতিয়ে এদিন ভগৱানক এইবুলি মিনতি কৰিলে যে তেওঁ যদি এটা সন্তান লাভ কৰে তেন্তে নিজৰ জোৰোণত পোৱা সমুদায় গহনা-পাতি ভগৱানৰ চৰণত অৰ্পণ কৰিব আৰু নিজৰ স্বামীয়েও ব্যৱসায়ত এবছৰত কৰা লাভৰ গোটেইখিনি ধন ধৰ্মপুৰৰ মন্দিৰত দান কৰিব।

এই প্ৰাৰ্থনাৰ কিছুদিন পিছত আৰতি গৰ্ভৱতী হ'ল আৰু যথা সময়ত তেওঁ এটি পুত্ৰ সন্তান জন্ম দিলে। ইয়াৰ পাছত আৰতিয়ে নিজৰ প্ৰাৰ্থনাৰ সময়ত কৰা অঙ্গীকাৰৰ কথা পৰমেশক জানিবলৈ দিলে।

আৰতিৰ কথা শুনি পৰমেশে খঙত একো নাই হৈ ক'লে, "তোমাৰ মগজুৰ কাম নকৰা অৱস্থা হোৱা নাইতো ? তুমি জোৰোণত পোৱা গোটেইখিনি গহনাৰ মূল্য অতি কমেও পাঁচ-ছয় হেজাৰ টকা হ'ব। আৰু কপালৰ ঘাম মাটিত পেলাই ব্যৱসায়ত লাভ কৰা প্ৰতিটো টকাৰ মূল্য তুমি নাজানানে ? আজিৰেপৰা এনে অৰ্থহীন কথা মোৰ আগত যেন কেতিয়াও নোকোৱা।"

পৰমেশৰ ক্ৰোধ দেখি আৰতিৰো বৰ খং উঠিল আৰু ক'লে, "আপুনি এনেদৰে না কৰিলে নচলিব। এলাপেচা মানুহৰ আগত নহয়, ভগৱানৰ ওচৰত মই এই অঙ্গীকাৰ কৰিছো। সন্তানটিৰ কিবা অমংগল হ'লে আপুনি মোৰ মৰা শ দেখিব। মই কৈ দিলো।" পৰমেশে দেখিলে কথা বিষম।

ইয়াৰ কেই দিনমান পাছত পৰমেশ এদিন পত্নী আৰু পুত্ৰক লগত লৈ ধৰ্মপুৰৰ মন্দিৰলৈ ওলাল। জোৰোণত পোৱা গোটেইখিনি গহনা আৰতিয়ে লগত নিলে। পৰমেশে হিচাপ কৰি পালে এবছৰত তেওঁৰ ব্যৱসায়ত লাভ হৈছে এহেজাৰ টকা।

দিলীপ চোপ্ৰা

"হিচাপ পত্র ভুল কৰি আপুনি ভগৱানক প্ৰতাৰণা কৰিবলৈ চেষ্টা নকৰিব।" আৰতিয়ে পৰমেশক সাৱধান কৰি দিলে। তাকে শুনি পৰমেশে আৰু এহেজাৰ টকা লগত নিলে। ঘৰৰপৰা ওলাই পৰমেশে দুৱাৰত তলা লগাবলৈ লঁওতেই দেখিলে ঘৰৰ চোতালত এজন সন্ন্যাসী বহি আছে।

সন্ন্যাসীয়ে পৰমেশক ক'লে, "বোপা, ধৰ্মপুৰৰ দৰে পবিত্ৰ স্থানলৈ যোৱাৰ আগতে দান-ধৰ্ম পালন কৰা উচিত। কালি ৰাতিৰে পৰা মোৰ পেটত একো এটা পৰা নাই, কিবা এটা খাবলৈ নিদিবা জানো?"

"এ থোৱা হে, তোমাৰ সেই সাৰগৰ্ভ ধৰ্মোপদেশ নহলেও চলিব। তোমাক দান কৰি মোৰ যি পুণ্য হ'ব, মই তাতকৈ বহুগুণে বেছি পুণ্য আৰ্জন কৰিবলৈ গৈ আছো।" পৰমেশে উত্তৰ দিলে।

পৰমেশৰ কথা শুনি পত্নী আৰতিৰ বৰ খং উঠিল। আৰতিয়ে নিজৰ স্বামীৰ অগোচৰে মোনাৰপৰা উলিয়াই দুটা লাডু সন্ন্যাসীক দিলে আৰু লগতে দিলে তিনিটা ৰূপৰ মুদ্ৰা।"

আৰতিয়ে সন্ন্যাসীক ৰূপৰ মুদ্ৰা দিয়াটো হঠাতে পৰমেশৰ চকুত পৰিল। পৰমেশে আৰতিক তৰ্জন-গৰ্জন কৰি ক'লে, "হেৰা, তুমি গোটেইখিনি ধন ইয়াতে খৰচ কৰি ঘূৰি আহোতে মানুহৰ ওচৰত ভিক্ষাৰ পাত্ৰ আগবঢ়াম বুলি ভাবিছা নেকি?"

মন্দিৰত গৈ পোৱাৰ লগে লগে পৰমেশে আৰতিক ক'লে, "এই টকা এহেজাৰ লোৱা। মোৰ ওচৰত আৰু এহেজাৰ টকা আছে। এই এহেজাৰ টকা তুমি মন্দিৰৰ দান-পাত্ৰত জমা দি আহাগৈ। বাকী এহেজাৰ টকাৰে আমি পূজা-অৰ্চনাৰ প্ৰয়োজনীয় বয়-বস্তু কিনিব পাৰিম।

মন্দিৰত ভগৱানক দৰ্শন কৰি উঠি আৰতিয়ে পৰমেশে দিয়া টকা এহেজাৰ আৰু নিজৰ গহনা-গাঁথৰি মন্দিৰৰ দান পাত্ৰত অৰ্পণ কৰিলে। ইফালে আৰতিয়ে নেদেখাকৈ পৰমেশেও আৰু এহেজাৰ টকা দান পাত্ৰত ভৰাই দিলে।

দুয়ো যেতিয়া মন্দিৰৰ পৰা বাহিৰ ওলাই আহিল তেতিয়া পৰমেশে আৰতিক ক'লে, "টকাখিনি সাৱধানে ৰাখিবা। মন্দিৰৰ চাৰিওফালে গোটেইখন চোৰেই চোৰ।"

আৰতিয়ে ক'লে, "টকাতো আপোনাৰ ওচৰতহে আছে। মোৰ ওচৰত থকা গোটেইখিনি টকা মই ইতিমধ্যে দানপাত্ৰত অৰ্পন কৰিছো।"

লগে লগে পৰমেশে নিজৰ ভুল বুজি পালে। পৰমেশৰ চিন্তাক্লিষ্ট মুখ দেখি আৰতিয়ে ক'লে, "আপুনি ভগৱানৰ প্ৰাপ্য ধনৰাশিৰ হিচাপত খেলিমেলি কৰা নাইতো?"

পৰমেশে লাজতে তললৈ মূৰ কৰি ৰ'ল । এতিয়া দুয়োৰে হাতত থকা পা-পইচা আনকি এদিনৰ খৰচৰ বাবেও পৰ্যাপ্ত নাছিল । ঘূৰি অহাৰ পথত কেতিয়াবা উপবাসে থাকি, কেতিয়াবা ধৰ্মশালাত খাই, মুঠতে অনেক বিপদৰ সমুখীন হৈ তেওঁলোক তিনিদিনৰ পিছত ঘৰ ওলালহি ।

তিনিদিনৰ মূৰত ঘৰলৈ অহা পৰমেশক দেখা কৰিবলৈ গাঁৱৰ অনেক লোক তেওঁৰ ঘৰলৈ আহিল । আচৰিত কথা এইয়ে যে তেওঁলোক ৰাওনা হোৱাৰ সময়ত থকা সেই সন্ন্যাসীজন তেতিয়াও সেই ঠাইতে বহি আছিল । সন্ন্যাসীয়ে আগবাঢ়ি আহি পৰমেশক সুধিলে, " বোপা, তোমালোকৰ তীৰ্থযাত্ৰা সুকলমে সম্পন্ন হ'ল, নহয় জানো ?"

পৰমেশে বিৰক্তিৰে ক'লে, "হৈছে, হৈছে। সুকলমে শেষ হৈছে । গোটেই ৰাস্তা ভিক্ষা খুজি আহিছো ।"

"তোমালোক ৰাওনা হোৱাৰ আগতেই জানো তুমি এই কথা কোৱা নাছিলা ? হ'ব দিয়া, মই এতিয়া আহিছো ।" এইবুলি কৈ সন্ন্যাসী যাবলৈ ওলাল ।

তেনেতে পৰমেশৰ ঘৰলৈ অহা এগৰাকী মহিলাই ক'লে, "সন্ন্যাসীয়ে সীমাৰ বাহিৰলৈ গৈ তোমালোকৰ মংগল কৰিছিল, তাৰ যথাযথ পুৰস্কাৰ তেওঁ হাতে-হাতে পালে ।"

"আপুনি কি ক'ব খুজিছে মই একো বুজি পোৱা নাই" পৰমেশে ক'লে ।

"শুনিব খুজিছা নেকি ? তোমালোক তীৰ্থলৈ যোৱা দিনাৰেপৰা এই বেচেৰা সন্ন্যাসীজনে প্ৰভুভক্ত কুকুৰৰ দৰে তোমালোকৰ ঘৰখন ৰাখি আছিল । পৰহি ৰাতি তোমালোকৰ ঘৰত কেইটামান চোৰে সিন্ধি দিবলৈ আহোতে সন্ন্যাসীয়ে চিঞৰ বাখৰ কৰি গাঁৱৰ মানুহক একগোট কৰিলে । নহ'লে তোমাৰ সমুদায় সম্পত্তি চোৰে লৈ গ'লহেঁতেন । কিন্তু তোমালোকে এনে এজন মহান সন্ন্যাসীক চোৰৰ দৰেহে ব্যৱহাৰ কৰিলা ।"

"সন্ন্যাসীক সেই তিনিটা ৰূপৰ মুদ্ৰা দি মই আৰ্জন কৰা পুণ্যৰ বাবেহে এবাৰলৈ আমি ৰক্ষা পৰিলো ।" আৱতিয়ে পৰমেশৰ চকুলৈ চাই ৰ'ল।

পৰমেশে নিজৰ মূৰ্খামিৰ বাবে অনুতাপ কৰিবলৈ ধৰিলে । সেই দিনাৰে পৰা তেওঁ মুক্ত হৃদয়েৰে দান কৰিবলৈ ধৰিলে আৰু অনেক জনহিতকৰ কাম কৰি যশস্যা লাভ কৰিলে ।



# যাৰ পৰশত সকলো সোণ হয়

ৰমাকান্তৰ ঘৰ আছিল চাৰিণ্ডীয়া গাঁৱত। তেওঁৰ পিতাক ৰত্নমণি গাঁৱৰ ধনী জমিদাৰৰ ভৃত্য আছিল। ৰত্নমণিয়ে পুতেক ৰমাকান্তক বৰ মৰম কৰিছিল। শৈশৱতে ৰমাকান্তই নিজৰ মাকক হেৰুৱাইছিল, সেয়েহে দেউতাকে তাক বৰ মৰমেৰে ডাঙৰ দীঘল কৰিছিল। ৰমাকান্তৰ পঢ়া-শুনাত বৰ ধাউতি আছিল। পুতেক লিখা-পঢ়া কৰি ভাল মানুহ হোৱাটো ৰত্নমণিয়েও কামনা কৰিছিল।

পিছে, জমিদাৰৰ পত্নী ভানুমতীয়ে এই কথা মুঠেই পচন্দ কৰা নাছিল। কাৰণ তেওঁ ভয় খাইছিল যে যদিহে ৰমাকান্ত শিক্ষিত হয় তেন্তে ৰত্নমণিৰ মৃত্যুৰ পাছত পুতেকে তেওঁলোকৰ ঘৰত কাম কৰিবলৈ নাহিব। এদিন তেওঁ ৰত্নমণিক বুজালে, "তোমাৰ ল'ৰাই এতিয়া দহ বছৰত ভৰি দিলেহি। এতিয়া সি ঘৰৰ কাম কৰিব পৰা হৈছে। কাইলৈৰ পৰা তুমি আমাৰ বাৰীখনকে চোৱা-চিতা কৰিবা। আৰু বাৰীতে থকা জুপুৰীটোতে বাপেক-পুতেক থাকি ল'ব পাৰিবা।"

ৰত্নমণিয়ে হাত দুখন মোহাৰি মোহাৰি ক'লে, "যিমানলৈকে পৰা যায় ৰমাকান্তক পঢ়ুৱাবলৈ মোৰ এটা ডাঙৰ অভিলাষ আছে আইদেউ।"

তাকে শুনি ভানুমতী জাঙুৰ খাই উঠিল, "হেৰা, গছত গৰু উঠা কথা নক'বাচোন। পঢ়া-শুনাই খাবলৈকে দিয়ে নে কাপোৰ কানিকে দিয়ে? মনত ৰাখিবা, তাৰ পঁচিশ বছৰ হোৱালৈকে যদি তোমাৰ ল'ৰাই আমাৰ ইয়াত কাম কৰে, আৰু তাৰ বাবে সি যিমানখিনি ধন পাব লাগে, সেইখিনি ধন মই মোৰ ওচৰত জমা ৰাখিম। পঁচিশ বছৰ হুঁওতেই মই তাক গোটেইখিনি ধন দি দিম। তেতিয়া সি সেইখিনি ধন আনক সুদত ধাৰলৈ দিলে মহা আৰামেৰে জীৱন কটাব পাৰিব। এতিয়া তুমি বুজিলানে? তাৰ পঢ়া-শুনাৰ কথা

ভাবিবলৈ বাদ দিয়া ।" ভানুমতীয়ে শেহৰ কথাখিনি বেচ ডাঙৰকৈ ক'লে।

এনে অৱস্থাত বেচেৰা ৰত্নমণিয়েনো ক'ৰে কি ? তেওঁ পুতেকক জমিদাৰৰ ঘৰত কাম কৰাবলৈ লগালে আৰু দুয়ো জমিদাৰৰ বাৰীৰ জুপুৰীটোতে থাকিবলৈ ল'লে। নিজে তেওঁ বাৰী চোৱা-চিতা কৰিবলৈ লাগিল।

এইদৰে কেইবছৰমান পাৰ হ'ল । এবাৰ টান নৰিয়াত পৰি ৰত্নমণিয়ে চিৰদিনৰ বাবে চকু মুদিলে। তাৰ পিছৰ বছৰতে ভানুমতীয়ে ৰমাকান্তৰ বিয়া পতি দিলে । ৰমাকান্তৰ পত্নী চম্পাক ভানুমতীয়ে ঘৰুৱা কামত লগাই ৰমাকান্তক বাৰীৰ কাম চোৱা-চিতা কৰিবলৈ লগালে।

এইদৰে আৰু ছটা বছৰ পাৰ হ'ল । ৰমাকান্তৰ পুতেক ৰত্নদীপৰ বয়স এতিয়া ছবছৰ। সি বৰ চোকা বুদ্ধিৰ ল'ৰা আছিল । দেউতাকে তাক গাঁৱৰে পাঠশালাত নাম লগাই দিছিল আৰু প্ৰতিটো পৰীক্ষাতে সি প্ৰথম হৈছিল। পুতেকৰ মেধাশক্তি দেখি এদিন ৰমাকান্তই নিজৰ পত্নীক ক'লে, "মই নিজে পঢ়া-শুনা কৰিব নোৱাৰিলো। সি যাতে মোৰ নিচিনা চাকৰি কৰিব নালাগে তাক নিশ্চিত কৰিবলৈ তুমি তাৰ পঢ়া-শুনালৈ যিমান পাৰা মন-কাণ দিবা।"

কিন্তু চম্পাই হুমুনিয়াহ কাঢ়ি ক'লে, "আপুনি কথাখিনি ঠিকেই কৈছে। কিন্তু তাৰ পঢ়া-শুনাৰ খৰচৰ জোৰা মাৰিব পৰাকৈ আমাৰ হাততো ইমান টকা-পইচা নাই। আমাৰ দুয়োৰে আৰ্জিত ধনেৰে কোনোমতে দুবেলা দুমুঠিৰ ব্যৱস্থা হয়। জমাধন বুলিবলৈ ফুটা-কড়ি এটাও নাই । তাকনো আৰু কিমানলৈকে পঢ়ুৱাব পাৰিম ভগৱানেহে জানে।"

ৰমাকান্তই কিছু সময় নীৰৱ হৈ থাকি ক'লে, "জমিদাৰৰ ঘৰৰ সকলো খৰচ-পাতিৰ হিচাপ ৰাখে আইদেৱে। সকলো অধিকাৰ তেওঁৰ হাতৰ

মুঠিত । মই মোৰ দহ বছৰ বয়সৰে পৰা জমিদাৰৰ ঘৰত কাম কৰি আহিছো । তেওঁ তেতিয়াই দেউতাক কথা দিছিল যে মোৰ যেতিয়া ২৫ বছৰ বয়স হ'ব তেতিয়া তেওঁ মই পাৰিশ্ৰমিক হিচাপে পাবলগীয়া গোটেই ধনখিনি একেলগে মোক দিব । এতিয়ালৈকে সেইখিনি ধন প্ৰায় দহ হেজাৰমান টকা হৈছেগৈ । সেইখিনি টকা পালে মই চহৰত কিবা এটা ব্যৱসায় আৰম্ভ কৰিম । চহৰত কিবা এটা সংস্থান হ'লে আমি ৰত্নদীপৰো পঢ়াৰ খৰচ উলিয়াব পাৰিম ।" চম্পাই দেখিলে ৰমাকান্তই ঠিকেই কৈছে।

এদিন ৰমাকান্তই নিজৰ নতুন সিদ্ধান্তৰ কথা জনাবলৈ জমিদাৰৰ ঘৰলৈ গ'ল । ভানুমতীক ৰমাকান্তই কথাখিনি কঁওতে জমিদাৰো ওচৰতে আছিল । ৰমাকান্তৰ কথা শুনাৰ পাছত ভানুমতীয়ে ক'লে, "হেৰ' তোৰ দেউতাৰে সদায়ে এনেকৈ আকাশত চাং পাতি ভাল পাইছিল। মেকুৰীৰ পেটৰপৰা সদায় মেকুৰীয়েই জন্ম হয়। একেদৰে চাকৰৰ বংশতো চাকৰেই

ওপজে। এতিয়া আহিল তই পাব লগীয়া টকাখিনিৰ কথা । মই জনামতে তই পাব লগীয়া এপইচাও আমাৰ হাতত নাই । তোৰ দেউতাৰে বহু বছৰ আগতেই সেইখিনি ধন মোৰ পৰা লৈ থৈছে।"

পত্নীয়ে যে গোকাট মিছা কথা কৈছে সেই কথা জমিদাৰে ভালকৈ জানিছিল । কিন্তু ভয়তে তেওঁ একো নোকোৱাকৈ চুপচাপ বহি থাকিল।

ৰমাকান্তয়ো আৰু একো কথা নকৈ নিজৰ জুপুৰীলৈ গুচি আহিল । সেই ৰাতিয়েই এটা ডাঙৰ ধুমুহা আহিল । বাৰীৰ শাক-পাচলিৰ কথা ভাবি গোটেই নিশা জমিদাৰ আৰু ভানুমতীয়ে চকুৰ টিপ এটাকে মাৰিব নোৱাৰিলে ।

ৰাতিপুৱাই জমিদাৰ আৰু তেওঁৰ পত্নী তেওঁলোকৰ ঘৰৰপৰা কিছু দূৰৈত থকা বাৰী খনলৈ আহিল । বাৰীৰ চাৰিওফালে শাক-পাচলিৰ গছৰ চাব নোৱাৰা অৱস্থা হৈছিল । এই দৃশ্য দেখি ভানুমতীৰ শোকে খুন্দা মাৰি ধৰিলে । তেওঁ কঠুৱা মাতেৰে চম্পাক সুধিলে, "তোৰ মানুহটো গ'ল কলৈ ? আৰু তই ইমান পৰলৈকে কামলৈ কিয় অহা নাই ?"

চম্পাই বৰ দুখেৰে ক'লে, "আইদেউ, কালি ৰাতি এটা বিচিত্ৰ ঘটনা ঘটিল । ধুমুহাৰ মাজতে কোনোবাই আহি আমাৰ দুৱাৰত টকৰিয়ালেহি । আমাৰ এখেতে দুৱাৰ খুলি দি সমুখত দেখা পালে এজন পকাচুলীয়া বৃদ্ধ সাধু । তেওঁ বৰষুণত জোৰোলি-জোপোৰী দিছিল ।

"মই ভোকত ৰ'ব নোৱাৰা হৈছো । কিবা অলপ খাবলৈ দিবানে ? এমুঠিমান ভাত আৰু কিবা অকণ পাচলি আছে যদি তাকে দিলেই হ'ব।" কপি কপি সাধুজনে আমাক ক'লে ।

"আইদেউ, দেখাতেই সাধুজনৰ কিবা মহিমা থকা যেন লাগিছিল । চৰুত তেনেই অকণমান ভাত আৰু কেৰাহীত অলপমান তৰকাৰী আছিল । সেইখিনিকে বৃদ্ধ সাধুজনে পৰম তৃপ্তিৰে খালে । তাৰপাছত, একো নোকোৱাকৈ সেই ডবাপিতা বৰষুণ আৰু ধুমুহাৰ মাজতে তেওঁ ওলাই গ'ল । তেওঁ যোৱাৰ পিছতে আমি দেখিলো তেওঁ ভাত খোৱা কাঁহীখন আৰু পানী খোৱা গিলাচটো সোণৰ দৰে জিলিকিবলৈ ধৰিলে । আমি ধৰি ল'লো সাধুজনৰ স্পৰ্শতেই কাঁহীখন আৰু গিলাচটো সোণৰ বাচনলৈ ৰূপান্তৰিত হ'ল । সেই দুপদ বস্তু লৈ আমাৰ এখেত আজি কাহিলী পুৱাতেই চহৰলৈ বুলি ওলাই গৈছে । কৈছে কাঁহীখন আৰু গিলাচটো বিক্ৰী কৰি পোৱা ধনেৰে তেওঁ হেনো চহৰত কিবা এটা ব্যৱসায় আৰম্ভ কৰিব ।" ৰত্নদীপক মৰমেৰে বুকুত সাবটি চম্পাই কথাখিনি ক'লে।

নিজৰ ভৃত্যৰ এই ভাগ্য দেখি ভানুমতী ঈৰ্ষাত জলি-পুৰি মৰিল । একো নোকোৱাকৈ, চম্পালৈ এবাৰ ঘোপাকৈ চাই, স্বামীৰ সৈতে ভানুমতী ওলাই গ'ল ।

পিছদিনা সূৰ্যাস্তৰ পাছতে ধুমুহা আহিল আৰু

বৰষুণ হ'বলৈ ধৰিলে । সময় তেতিয়া দোভাগ নিশা । জমিদাৰ নাক ঘোৰঘোৰাই শুই আছে । সাৰপাই ভানুমতীয়ে খিৰিকী কেইখন বন্ধ কৰি দিবলৈ উঠিল । বিজুলীৰ চমকণিত তেওঁ হঠাতে বাহিৰত দেখিলে সেই পকাচুলীয়া বৃদ্ধ সাধুক । ভানুমতীয়ে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে ।

তৎক্ষণাৎ ঘৰৰ মুখ্যদ্বাৰ খুলি ভানুমতীয়ে বৃদ্ধ সাধুক মাতিলে, "ভিতৰলৈ আহক প্ৰভু । বৰষুণত তিতি আপোনাৰ দেখিছো শোচনীয় অৱস্থা ।"

ভিতৰলৈ আহি সাধুৱে ক'লে, "বৰ ভোক লাগিছে আই । কিবা অলপ খাবলৈ পামনে ?" মাতটো তেওঁৰ কপিছিল ।

ভানুমতীয়ে ততাতৈয়াকৈ বৃদ্ধ সাধুক পিন্ধিবলৈ নতুন কাপোৰ দি তেওঁক এখন ঘূৰণীয়া মেজৰ সমুখত আথে-বেথে বহুৱালে । আৰু পাকঘৰলৈ গৈ এখন কাঁহীত আহাৰ আৰু এটা গিলাচত পানী লৈ আহিল ।

খাই-উঠি সাধুৱে ক'লে, "অন্নপূৰ্ণাৰ দৰে আহাৰ খুৱাই তুমি মোৰ ক্ষুধা নিবৃত্তি কৰালা ।" এইবুলি কৈ তেওঁ বাহিৰলৈ চালে । ভানুমতীয়ে ক'লে, "এই দোপালপিতা বৰষুণত আপুনি এতিয়া যাব কেনেকৈ প্ৰভু ? এইখিনিতে বিচনা এখনৰ ব্যৱস্থা কৰো । অলপ বিশ্ৰাম কৰক আৰু ৰাতিপুৱাই আপুনি যাব পাৰিব প্ৰভু । লোহাৰ এই ডাঙৰ বাকচটোতে ভৰি মেলি আপুনি আৰামেৰে দীঘল দিব পাৰিব ।"

সাধুৱেও মিচিকিয়া হাঁহি মাৰি বাকচটোত ভৰি মেলি দীঘল দিলে । ভানুমতীয়ে পেটে পেটে বৰ সুখী হৈ শুবলৈ গ'ল ।

নিশা পলমকৈ শুবলৈ যোৱাৰ বাবে ভানুমতী পুৱা সাত বজামানতহে সাৰ পালে । সাৰ পাই উঠিয়েই তেওঁ ততাতৈয়াকে আগনিশা সাধু শুই থকা কোঠাটোলৈ গ'ল । কিন্তু কি আচৰিত ! সাধু তাত নাই । ভানুমতীয়ে ভাবিলে নিশ্চয় গোটেই বাকচটো সোণলৈ ৰূপান্তৰিত হৈছে । সাৱধানে বাকচটোৰ ওচৰলৈ আহি ভানুমতীয়ে বৰ আগ্ৰহেৰে বাকচটো চালে । কিন্তু বাকচটোৰতো একো পৰিৱৰ্তন হোৱা নাই, আগতে যেনে আছিল তেনেই আছে । কিন্তু বাকচটো দেখোন খোলা অৱস্থাত আছে । তাকে দেখি ভানুমতীয়ে চিৎকাৰ কৰি উঠিল ।



বাকচটো খুলি চাই ভানুমতীয়ে ভোৰভোৰাবলৈ ধৰিলে, "এজন ভণ্ড সাধুক মই মহিমামণ্ডিত বুলি ভাবিলো। ঘৰৰ ভিতৰলৈ মাতি আনি পেট ভৰাই খাবলৈ দিলো । এই ভণ্ড সাধুৱে বাকচটোৰ ভিতৰত যিমানবোৰ গহনা আছিল, সোণৰ মুদ্রা আছিল আটাইবোৰ চুৰ কৰি লৈ গ'ল। মোৰ সৰ্বস্ব নিলে।" ভানুমতীয়ে নিজকে চম্ভালিব নোৱৰা অৱস্থা হ'ল । তেওঁৰ হাত-ভৰি কপিবলৈ ধৰিলে । আৰু এবাৰ জোৰেৰে চিঞৰি ভানুমতী মাটিত বাগৰি পৰিল।

ভানুমতীৰ চিঞৰ শুনি জমিদাৰ সেইখিনি পালেহি । সেই সময়ত ভানুমতীয়ে "সাধু নহয় চোৰ, মোৰ কি ফুটা কপাল" বুলি ভোৰভোৰাই আছিল । জমিদাৰে বাকচটো ভালকৈ চালে । তেওঁ দেখা পালে বাকচটোৰ ভিতৰত গহনা-পাতি যথাস্থানতেই আছে । কিন্তু তাত সেই মোনাটো নাছিল য'ত ভানুমতীয়ে পচিশ বছৰ বয়স হ'লে ৰমাকান্তক দিম বুলি সাঁচিৰখা টকাখিনি আছিল।

তাকে দেখি, জমিদাৰৰ আৰু বুজিবলৈ বাকী নাথাকিল, সেই সাধুজননো দৰাচলতে আছিল কোন ? ৰমাকান্তই সাধুৰ বেশ ধৰি নিজৰ প্ৰাপ্য ধনৰ মোনাটোহে লৈ থৈ বাকী আটাইবোৰ মূল্যৱান বস্তু আগৰ ঠাইতে এৰি থৈ গ'ল । এজন ভৃত্যৰ এই সততা দেখি জমিদাৰে তবধ মানিলে।

বৰ মৰমেৰে তেওঁ ভানুমতীৰ কান্ধত হাত থৈ ক'লে, "উঠা, উঠা । আমাৰ সমুদায় ধন একেবাৰে সুৰক্ষিত অৱস্থাত আছে।"

কিন্তু ভানুমতী উঠি বহিব পৰা অৱস্থাত নাছিল । তেতিয়াও তেওঁ মুখেৰে কিবা কিবি ভোৰভোৰাই আছিল । জমিদাৰে তৎক্ষণাৎ বৈদ্যক মাতি পঠিয়ালে। বৈদ্যই ভানুমতীক তন্ন তন্নকৈ পৰীক্ষা কৰি উঠি ক'লে, "এওঁ কোনো আকস্মিক মানসিক আঘাতৰ চিকাৰ হৈছে। অহা ছয়-সাত মাহলৈকে এঁও যাতে কোনো প্ৰকাৰে মানসিক আঘাত নাপায় তালৈ আপুনি চকু দিব লাগিব । মইয়ো এইখিনি সময়ত প্ৰয়োজনীয় চিকিৎসা দি থাকিম।"

ছমাহৰ পাছতো ভানুমতীৰ মানসিক ভ্ৰান্তি দূৰ নহ'ল । "মোৰ সোণ নিলে, গোটেইখিনি সোণ নিলে" এইকেইটা শব্দই তেওঁ অনবৰতে ভোৰভোৰাই থকা শুনা গ'ল । এই দুৰ্ঘটনাৰ পিছত জমিদাৰে বহুত ভাবি-চিন্তি, গাঁৱৰ বয়োজ্যেষ্ঠ লোক সকলৰ পৰামৰ্শ লৈ নিজৰ ধনেৰে গাঁৱৰ দুখীয়া ল'ৰা ছোৱালীহঁতে বিনামূলীয়া শিক্ষা লাভ কৰিব পৰাকৈ এখন বিদ্যালয় স্থাপন কৰি দিলে।



# চতুৰ চিত্ৰকৰ

প্ৰাচীন কালত ভাৰতৰ মধ্যদেশৰ এজন প্ৰতিভাশালী চিত্ৰকৰ যৱন দেশলৈ গৈছিল। তাত এজন বৰ নামকৰা যন্ত্ৰ বিশেষজ্ঞ আছিল । তেওঁ চিত্ৰকৰজনক নিজৰ ঘৰতে ৰাখিলে । অতিথি সেৱা কৰিবৰ বাবে তেওঁ এগৰাকী যান্ত্ৰিক স্ত্ৰীক নিযুক্তি দিলে । সেই গৰাকী স্ত্ৰীক তৈয়াৰ কৰি উলিয়াইছিল যন্ত্ৰ বিশেষজ্ঞ জনে ।

স্ত্ৰী গৰাকীয়ে নিতৌ চিত্ৰকৰজনক ভৰি ধুৱাই দিছিলহি । যান্ত্ৰিক স্ত্ৰীগৰাকী দেখাই-শুনাই, ব্যৱহাৰ-পাতিয়ে ইমানেই মানৱীয় আৰু স্বাভাৱিক আছিল যে চিত্ৰকৰে তেওঁক সঁচাসচি তিৰোতা বুলি ভাবিছিল । চিত্ৰকৰে তিৰোতাগৰাকীৰ সৈতে কথা পাতিব খুজিছিল । এদিন তেওঁ সেই নাৰীক কেইটামান প্ৰশ্ন কৰিলে, কিন্তু চিত্ৰকৰে তেওঁৰ এটা প্ৰশ্নৰো উত্তৰ নাপালে ।

তাকে দেখি চিত্ৰকৰে সেই নাৰীৰ হাতত ধৰি টানি চালে । এনে কৰাত সেই যান্ত্ৰিক নাৰীৰ ভিতৰৰ জোৰা ঢিলা হৈ পৰিল আৰু সেই নাৰী মাটিত ঢলি পৰিল । চিত্ৰকৰৰ এই কথা বুজাত অসুবিধা নহ'ল যে সেই নাৰী দৰাচলতে যান্ত্ৰিকহে । যন্ত্ৰ বিশেষজ্ঞজনৰ এই অভাৱনীয় নিপুণতাত চিত্ৰকৰে তবধ মানিলে। কিন্তু লগতে তেওঁ এই কথাত দুখ পালে যে এই ৰহস্যৰ বিষয়ে শিল্পী গৰাকীয়ে আগতে একো নক'লে । তেওঁৰ অনুভৱ হ'ল যে সেই যৱন যন্ত্ৰ বিশেষজ্ঞই সেই মূৰ্ত্তিৰ বিষয়ে চিত্ৰকাৰক একো নকৈ অপমান কৰিলে । এই কথা চিত্ৰকৰজনৰ মনত লাগি থাকিল । এই অপমানৰ পোটক তুলিবলৈ সেই যন্ত্ৰ বিশেষজ্ঞকো নিজৰ অদভুত প্ৰতিভাৰ পৰিচয় দিবলৈ চিত্ৰকাৰজনে সিদ্ধান্ত কৰিলে ।

খুব সোনকালেই চিত্ৰকৰজনে এনে এখন চিত্ৰ তৈয়াৰ কৰিলে য'ত ফাঁচীকাঠৰ চিত্ৰ আছিল আৰু দেখোতাৰ এনে লাগিব যেন স্বয়ং চিত্ৰকৰজনে নিজৰ ডিঙিতে ফাঁচী লগাই লৈছে । সেই ছবিখন নিজৰ কোঠাত এনেকুৱাকৈ সজোৱা হ'ল যাতে বাহিৰৰ পৰা

মমতা আগৰৱাল

কোনোবাই কোঠাটোলে ভুমুকি মাৰি চালেই সেই ছবিখন দেখে। তাৰ পিছত চিত্ৰকৰজনে এটা চুকত পৰি থকা পুৰণি বস্তুৰ দমটোৰ আঁৰত লুকাই পৰিল।

কিছু সময় পিছত যন্ত্ৰ বিশেষজ্ঞ সেই ফালেদি পাৰ হৈ যাওক। তেওঁ দেখিলে যে কোঠাৰ দুৱাৰ খুলি থোৱা আছে। সেয়ে তেওঁ ভিতৰলৈ চালে। তেওঁ মাটিত পৰি থকা যান্ত্ৰিক স্ত্ৰী আৰু চিপজৰীত ওলমি থকা চিত্ৰকৰক দেখিলে।

এই দৃশ্য দেখি যন্ত্ৰ বিশেষজ্ঞই ভয় খালে। তেওঁ তৈয়াৰ কৰা যন্ত্ৰৰ মূৰ্ত্তি নষ্ট হোৱাত তেওঁৰ তিলমানো চিন্তা হোৱা নাছিল। কিন্তু ভাৰতৰ পৰা আহি তেওঁৰ ঘৰতে থকা চিত্ৰকৰজনৰ মৃত্যুত তেওঁ সঁচাকৈয়ে দুখ পালে। কিয়নো এই অপযশ তেওঁৰ ওপৰতে পৰিব, সেয়ে তেওঁ চৰকাৰী বিষয়াৰ দ্বাৰা এই ঘটনাৰ তদন্ত কৰোৱাৰ সিদ্ধান্ত ল'লে।

এই কথা চিন্তা কৰি যন্ত্ৰ বিশেষজ্ঞ নিজ দেশৰ ৰজাৰ ওচৰলৈ গ'ল আৰু সকলো কথা বিৱৰি ক'লে। ৰজাই এই ঘটনাৰ সবিশেষ জানিবৰ বাবে ৰাজ দৰবাৰৰ সকলো পদাধিকাৰীক যন্ত্ৰ বিশেষজ্ঞৰ ঘৰলৈ পঠালে। বিষয়াসকল আহি চিত্ৰকৰৰ কোঠাত সোমাই চালে। কোঠাত পৰি থকা চিত্ৰকৰৰ মৃতদেহ তেওঁলোকে দেখিবলৈ পালে।

মৃতদেহটো কেনেকৈনো আঁতৰোৱা যায় সেই বিষয়ে তেওঁলোকে চিন্তা কৰিবলৈ ধৰিলে। কোনো কোনোৱে চিত্ৰকৰৰ ডিঙিৰ চিপজৰী কাটিবৰ বাবে তৰোৱাল, দা আৰু চুৰী ইত্যাদি লৈ আহিল।

ইতিমধ্যে, কোঠাত লুকাই থকা চিত্ৰকৰ তেওঁলোকৰ সমুখলৈ ওলাই আহিল। তেওঁক দেখি সকলোৱে বিস্ময় মানিলে।

চিত্ৰকৰে যন্ত্ৰ বিশেষজ্ঞক ক'লে, "মহাশয়, এই কথা সঁচা যে আপুনি যন্ত্ৰৰ নাৰীক মোৰ সেৱাৰ বাবে নিযুক্ত কৰি মোক মোহাবিষ্ট কৰিছিল, কিন্তু আপুনি নিজৰ পাৰদৰ্শিতাৰ দ্বাৰা কেৱল মোকহে মোহাবিষ্ট কৰিছিল, কিন্তু মই নিজৰ বিদ্যা প্ৰয়োগ কৰি আপোনাক তথা ৰজাই পঠোৱা বিষয়া সকলো বিভ্ৰমত পেলালোঁ।"

এই কথা শুনি যন্ত্ৰ বিশেষজ্ঞই লাজত নিজৰ মূৰ তললৈ কৰিলে। আৰু ভাৰতৰ এই মহান চিত্ৰশিল্পী জনৰ প্ৰতি মনে মনে প্ৰণাম জনালে।

5
শান্তিপুৰত অশান্তি । ৰজা শান্তিদেৱে নিজৰ ৰাণী আৰু শিশু পুত্ৰক নিৰাপদে ওলোৱাত সহায় কৰে । তেওঁ বীৰ সিংহৰ সৈনিক সকলৰ মুখামুখি হ'ল আৰু দূৰ্গৰ ওচৰৰ নদীত জাপ মাৰিলে । জয়ানন্দ আৰু তেওঁৰ শিষ্যবোৰৰ এটা শিশু আৰু এগৰাকী স্ত্ৰীৰ লগত মুখামুখি হ'ল । স্ত্ৰীগৰাকীৰ সিহঁতৰ সমুখতে মৃত্যু হ'ল। এতিয়া কোনোবাই সেই মৃত শৰীৰৰ সংকাৰ কৰিব লাগে । কিন্তু কোনে কৰিব ?
আৰ্য
অজ্ঞাত ৰাজকুমাৰৰ ৰহস্য
চিত্ৰ : গান্ধী অৰ্যা
যেতিয়া তেওঁ থপৰিয়াই সিহঁতক মৰম কৰে তেতিয়া বাঘে তেওঁ হাত চেলেকিবলৈ ধৰে ।
মোৰ তোমালোক দুয়োৰে লগত অলপ কাম আছে । স্ত্ৰী গৰাকীৰ মৃত শৰীৰ পহৰা দিয়া সংকাৰ কৰা ।
কোনেও তেওঁক স্পৰ্শ নকৰিবা আৰু কোনেও তেওঁক লৈ গুচি নাযাবা । কাইলৈ তেওঁক সমাধিস্থ কৰা হ'ব ।
দুয়োটা জন্তুৱে তেওঁৰ কান্ধ চুবলৈ থিয় হয় যেন সিহঁতে নিজৰ কৰ্তব্য কি সেইটো বুজি পাইছে ।
ঋষি আৰু তেওঁৰ শিষ্যই দুয়োটা বাঘক মৃত দেহৰ চাৰিওফালে ঘূৰি থকা দেখি তাৰপৰা গুচি যায় ।
জয়ানন্দ ধ্যানত ৰহে । বাঘ আৰু বাঘিনী তেওঁৰ ওচৰলৈ আহে ।

ঋষি আৰু শিষ্য আশ্ৰমলৈ ঘূৰি আহে আৰু জংঘলৰ পশু-পক্ষীয়ে তেওঁলোকক অভিবাদন জনায়।
আহ! ভালুকী! আহাঁ, আহাঁ! তুমি এই শিশুৰ চোৱাচিতা কৰিব পাৰিব।
মোৰ বাচা, এই লকেট তোমাৰ পৰিচয় প্ৰকট কৰিব। তোমাৰ সুৰক্ষাৰ বাবে মই এইটো আঁতিবাই থৈছো।
এইফালে, ভালুকী, ইয়াৰ ভালকৈ চোৱাচিতা কৰা।


মোংকু বান্দৰ গছৰ পৰা তললৈ নামি আহে । বাকী জন্তুৰেও দলবদ্ধ হৈ পৰে । শিশুটোৱে কেৱল বৃদ্ধ ভালুকীৰ হাততে আৰাম পোৱাই নহয় বাকী জীৱ জন্তুৰ লগতো উমলি-জামলি ডাঙৰ হয় ।
ক্রমশঃ

# জানো আহা নানা কথা

## বিজ্ঞানৰ কত কথা

### ইণ্ডিয়াম

ইণ্ডিয়াম এটা কোমল, নমনীয় চিকমিকাই থকা, ৰূপালী বৰণৰ মৌলিক ধাতু । ইয়াৰ ৰাসায়নিক চিহ্ন হ'ল In ইয়াৰ পাৰমাণৱিক সংখ্যা হ'ল ৪৯ । আৰু ইয়াৰ পাৰমাণৱিক ভাৰ ১১৪.৮২ । জিংক ব্লেন্ডে নামৰ এবিধ আকৰত এফ.ৰিখ্ আৰু এইচ. ৰিখটাৰে ১৮৬৩ চনত এই মৌল আৱিষ্কাৰ কৰে । ৰূপৰ দৰে ইয়ো বৰ দুৰ্লভ । দস্তা, লো আৰু সীহৰ আকৰৰ সৈতে খনিজ পদাৰ্থ হিচাপে ইয়াক পোৱা যায় । ইয়াৰ বৰ্ণালীৰ সবাতোকৈ উজ্জ্বল পটীৰ ৰঙৰ নামেৰে ইয়াৰ নাম ৰখা হৈছিল ইণ্ডিগ' । ই

ভালেখিনি উষ্ণতালৈ তৰল অৱস্থাত থাকিব পাৰে । ইয়াৰ ক্ষয় প্ৰতিৰোধক ক্ষমতা ৰূপতকৈ বেছি । দাপোনৰ পৃষ্ঠ হিচাপে ইয়াক ব্যৱহাৰ কৰিব পাৰি । ইয়াৰ প্ৰতিফলন ক্ষমতা ৰূপৰ দৰে । কোঠাৰ উষ্ণতাত ই অক্সিজেনৰ সৈতে ৰাসায়নিক বিক্ৰিয়া নকৰে । কিন্তু ইণ্ডিয়ামক ইয়াৰ গলনাংকৰ বেছি উষ্ণতালৈ গৰম কৰিলে, ই এটা বেঙুনীয়া শিখাৰ সৈতে জ্বলি উঠে । ইয়াৰ অক্সাইড কাঁচ উৎপাদনত ব্যৱহাৰ কৰা হয় । এবিধ হালধীয়া ৰঙৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয় ।

বিয়েৰিঙৰ ওপৰত এটা কটিঙ হিচাপেও ইণ্ডিয়াম ব্যৱহৃত হয় ।

ইণ্ডিয়ামে এচিডৰ ক্ৰিয়া ৰোধ কৰিব পাৰে । আৰু অপঘৰ্ষী হিচাপে কাম কৰে । ইণ্ডিয়ামৰ যৌগ আন বহুতো কামত আহে ।

## তোমাৰ পৰিবেশ

### ট্ৰেইনত উঠি আনৰ কথা নাপাহৰিবা

তোমাৰ ঘৰটো যদি এটা ৰেলৱে লাইনৰ ওচৰতে হয় আৰু প্ৰতিদিনে পাৰ হৈ যোৱা ৰেলগাড়ীবোৰে এৰি থৈ যোৱা জাবৰৰ দ'মটো দেখিলে তোমাৰ বাৰু কেনে লাগে ? তোমাৰ বাৰু খং নুঠেনে বা দুখ নালাগেনে ?

অঁতো, ৰেলগাড়ীত উঠি ভ্ৰমণ কৰা আমি হাজাৰ হাজাৰ মানুহৰ বদ অভ্যাসৰ বাবেই বহুতো লোকৰ এনে করুণ দশা হয় ।

ৰেলপথৰ কাষতে থকা গাওঁ বা নগৰৰ বাসিন্দাসকলৰ কথা এবাৰো নভবাকৈ আমি ৰেলপথৰ কাষে কাষে অনেক লেতেৰা বস্তু (প্লাষ্টিক কাপ, প্লাষ্টিক পানীৰ বটল, কল বাকলিৰ দৰে পচি যোৱা বস্তু, কণীৰ চোকোৰা আদি) পেলাই যাওঁ ।

তুমি যদি এজন দায়িত্বশীল ভ্ৰমণকাৰী হ'ব খোজা তেন্তে তুমি কেইটামান কাম কৰিব পাৰা ।

সদায় নিজৰ গিলাচ লৈ যাবা, যাতে যাত্ৰাপথত তুমি চাহ, কফি বা ক'ল্ড ড্ৰিংক্‌ছ খাব খুজিলে পেলাই দিব পৰা গিলাচ ব্যৱহাৰ কৰিব লগীয়া নহয় ।

নিজৰ পানীৰ বটল লৈ যাবা, প্ৰতিবাৰ যাত্ৰা কৰোতে বটলত থকা পানী কিনি খোৱাৰ অভ্যাস নকৰিবা ।

ৰেলযাত্ৰাৰ সময়তে তুমি দেখুৱাব পাৰা তুমি দেশৰ এজন দায়িত্বশীল নাগৰিক হয় নে নহয় ।

# জানো আহা নানা কথা

### তুমি বাৰু জানানে?

## গোলাপৰ ব্যৱহাৰ

অনাদি কালৰে পৰা, কবি সাহিত্যিক আৰু প্ৰেমিক সকলে 'ফুলৰ ৰাণী' গোলাপক প্ৰেমৰ প্ৰতীক স্বৰূপে ব্যৱহাৰ কৰি আহিছে। গোলাপৰ আৰু অন্যান্য তাৎপৰ্যও আছে।

বহুতো ইউৰোপীয়ান লোকে এসময়ত গোলাপক গোপনীয়তাৰ প্ৰতীক স্বৰূপে ব্যৱহাৰ কৰিছিল। ইংলণ্ডত ভৃত্যসকলে কাণৰ পিছফালে গোলাপ পিন্ধিছিল যাতে তেওঁলোকে কাৰোবাৰ কিবা কথা যদি কেনেবাকৈ শুনাও পায় সেয়া পুনৰ তেওঁলোকৰ মুখৰ পৰা আৰু নোলায়। জাৰ্মান সকলৰ খোৱা টেবুলত ৰখা এখৰাহী গোলাপ ফুলৰ তাৎপৰ্য আছিল যে অতিথিসকলে মুকলিকৈ কথা পাতিব পাৰে। জানিব পৰা মতে এটা গোলাপৰ কলিৰ আঁট খাই থকা পাহিবোৰে গোপনীয়তা বুজাইছিল।

ইজিপ্তিয়ান ফাৰাওসকলে প্ৰায় পাঁচ হাজাৰ বছৰ আগতে গোলাপৰ খেতি কৰিবলৈ লৈছিল আৰু তেওঁলোকৰ বহুতে মানুহৰ মৃত্যু হ'লে মৃতদেহৰ লগতে গোলাপ কবৰো দিছিল।

প্ৰাচীন ৰোমান সকলে গোলাপৰ পৰা সুৰা তৈয়াৰ কৰিছিল। গোলাপৰ ৰস আইচ ক্ৰীম ইত্যাদিত সুঘ্ৰাণ হিচাবে ব্যৱহাৰ কৰা হৈছিল। আৰু চালাড আদিৰ লগত গোলাপ খাবলৈয়ো দিয়া হৈছিল। গোলাপ জল আৰু গোলাপৰ তেল বছৰ বছৰ ধৰি ঔষধ ইত্যাদি তৈয়াৰ কৰাটো ব্যৱহৃত হৈছিল। আজিকালি, গোলাপ তেল, প্ৰসাধন, সুগন্ধি আৰু আনকি বিভিন্ন পানীয় ইত্যাদিত সুঘ্ৰাণ হিচাবে ব্যৱহাৰ হয়।

### নিজকে সজাগ কৰি তোলা

## এইবাৰৰ কুইজৰ বিষয় হ'ল প্ৰকৃতি

১. টেডী বিয়েৰ সৰু ল'ৰা-ছোৱালীৰ প্ৰিয় পুতলা। কি জন্তুৰ আৰ্হিত এই পুতলাটো তৈয়াৰ কৰা হয়?

২. গছ আৰু ঘাঁহ--এই দুটাৰ কোনটো পৃথিৱীত আগতে দেখা গৈছিল?

৩. ফৰিঙৰ কাণ ক'ত থাকে?

৪. সকলো শগুনে একে সময়তে মৰাশ খায়নে?

৫. ভেকুলী আৰু কুচীয়াৰ সাদৃশ্য কি?

(উত্তৰ ৬৬ পৃষ্ঠাত)

# ফটো নামকৰণ প্ৰতিযোগিতা

**কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?**

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।
*ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,* ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ পাওঁতা জনৰ নাম মাৰ্চ সংখ্যাত প্ৰকাশ কৰা হ'ব!

## অভিনন্দন

*নৱেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজেতা*
চুমন্ত মহন্ত,
মাৰফৎ-প্ৰাণকৃষ্ণ মহত, কাকজান হাইস্কুল,
ডাকঘৰ : কাকজান,অসম.

বিজয়ী বাক্য

হাতীত উঠি পানীৰাম ফুৰিবলৈ যায়।
কোনোবাই চাই চাই বাঁহী বজায়॥

## নিজকে সজাগ কৰি তোলাৰ উত্তৰ

১. এসময়ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি থিয়ড'ৰ ৰুজভেল্টে ধৰা এটা ক'লা ভালুকৰ পোৱালি।
২. গছৰ দৰে কিছুমান উদ্ভিদ ঘাঁহতকৈ আগতে গজিছিল।
৩. সিহঁতৰ কাণৰ বিন্ধা সিহঁতৰ আগঠেঙৰ বিন্ধাবোৰত থাকে। সেয়ে সিহঁতে আগঠে লৰচৰ কৰি শব্দৰ উমান ল'ব পাৰে।
৪. দলপতি চৰাইটোৱে আগতে খোৱা আৰু দুৰ্বল চৰাই বোৰে নিজৰ পাল পৰালৈ বৈ থকাৰ এটা নিয়ম আছে।
৫. কুচীয়াই ভেকুলীৰ দৰে ছালৰ সহায়েৰে উশাহ লয়।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : B. Viswanatha Reddi (Viswam)

# AN IDEAL NEW YEAR GIFT

*to your near and dear abroad*

CHANDAMAMA

CHANDAMAMA **bilingual**

in Hindi-English, Telugu-English, Tamil-English
published for Indian families in
USA and Cananda

**Different from
the Indian editions in size, layout
and design**

**Helps the reader
to keep in touch with
mother tongue.**

**Remit only Rs.1,500 for an
overseas GIFT subscription and save
more than Rs.600**

**Special offer closes
on February 29,2004**

*Remittances by D/D in favour of*
Chandamama India Ltd.
82, Defence Officers Colony, Ekkaduthangal, Chennai - 600 097
**Indicating the bilingual edition preferred and full name and
address of friend / relative living abroad.**

Send Rs.50 by M.O. for specimen copy

For residents in USA/Canada one-year subscription US $ 48.00.
Contact **Nataka** at rganesh@bellsouth.net

**CHANDAMAMA** (Assamese) **JANUARY 2004**
Regd. with Registrar of Newspaper for India No. 30278/76

Registered No. TN/PMG(CCR)-588/03-05
Licensed to post without prepayment No. 369/03-05
Foreign - WPP. No. 370/03-05